# নগংচিয়ান

## উত্তৰ গুৱাহাটী মহাবিদ্যালয়

ত্ৰয়োদশ সংখ্যা ইং ২০০০-২০০১









সম্পাদক ঃ বিৰাজ কুমাৰ বৰা

উত্তৰ গুৱাহাটী মহাবিদ্যালয় আলোচনী

# নগ'চিয়ান

## উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী

ত্ৰয়োদশ সংখ্যা

২০০০-২০০১

সম্পাদক

শ্ৰীবিৰাজ কুমাৰ বৰা

## সম্পাদনা সমিতি

সভাপতি ঃ

*শ্ৰীযুত ধীৰেন্দ্ৰ নাথ কলিতা*

উপসভাপতি ঃ

*প্ৰফুল্ল চন্দ্ৰ কাকতি*

তত্ত্বাবধায়ক ঃ

*অধ্যাপক ড° ভৃগুমোহন গোস্বামী*
*অধ্যাপক তাৰিণী কান্ত হালৈ*
*আলোচনী সম্পাদক শ্ৰীবিৰাজ কুমাৰ বৰা*

সদস্য ঃ

*প্ৰদীপ দাস*
*যুগব্ৰত দাস*
*সমীন বেজবৰুৱা*
*গিৰিন্দ্ৰ নাথ*

আলোকচিত্ৰ ঃ

*দিগন্ত বৰদলৈ*

মুদ্ৰণ ঃ

উত্তৰ গুৱাহাটী ছপাশাল

কৃতজ্ঞতা স্বীকাৰ ঃ

*অধ্যক্ষ শ্ৰীধীৰেন্দ্ৰ নাথ কলিতা*
*অধ্যাপক ড° ভৃগু মোহন গোস্বামী*
*অধ্যাপক শ্ৰীঅনুপম ঠাকুৰীয়া*
*অধ্যাপক শ্ৰীতাৰিণীকান্ত হালৈ*
*অধ্যাপক শ্ৰীযতীন্দ্ৰ চৌধুৰী*
*অধ্যাপিকা শ্ৰীমালসী বৰুৱা*
*অধ্যাপিকা শ্ৰীবনিমা তালুকদাৰ*

ধৰ্মেন্দ্ৰ, বাদল, দীপাঙ্কৰ, নন্ম, নিতু, মেঘজ্যোতি, শিবীন্দ্ৰ, ডেইজী, কবিতা, কমলেশ্বৰ, তনুজা, ৰাধা, অমল, সুমন, বকুল, কাকুমনি আৰু লতালৈ।

প্ৰিয় সম্পাদক,

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মুখপাত্ৰ নাগ'চিয়ানৰ ত্ৰয়োদশ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা বুলি জানিব পাৰি সুখী হৈছো। আশা ৰাখিছো ছাত্ৰ-ছাত্ৰীৰ মনৰ ভিন্ন চিন্তাধাৰা মুখপত্ৰখনৰ জৰিয়তে প্ৰকাশ হৈ সমাজ জীৱনক উপকৃত কৰাৰ লগতে ছাত্ৰ সমাজৰ বৌদ্ধিক বিকাশতো সহায় কৰিব।

**হিমন্ত বিশ্ব শৰ্মা**

**বিধায়ক, জালুকবাৰী বিধানসভা সমষ্টি**

উত্তৰ গুৱাহাটী মহাবিদ্যালয় আলোচনী

# সম্পাদকীয়

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০০-২০০১ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদক হিচাবে দায়িত্বগ্ৰহণ কৰি মই মোৰ দায়িত্ব পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আগবঢ়িছো। সম্পাদয়কীয়ৰ গুৰুদায়িত্ব নিয়াৰিকৈ পালন কৰাটো বৰ জটিল বুলি ধাৰণা হৈছে। কিয়নো পূৰ্বতে ভবাৰ দৰে এই দায়িত্ব ইমান সহজ সাধ্য নহয়। এখন সুন্দৰ আলোচনী উলিয়াবলৈ নিজৰ মনটোক প্ৰস্তুত কৰি লোৱাৰ লগতে সাহস, ধৈৰ্য্য একনিষ্ঠতা নিজৰ কৰ্মপটুতা নৈপুন্যতা আৰু সাহিত্যৰ বিশ্লেষাত্মক জ্ঞান আৰু তৎপৰতাৰ প্ৰয়োজন বুলি ভাবো। এই সকলোবোৰ দিশৰ ওপৰত লক্ষ্য ৰাখি আলোচনীখনি উলিয়াবলৈ কামত আগবঢ়া হ'ল। সম্পাদনাৰ কামত আগবঢ়াৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা উন্নত মানৰ লিখনী আহ্বান কৰা হ'ল যদিও যথেষ্ট সংখ্যক লিখনী উপযুক্ত বুলি বিবেচিত নোহোৱাত সংগৃহীত লিখনী সমূহৰ পৰাই নিৰ্ব্বাচন কৰিব লগা হ'ল। সেয়ে আলোচনী প্ৰকাশ কৰাত যথেষ্ট পলম হ'ল। ইয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী মহোদয় মহোদয়া সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনোৱা হ'ল।

আলোচনী এখনৰ উদ্দেশ্য - এখন শিক্ষানুষ্ঠানৰ সকলো ধৰণৰ উৎকৰ্ষ বিকাশৰ প্ৰতীক স্বৰূপ এখন সৰ্বাঙ্গসুন্দৰ আলোচনী। আলোচনী খনৰ জৰিয়তে শিক্ষানুষ্ঠানখনৰ সামগ্ৰিক এখন মানচিত্ৰ পৰিস্ফুট হৈ পৰে। তাৰোপৰি ছাত্ৰ-ছাত্ৰী সকলে নিজৰ মানসিক বিকাশ সাধনত তথা সাহিত্য, ক'লা-সংস্কৃতি বিকাশৰ সুবিধা পাব পাৰে।

আলোচনী এখনে ব্যক্তিৰ মনত উদয় হোৱা কবিতা, গল্প, প্ৰবন্ধ আৰু অন্যান্য বিষয়ৰ অনুভূতিবোৰ সাহিত্য সৃষ্টিৰে প্ৰকাশ কৰিবলৈ প্ৰেৰণা যোগায়। মহাবিদ্যালয় সমুহৰ প্ৰকাশিত আলোচনী সমূহেই সাহিত্যিক সৃষ্টিৰ মুল বুনিয়াদ বুলি ক'ব পাৰি। মাধ্যমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈকে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা সু-সাহিত্যিক সৃষ্টিৰ প্ৰাথমিক স্তৰ হ'ল বিদ্যালয় সমূহৰ প্ৰকাশিত আলোচনী সমূহ। ছাত্ৰ-ছাত্ৰী সকলক ইয়ে সৃষ্টিৰ প্ৰেৰণা যোগায়। আলোচনী এখন সৃষ্টিশীল মনৰ ভাৱ প্ৰকাশৰ এক আলম বা মাধ্যম আলোচনীৰ জৰিয়তে সময়ত এক সুপ্ত প্ৰতিভা বিকশিত কৰাত সহায়ক হৈ কাৰ্য্যক্ষেত্ৰত এক বিশাল ক্ষেত্ৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ব পাৰে। সেয়ে শিক্ষানুষ্ঠানৰ বাবে আলোচনী এখন প্ৰকাশ কৰা নিতান্তই প্ৰয়োজন।

বৰ্ত্তমান দেশত দেখা দিয়া ভয়ানক নিবনুৱা সমস্যাই অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক নৈৰাশ্যৰ ভাবে আচন্ন কৰি তুলিছে। উচ্চ শিক্ষিত যুৱক-যুৱতী সকলে নিবনুৱা হৈ ঘৰতে বহি

থাকি দিশহাৰা হৈ ভ্ৰান্ত পথেৰে আগবাঢ়িবলৈ প্ৰয়াশ কৰিছে। বহুত যুৱক-যুৱতী বিপথে পৰিচালিত হৈ দেশ জাতিৰ তথা নিজৰ সৰ্বনাশ কৰিছে। যাৰ ফলত দেশখন এক অনিশ্চিত ভৱিষ্যতলৈ গতি কৰিবলৈ লৈছে। নিৰাশাৰ ক'লা ডাৱৰে তেওঁলোকৰ ভৱিষ্যতবোৰ অন্ধকাৰছন্ন কৰি তুলিছে । অনিশ্চিত ভৱিষ্যতৰ আশংকাত জনজীৱন বিপন্ন হবলৈ ধৰিছে। ভয় আৰু শংকাৰ মাজত দিন-ৰাতি আতিবাহিত কৰিব লগা হৈছে।

ভৱিষ্যত প্ৰজন্মৰ বাবে এয়া শুভলক্ষন নহয়। সেয়ে প্ৰতিজন নাগৰিকে ভৱিষ্যত প্ৰজন্মৰ বাবে চিন্তা কৰিবৰ হ'ল। আজি উঠি অহা যুৱক-যুৱতী সকলে নিজৰ সংবিবেকৰ দ্বাৰা পৰিচালিত হৈ নিজৰ ভৱিষ্যত জীৱন গঢ় দিবৰ বাবে সাহসেৰে অগ্ৰসৰ হৈ সৎপথেৰে আগবাঢ়ি নিজ কৰ্ম পন্থা নিৰ্দ্ধাৰণ কৰি জীৱন যুঁজত আগবাঢ়ক তেতিয়াহে দেশৰ, দহৰ আৰু জাতিৰ উন্নতি হ'ব। কুটিৰ শিল্প, ক্ষুদ্ৰ উদ্যোগ, কৃষি, শিল্প-বাণিজ্য আদি বিষয়ৰ ওপৰত মনোনিবেশ কৰি আত্মনিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰক। ফলত দেশৰ উন্নতি, জাতিৰ উন্নতি আৰু নিজৰ ভৱিষ্যত জীৱন সুখৰ হৈ দেশ প্ৰগতিৰ পথত আগবাঢ়িবলৈ সক্ষম হ'ব।

শেষত নগ'চিয়ানখনি প্ৰকাশ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা সমূহ লেখক লেখিকালৈ মোৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা নিবেদিছো। ইয়াৰ উপৰিও নগ'চিয়ানখন প্ৰকাশ কৰাত বিভিন্ন দিহা পৰামৰ্শ দিয়া তথা সকলো ফালৰ পৰা সহায় আগবঢ়োৱা অধ্যক্ষ ধীৰেন্দ্ৰ নাথ কলিতা, তত্ত্বাবধায়ক অধ্যাপক ড° ভৃগুমোহন গোস্বামী ছাৰ, তত্ত্বাবধায়ক অধ্যাপক তাৰিণী কান্ত হাঁলৈ ছাৰ, অধ্যাপক প্ৰফুল্ল চন্দ্ৰ কাকতি ছাৰ, যতীন্দ্ৰ চৌধুৰী ছাৰ, অনুপম ঠাকুৰিয়া ছাৰ বুলেন কাকতি ছাৰ, অধ্যাপিকা বণিমা বাইদেউ, মালসি বাইদেউ আৰু ৰুণুমী বাইদেউক মোৰ শ্ৰদ্ধা ভ ৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। নগ'চিয়ানখন প্ৰকাশত উৎসাহ আৰু প্ৰেৰণা যোগোৱা মোৰ লগৰ, গিৰিন্দ্ৰ, প্ৰদীপ, যুগব্ৰত, সমীন, অমল, ৰাধা, লতা, বেলি, ৰেখা, নীলাক্ষি আৰু জিমলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আকৌ এবাৰ অজানিতে বৈ যোৱা ভুল-ক্ৰটিৰ প্ৰতি ক্ষমা বিচাৰি আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ভৱিষ্যত আৰু অধিক উন্নতি কামনা কৰি মোৰ সম্পাদকীয়ৰ সামৰণি মাৰিলো।

- বিৰাজ কুমাৰ বৰা





*কৰ্তব্যৰত অৱস্থাত অধ্যক্ষ*

*শ্ৰীধীৰেন্দ্ৰ নাথ কলিতা*

## সূচীপত্ৰ

**চিন্তাশিল্প** পৃষ্ঠা নং

১। জনগোষ্ঠীৰ ধাৰণা আৰু উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ চমু আভাষ 1 - 3
- টিকেন্দ্ৰজিৎ শৰ্মা

২। নাৰায়ন বেজবৰুৱা - কলিৰ ভীষ্ম মই 4 - 6
- দিগন্ত বৰদলৈ

৩। অন্তৰাগ ঃ বিষয়বস্তু আৰু অধ্যয়ন 7 - 10
- ৰুমা গগৈ

৪। জীৱনৰ অৰ্থ বিচাৰি 11 - 13
- নিপামনি শইকীয়া

৫। চৰিত্ৰ 14 - 16
- মৰমী দাস

৬। এক আবদ্ধ অনুভূতি 17 - 19
- দিপাংকৰ ভট্টাচাৰ্য্য

৭। লোক বিশ্বাসত অসমীয়া সমাজ 20 - 22
- নিলাক্ষী কাকতি

৮। অসমীৰ বুকুৰ পৰা মনৰ ৰাজ্যলৈ 23 - 24
- জিণ্টি শইকীয়া

**কথাশিল্প**

১। সংগ্ৰাম জীৱনৰ আন এটি নাম 25 - 28
- বিৰাজ কুমাৰ বৰা

২। জোনাকৰ পিছতেই আহে অমাৱশ্যা 29 - 33
- জোণমণি কলিতা

৩। ভয়ংকৰ প্ৰাণীৰ মৃত আৰু জীবিত অৱস্থা 34 - 35
- বৰ্ণালী কলিতা

৪। অপেক্ষা 36 - 37
- সংগীতা বৰা

৫। দুধাৰী অশ্ৰু 38 - 40
- মৌচুমী বৰা

৬। অভিশপ্ত প্ৰেম 41 - 43
- বৰ্ণালী দাস

**কবি শিল্প**

১। ভগ্নাংশ - ৰুপুমী দেৱী 44
২। আশংকা - বণিমা তালুকদাৰ 44
৩। মোৰ বুকুৰ খোলা দুৱাৰেদি - বিক্ৰম বড়ো 45
৪। বিপ্লৱ - অজিত দাস 45
৫। তোমাৰ পৰশত - দিপ্তী বৈশ্য 46
৬। মই তোমাৰ প্ৰেমত পৰিছো - ৰিতুমণি শইকীয়া 46
৭। অচিনাকি - নমিতা দাস 47
৮। কাকোৱেই কব নোৱাৰি - গিৰিন্দ্ৰ নাথ 47
৯। সপোন - ৰাজীৱ বৰা 48
১০। দুটা চিত্ৰ - মৃদুল বৈশ্য 48
১১। তুমি - অজয় ডেকা 49
১২। সাগৰতৰা- ধীৰাজ কাকতি 49
১৩। তাইৰ ঠিকনা উত্তৰ গুৱাহাটী মহাবিদ্যালয় - কন্দৰ্প দাস 50
১৪। পৰাজয়ে মোৰ জীৱন সৌন্দৰ্য্য - পাপৰি বৰগোহাঁই 50
১৫। তুমি আহিছিলা - লক্ষী দাস 51
১৬। তোমাৰ প্ৰেম - বিৰাজ কুমাৰ বৰা 51
১৭। যি মোৰ একান্ত নিজা - অমল বৰা 52

**English Section :**

1. Report of the Principal/Secretary 43 - 58
- Dhirendra Nath Kalita

2. Darrang Ratna Atul Ch. Barua 60 - 62
- Dr. Bhrigu Mohan Goswami

3. Mass Media in India since past decades 63 - 66
- Bhairab Ch. Sharmah

4. Economic liberation in the Indian context 67 - 69
- Anupam Thakuria

5. Predicting Earthquake 70 - 73
- B. Kakati

6. Barriers and sensibility on gender education in indian Society 74 - 75
- Rama Kanta Baruah

7. Noble prize 2001 /Bose Einstein Condensation 76 - 80
- Chandan Kr. Nath.

8. Prof. Satyendra Nath Sarma 81 - 82
- Rekha Hazarika

9. About a platform for the Juveniles 83 - 86
- Swarnali Sharma

10. Eleventh september 2001 87
- Binita Sharma

11. List of the teaching offce & library staff 88 - 89

12. List of members of special body N.G. College 97-01 90

13. Photo Sampadana Samity 91

**প্ৰতিবেদন চ'ৰা** 92

১। আলোচনী সম্পাদক 93
২। উপ-সভাপতি সম্পাদক 94 - 96
৩। সাধাৰণ সম্পাদক 97
৪। সহ-সাধাৰণ সম্পাদক 98
৫। সমাজসেৱা 99
৬। সাংস্কৃতিক 100
৭। লঘুখেল 101
৮। আন্তঃখেল 102
৯। তৰ্ক 103
১০। ছাত্ৰ জিৰণী কোঠা 104
১১। ছাত্ৰী জিৰণী কোঠা

# জনগোষ্ঠী [Ethnic Group]ৰ ধাৰণা আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ জনগোষ্ঠীৰ চমু আভাষ

- শ্ৰীটিকেন্দ্ৰজিৎ শৰ্মা
জেষ্ঠ প্ৰবক্তা, নৃতত্ব বিভাগ

জনগোষ্ঠী (Ethnic Group) বা মানৱগোষ্ঠী শব্দটো বহুক্ষেত্ৰত জনজাতি, প্ৰজাতি বা মানৱ সম্প্ৰদায় আদি শব্দৰ লগত সমঅৰ্থক হৈ পৰা দেখা যায়। প্ৰকৃতাৰ্থত, সমাজবিজ্ঞানীসকলৰ বা নৃতাত্ত্বিক সকলৰ ধাৰণাৰে ইয়াৰ প্ৰতিটো শব্দৰে অৰ্থ বেলেগ বেলেগ। অৱশ্যে সৰ্ব-সাধাৰণৰ চকুত এই ধাৰণা (Concept) কেইটাৰ পাৰ্থক্য সহজে ধৰা পৰা টান। যি কি নহওঁক, আমি এই নিবন্ধত জনগোষ্ঠী বা মানৱগোষ্ঠী বুলিলে কাক বুজা যায় আলোচনা কৰিম।

অভিধানিক অৰ্থ অনুযায়ী জনগোষ্ঠী হৈছে "এক বৃহৎ সমাজৰ অন্তৰ্গত ; উমৈহতীয়া ভাষা, প্ৰজাতি, জাতি বা সংস্কৃতিৰ এনাজৰীৰে বান্ধ খোৱা এটি সামাজিক গোট বা শ্ৰেণী যিয়ে নিজকে মূল সমাজৰ অংশীদাৰ হৈয়ো, পৃথক বুলি বিবেচনা কৰে।"[১] আকৌ, এনচাইক্ল'পেডিয়া মতে "একে ঐতিহ্য, ভাষা আৰু সংস্কৃতিৰ এনাজৰীৰে বান্ধ খোৱা আৰু সময়ে সময়ে একে ভৌগোলিক অৱস্থানৰ অংশীদাৰ, কিছুমান মানৱ গোটে নিজকে এটি সুকীয়া জনগোষ্ঠী হিচাবে পৰিচয় দিয়ে। এনে সংখ্যা লঘিষ্ঠ গোটসমূহে যিয়ে নিজকে সামাজিক, ৰাজনৈতিক বা অৰ্থনৈতিকভাৱে অসুবিধাজনক অৱস্থাত থকা বুলি ভাবে, তেওঁলোকৰ জনগোষ্ঠীয় পৰিচায়তাই এক শক্তিশালী ৰাজনৈতিক আৰু সাংস্কৃতিক শক্তি হিচাবে কাম কৰে।"[২]

গতিকে দেখা যায় জনগোষ্ঠী এনে এটি সামাজিক গোট য'ত স্বকীয়তা বজাই ৰখাৰ প্ৰচেষ্টা সদায়ে প্ৰবাহমান। তেওঁলোকে নিজস্ব সংস্কৃতি, ভাষা, ইতিহাস বা ভৌগোলিক অৱস্থান বিসৰ্জন দিবলৈ ইচ্ছা নকৰে। ফলস্বৰূপে তেওঁলোকৰ ব্যক্তিসকলৰ মাজত সদায়ে এটি আত্মীয়তাবোধৰ ভাব প্ৰকাশ পায়। সেয়েহে ক'ব পাৰি যে জনগোষ্ঠী বুলি স্বীকৃত হ'বলৈ সদায়ে আত্মীয়তাবোধৰ মানসিক প্ৰৱণতা থকাৰ উপৰিও স্বীকয়তা বজাই ৰখাৰ প্ৰৱল ইচ্ছা থকাৰ আৱশ্যক। অৰ্থাৎ স্বকীয়তা বজাই ৰখাৰ মনোভাৱ নাথাকিলে আৰু আত্মীয়তাবোধৰ এনাজৰীৰে সাঙোৰ খাই নাথাকিলে মানৱগোটটোক আমি জনগোষ্ঠী হিচাবে স্বীকৃতি দিব নোৱাৰো।

এইখিনিতে কিয় আমি জনগোষ্ঠী, প্ৰজাতি বা জনজাতি বেলেগ বেলেগ বুলি কৈছো অলপ আলোচনা কৰা যাওঁক। জনগোষ্ঠীৰ দৰে প্ৰজাতি আৰু জনজাতিও একো একোটা নৃতাত্ত্বিক বা সমাজ বৈজ্ঞানিক ধাৰণা। নৃতাত্ত্বিকসকলৰ মতে যি অনুবংশিক গোটৰ লোকসকলৰ সৰহভাগৰে কেতবোৰ উমৈহতীয়া আবয়বিক লক্ষণ

---

1 A social group or category of the population that in a larger society ,is set apart and bound together by common ties of race ,language ,nationality or culture .

2 A group of people defining themselves in terms of shared history ,language and culture (sometimes also geographical location). Ethnic indentity acts as a powerful political and cultural forces for minority groups who perceive themselves as socially, politically or economically disadvantages.

থাকে আৰু সেই লক্ষণসমূহ বংশানুক্রমে এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ সঞ্চাৰিত হয় তেনে মানৱ গোটকে প্ৰজাতি হিচাবে অভিহিত কৰা হয়। এটা প্ৰজাতি স্বকীয় অনুবংশিক আৱয়বিক লক্ষণসমূহৰ দ্বাৰা আন এটা প্ৰজাতিৰ পৰা পৃথক হৈ থাকে। প্ৰজাতিক যিদৰে একমাত্র আনুবংশিক আৱয়বিক লক্ষণৰ ভিত্তিত বিভাজন কৰি দেখুওৱা হৈছে; জনজাতিক আকৌ সামাজিক তথা সাংস্কৃতিক দিশৰ পৰাহে চিনাক্তকৰণ কৰা দেখা যায়। 'জনজাতি'ৰ সংজ্ঞা অসংখ্য থাকিলেও বিখ্যাত নৃতাত্বিক ড° ডি. এন. মজুমদাৰৰ জনজাতিৰ সংজ্ঞাৰে আমি থূলমূলভাবে সামৰিব বিছাৰিছো। ড° মজুমদাৰৰ মতে "একেটা অঞ্চলৰ অন্তৰ্ভূক্ত, অন্তবৈবাহিক, কৰ্ম বৈশিষ্টহীন, অধিনায়ক শাসিত (অনুবংশিক বা আনধৰণৰ), একে ভাষা বা দোৱানেৰে একত্রিক, আন মানৱগোটৰ পৰা সামাজিক ব্যৱধান স্বীকৃত, নিজস্ব ঐতিহ্য, পৰম্পৰা, বিশ্বাস, ৰীতি-নীতি অনুসৰণকাৰী, বিদেশী ভাৱধাৰা সামৰি লোৱাৰ প্ৰতি বিৰূপ, সৰ্বোপৰি প্ৰজাতি সমতা আৰু আঞ্চলিক একতা থকা মানৱ গোটকে জনজাতি বোলা হয়।"

জনগোষ্ঠী বুলি ক'লে আমি কিন্তু তেনে মানৱ গোটকহে বুজিম যিয়ে একাত্মবোধৰ দোলেৰে বান্ধ খাই স্বকীয় ভাষা, ঐতিহ্য, সংস্কৃতি আৰু ভৌগোলিক অৱস্থান পৰিহাৰ কৰিবলৈ অস্বীকাৰ কৰে। গতিকে উক্ত বৈশিষ্ট্য বহনকাৰী জাতিয়ে হওঁক বা জনজাতিয়ে হওঁক জনগোষ্ঠী বুলি স্বীকৃত হোৱাত বাধা নাই। ফলত পৃথিবীৰ বিভিন্ন স্থানত বিভিন্ন জনগোষ্ঠী দেখিবলৈ পোৱা যায়। বিভিন্ন জনগোষ্ঠীয়ে বাস কৰা ভৌগলিক স্থানসমূহৰ অৱস্থিতিয়ে জনগোষ্ঠীসমূহক বিভিন্ন সাংস্কৃতিক পৰিবেশত জীয়াই থকাৰ অৰিহণা যোগায়। কিয়নো প্ৰাকৃতিক বা ভৌগলিক পৰিবেশে মানৱৰ সংস্কৃতিত যথেষ্ট পৰিমাণে আৰু বিভিন্ন ধৰণেৰে প্ৰভাব বিস্তাৰ কৰা দেখা যায়। সেয়েহে দেখা যায় ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব্বঞ্চলৰ জনগোষ্ঠীৰ লোকসকলে প্ৰাকৃতিক সম্পদৰাজি বাহ, বেত, কাঠ, খেৰেৰে বাসগৃহ তৈয়াৰ কৰি লয়। বিহাৰৰ জনগোষ্ঠী কিছুমানে সমগ্ৰ বাসগৃহ মাটিৰে তৈয়াৰ কৰি লয়, তুন্দ্ৰাঞ্চলৰ জনগোষ্ঠী এস্কিম'সকলে বৰফেৰে বাসগৃহ তৈয়াৰ কৰি লয়।

এইখিনিতে প্ৰশ্ন হয় বিভিন্ন অঞ্চলত বিভিন্ন জনগোষ্ঠীৰ আবিৰ্ভাৱ হ'ল কেনেকৈ ? ইয়াৰ উত্তৰ বিভিন্ন বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা বিভিন্ন ধৰণেৰে দিব পৰা যায় যদিও একেবাৰে সহজে ক'ব পাৰি যে সুদূৰ অতীতত মানৱৰ আদিম পূৰ্বপুৰুষৰ বাৰেমিহলি দলটোৱে ঠাইবিশেষৰ পৰা ভিন ভিন সময়ত ভিন ভিন দিশলৈ গতি কৰিছিল। প্ৰবসনৰ যোগেদি তেওঁলোক সমগ্ৰ পৃথিবীতে বিয়পি পৰে। প্ৰবসনৰ ফলতে এককীকৰণ আৰু সংকৰণ প্ৰক্ৰিয়াই বিভিন্ন দলসমূহৰ ওপৰত ক্ৰিয়া কৰিবলৈ ধৰে। উৎপৰিবৰ্তনৰ ফলস্বৰূপে তেওঁলোকৰ মাজত নতুন নতুন প্ৰজন্মৰ সৃষ্টি হয়। প্ৰবসনৰ যোগেদি তেওঁলোক যি অঞ্চলত বসবাস কৰিবলৈ লয় সেই অঞ্চলৰ ভৌগোলিক অৱস্থিতি, জলবায়ু, প্ৰাকৃতিক সম্পদৰাজিয়ে একো একোটা স্বকীয় সংস্কৃতি গঠনত অৰিহণা যোগায়। তাৰ ফলতেই বিশ্বৰ বিভিন্ন স্থানত বিভিন্ন জনগোষ্ঠীৰ আবিৰ্ভাৱ হয়।

পৃথিবীৰ বিভিন্ন স্থানত যিদৰে বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰে একেদৰে আমাৰ ভাৰতবৰ্ষতো যথেষ্ঠ সংখ্যক সৰু বৰ জনগোষ্ঠী থকাৰ উমান পোৱা যায়। আকৌ ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল বাৰেবৰণীয়া জনগোষ্ঠীৰ আবাসভূমি। অকল উত্তৰ-পূৰ্বাঞ্চলতে প্ৰায় ৩৫৭ টা জনগোষ্ঠীয় গোটৰ সন্ধেদ পোৱা যায়। একমাত্র ভৌগলিক অৱস্থিতি, প্ৰাকৃতিক পৰিবেশৰ প্ৰভাৱ আৰু এই অঞ্চলটোৰ ভূমিভাগৰ উৰ্বৰতাৰ ফলতেই উত্তৰ পূৰ্বাঞ্চল ইমানবোৰ জনগোষ্ঠীৰ বাসভূমিত পৰিণত হোৱা দেখা যায়। উত্তৰ পূৰ্বাঞ্চলৰ ভৌগোলিক স্থিতি আৰু ভূমিভাগৰ উৎপাদনক্ষম ক্ষমতাই বিভিন্ন জনগোষ্ঠীক আকৰ্ষণ কৰে। তাৰোপৰি, ইংৰাজসকলে তেওঁলোকৰ শাসনকালত ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ পৰা তেওঁলোকৰ সুবিধাৰ্থে এই অঞ্চললৈ বহুতো জনগোষ্ঠী





আমদানি কৰাৰো প্ৰমাণ পোৱা যায়। সেই জনগোষ্ঠীসমূহৰ বেছিভাগেই কালক্ৰমত এই অঞ্চলৰ স্থায়ী বাসিন্দাৰূপে পৰিগণিত হয়। আকৌ, বিভিন্ন সময়ত এই অঞ্চলত আধিপত্য স্থাপনৰ বাবে বেলেগ বেলেগ শাসকসকলে চলোৱা প্ৰচেষ্টাৰ ফলতো কিছুমান জনগোষ্ঠী উত্তৰ পূৰ্বাঞ্চলৰ স্থায়ী বাসিন্দা হৈ পৰে। এইদৰে উত্তৰ পূৰ্বাঞ্চল হৈ পৰে মুঠ প্ৰায় ৩৫৭ টা জনগোষ্ঠীৰ বাসভূমি। লগত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত জনগোষ্ঠীৰ স্থিতি দেখুৱাই এখন তালিকা যুগুতোৱা হ'ল।

উক্ত তালিকাৰ পৰা দেখা যায় যে অকল আমাৰ অসম ৰাজ্যতে প্ৰায় ১১৫ টা জনগোষ্ঠীয়ে বসবাস কৰে। ইয়াৰে ৬৭ টা জনগোষ্ঠী সাধাৰণ জাতিসমূহৰ, ১৭ টা অনুসূচীত জাতি সম্প্ৰদায়ৰ আৰু ৩১ টা অনুসূচীত জনজাতিৰ জনগোষ্ঠী।

**তালিকা**

**ৰাজ্য অনুযায়ী জনগোষ্ঠীৰ স্থিতি**

| ৰাজ্য | সাধাৰণ জাতি সমূহৰ জনগোষ্ঠী | অনুসূচীত জাতিৰ জনগোষ্ঠী | অনুসূচীত জন-জাতিৰ জনগোষ্ঠী | মুঠ |
|---|---|---|---|---|
| অৰুণাচল প্ৰদেশ | ৪ | - | ৬২ | ৬৬ |
| অসম | ৬৭ | ১৭ | ৩১ | ১১৫ |
| মণিপুৰ | ৬ | ২ | ২১ | ২৯ |
| মেঘালয় | ১২ | - | ১৫ | ২৭ |
| মিজোৰাম | ১ | - | ১৬ | ১৭ |
| নগাভূমি | ৭ | - | ১৮ | ২৫ |
| ত্ৰিপুৰা | ৪২ | ১৭ | ১৯ | ৭৮ |
| মুঠ | ১৩৯ | ৩৬ | ১৮২ | ৩৬৭ |

ভৌগোলিক দৃষ্টিকোণৰ পৰা অসমৰ ভূমিখণ্ডক তিনিটা ভৌগোলিক খণ্ডত ভগাব পাৰি ১। ব্ৰহ্মপুত্ৰ উপত্যকা ২। বৰাক উপত্যকা আৰু ৩। পাৰ্বত্য অঞ্চল (কাৰ্বি আংলং আৰু উত্তৰ কাছাৰক সামৰি) সাধাৰণ জাতিসমূহ আৰু অনুসূচীত জাতিৰ বাসভূমি মুখ্যতঃ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা। পাৰ্বত্য অঞ্চলটোত প্ৰধানতঃ জনজাতীয় জনগোষ্ঠীসকল বসবাস কৰে। সাধাৰণ জাতিৰ জনগোষ্ঠীসমূহৰ বিশদ বিস্তৃতি এটা নিবন্ধত চমুকৈ দাঙি ধৰা সম্ভৱ নহয়, সেয়ে কেইটিমান অসমত বাসকৰা প্ৰধান জনজাতীয় জনগোষ্ঠীৰ বাসস্থান সম্পৰ্কে চমুকৈ উল্লেখ কৰা হ'ল।

ব্ৰহ্মপুত্ৰ উপত্যকাক আমি তিনিটা সংমণ্ডলত ভগাব পাৰো উজনি অসম, মধ্য অসম আৰু নামনি অসম। যদিও অসমৰ জনজাতীয় গোষ্ঠীসমূহ প্ৰায় প্ৰতিখন জিলাতে বিস্তৃত তথাপি সাধাৰণভাৱে বসতিৰ ঘনত্ব অনুসৰি, ক'ব পাৰি যে ৰাভাসকল মুখ্যতঃ নামনি অসমৰ বাসিন্দা, তিৱাসকল মধ্য অসমৰ বাসিন্দা। উজনি অসমৰ বাসিন্দা হিচাবে মিচিং, সোনোৱাল-কছাৰী, দেউৰীসকলক আঙুলিয়াব পাৰি। বড়ো-কছাৰীসকল সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে ব্যাপি ব্ৰহ্মপুত্ৰ নদৰ উত্তৰাঞ্চল । ডিমাচাসকল বসতি কৰে উত্তৰ কাছাৰ জিলাত আনহাতে কাৰ্বি আলং জিলা কাৰ্বিসকলৰ বাসভূমি। বৰাক উপত্যকাৰ কাছাৰ অঞ্চলত বাস কৰে বৰ্মণসকলে।

ঃঃঃঃ

# নাৰায়ণ বেজবৰুৱা ঃ 'কলিৰ ভীষ্ম মই'

- দিগন্ত বৰদলৈ
প্ৰাক্তন ছাত্ৰ

নাৰায়ণ বেজবৰুৱা। ২০০১ চনৰ ১২ ফেব্ৰুৱাৰীৰ পুৱা ইহসংসাৰৰ পৰা বিদায় লৈছিল নাৰায়ণ বেজবৰুৱাই।

কিশোৰ কালৰ পৰাই সাহিত্য চৰ্চা কৰা নাৰায়ণ বেজবৰুৱা আছিল একেধাৰে এগৰাকী সংগীতজ্ঞ, অভিনেতা, কবি, নাট্যকাৰ, ঔপন্যাসিক, বক্তা, আবৃত্তিকাৰ আৰু ছাত্ৰাৱস্থাৰ এজন কৃতী খেলুৱৈ। ১৯১৪ চনৰ পহিলা নৱেম্বৰত জন্ম গ্ৰহণ কৰা বেজবৰুৱাই কৰ্মময় জীৱন আৰম্ভ কৰে এগৰাকী শিক্ষক ৰূপে। উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ হাইস্কুলত শিক্ষকতাৰে কৰ্মময় জীৱন আৰম্ভ কৰি পাছলৈ বিভিন্ন চৰকাৰী বিভাগত কাম কৰি ১৯৭১ চনৰ ৩১ জানুৱাৰীত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট বিভাগৰ মুখ্য পৰিচালক ৰূপে অৱসৰ লয়।

শ্বিলঙৰ চৰকাৰী হাইস্কুল আৰু গুৱাহাটী কটন কলেজৰ শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী পিছলৈ কবি, গীতিকাৰ, সুৰকাৰ (৪০ দশকত) হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছিল। সংগীতৰ ক্ষেত্ৰত নাৰায়ণ বেজবৰুৱাৰ দখল কেনে ধৰণৰ আছিল ইয়াৰ এটা উদাহৰণ দাঙি ধৰি ক'ব পাৰি -'এবাৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী'ত সুদৰ্শনৰ চৰিত্ৰত অভিনয় কৰা বেজবৰুৱাই জ্যোতিৰ সেই সুমধুৰ 'মোৰে জীৱনৰে সখা কৃষ্ণ....' গীতটোৰ পৰিৱৰ্তে নিজে লিখা আৰু সুৰ দিয়া 'নিদ্ৰা মধুৰ কৰি পৰাজয়া' এই গীতটোহে গালে। কিন্তু ইয়াৰ বাবে বেজবৰুৱাই জ্যোতিপ্ৰসাদৰ গৰিহণা খাবলগীয়া নহ'ল। ইয়াৰ পৰিৱৰ্তে নাটকৰ শেষত জ্যোতিয়ে নাৰায়ণ বেজবৰুৱাক সাৱটি লৈ কৈছিল, আপোনাৰ গীতটো বেছি উপযুক্ত হৈছে। আইনৰ ছাত্ৰ হৈ থাকোতেই ঘটা এই ঘটনাটোৰ চাক্ষুস সাক্ষী আছিল একেখন নাটকতে সুন্দৰ কোঁৱৰ ভাও দিয়া নাট্যপ্ৰভাকৰ সত্যপ্ৰসাদ বৰুৱা। নাৰায়ণ বেজবৰুৱা ঢুকুৱাৰ সময়ত আছাম ট্ৰিবিউন কাকতত সত্যপ্ৰসাদ বৰুৱাই নিজৰ চাইক্ল'ৰমা শিতানত এই কথা উল্লেখ কৰিছে। কলেজীয়া দিনত নাৰায়ণ বেজবৰুৱাই তৰ্ক প্ৰতিযোগিতাবোৰত অংশ লৈছিল আৰু সদায়ে প্ৰথম পুৰস্কাৰ পাইছিল। তেওঁৰ তৰ্ক কৰাৰ ষ্টাইল সম্পৰ্কে অসমৰ বিখ্যাত ৰাজনীতিবিদ গৌৰীশংকৰ ভট্টাচাৰ্যই কৈছিল - "মই যদি অলপো তৰ্ক কৰাৰ কৌশল শিকিছো সেয়া কেৱল নাৰায়ণ বেজবৰুৱাৰ পৰা। এবাৰ এখন প্ৰতিযোগিতাত বিচাৰক আছিল কামাখ্যা ৰাম বৰুৱা। প্ৰতিযোগিতাৰ শেষত প্ৰয়াত বৰুৱাই কৈছিল তেওঁ ইংলেণ্ডৰ বিখ্যাত সাংসদ এডমাৰ্ক বাৰ্কৰ বিষয়ে শুনিছে। বোধকৰো তেওঁ আজিৰ প্ৰতিযোগিতা প্ৰথম হোৱা নাৰায়ণ বেজবৰুৱাৰ দৰেই ওজস্বী ভাষাৰে তৰ্কত অংশ লৈ সংসদ ভৱন স্তব্ধ কৰিছিল। নাৰায়ণ বেজবৰুৱাৰ এনে বহু দিশ আছে যিবোৰ কৈ অন্ত কৰিব নোৱাৰি। বেজবৰুৱাই সাহিত্য চৰ্চাত অধিক মনোযোগ দিয়ে হাইস্কুলত শিক্ষকতা কৰি থকাৰ সময়ত। তেওঁৰ অসংখ্য লেখা 'আৱাহন', 'বাঁহী, 'জয়ন্তী', 'সুৰভি' কে আদি কৰি নানা কাকত-আলোচনীত সিঁচৰতি হৈ আছে। তদুপৰি দুমহীয়া 'নীলাচল'ত বেজবৰুৱাই শ্বেক্সপীয়েৰৰ 'জুলিয়াছ চিজাৰ' আৰু মাৰ্লোৰ 'ডক্তৰ ফষ্টাছ'ৰ অসমীয়া অনুবাদ কৰিছিল। কিন্তু এটা কথা ক'বই লাগিব যে শেষ বয়সত তেওঁ স্বীকৃতি লাভ কৰিছিল এজন নাট্যকাৰ হিচাপেহে। তথাপি তেওঁৰ এখন নাটকেও প্ৰকাশৰ মুখ নেদেখাটো অত্যন্ত দুখৰ বিষয়। তেওঁৰ অপ্ৰকাশিত লেখনিৰ শতকৰা আশী ভাগেই উঁইয়ে খাই শেষ কৰিছে। বাকী থকা বিছ ভাগত এতিয়াও প্ৰায় এশখন কিতাপৰ সম্বল আছে বুলি বেজবৰুৱাৰ জ্যেষ্ঠ পুত্ৰ উৎপল বেজবৰুৱাই জানিবলৈ দিছে। অসমৰ বাবেই দুখৰ বিষয় যে নাৰায়ণ বেজবৰুৱাৰ চাৰিশ পৃষ্ঠাৰ সুদীৰ্ঘ উপন্যাস 'নুতন দিগন্ত'ক জন্ম দিয়া হৈছিল ইংৰাজী ভাষাতহে। পিছে সেই ইংৰাজী ভাষাৰ কপিটো উঁইয়ে খাই শেষ কৰিছে।

বেজবৰুৱাই ৰেডিঅ'ৰ বাবে অসংখ্য নাটক ৰচনা কৰাৰ উপৰি দক্ষতাৰে পৰিচালনাও কৰিছে। এই সম্পৰ্কে পুৰণি চামে আজিও শ্ৰদ্ধাৰে সোঁৱৰে। এবাৰ উত্তৰ গুৱাহাটীত অনুষ্ঠিত এখন সভাত খ্যাতিসম্পনা অভিনেত্ৰী মলয়া গোস্বামীয়ে সম্বৰ্দ্ধনা ল'বলৈ মঞ্চত উঠিয়ে প্ৰথমে নাৰায়ণ বেজবৰুৱাক ভৰিত ধৰি সেৱা কৰা আমি দেখিছো। এইগৰাকী অভিনেত্ৰীয়ে বেজবৰুৱাৰ বহুকেইখন ৰেডিঅ' নাটকত ভাগ লৈছিল। বেজবৰুৱাৰ সুৰ সংযোজনাত ৰেডিঅ' যোগে প্ৰচাৰ হোৱা 'জন্মাষ্টমী' আৰু 'দীপাৱলী' সংগীতালেখ্য দুখন অতি উচ্চ প্ৰশংসিত হৈছে। 'অথন্তৰৰ অৱদান' নামেৰে ৰেডিঅ' নাটখন ৫০ ৰ দশকৰ এক সৰ্বভাৰতীয় শ্ৰেষ্ঠ নাট ৰূপে পুৰস্কৃত।

১৯৬৪ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ মঙলদৈ অধিবেশনত নাৰায়ণ বেজবৰুৱা সংগীত বিভাগৰ সভাপতি আছিল। তেওঁৰ সভাপতিৰ ভাষণটো শুনিলে তেওঁৰ জ্ঞানৰ গভীৰতা বুজি পোৱা যায়। যিহেতু বেজবৰুৱা সংগীত বিভাগৰ সভাপতি আছিল এই প্ৰসংগত সাহিত্যিক, ৰাজনীতিবিদ হেম বৰুৱাই তেওঁৰ এটি গীতত কৰা সমালোচনাৰ উদ্ধৃতি অনা হৈছে - "অসমীয় ভাষাত বৰষাৰ ওপৰত বহুতো সৃষ্টি হৈছে তাৰ ভিতৰত শ্ৰেষ্ঠ হৈছে নাৰায়ণ বেজবৰুৱাৰ 'বলিয়া পৱন' বোলা গীতটো (সাহিত্য আৰু সাহিত্য)"।

এইবাৰ আহো তেওঁৰ বক্তৃতা সম্পৰ্কত অসম সাংস্কৃতিক সঞ্চালকালয়ে আশীৰ দশকৰ শেষৰ ফালে -কলকাতাত 'শিল্পী দিৱস'ৰ আয়োজন কৰিছিল। সেই উপলক্ষে কেইজনমান ব্যক্তিক ভাষণ দিবৰ বাবে অসমৰ পৰা হৈ গৈছিল। তাৰে এজন আছিল নাৰায়ণ বেজবৰুৱা। সেই অনুষ্ঠানত তেওঁ ইংৰাজীতে দিয়া ডেৰঘণ্টীয়া ভাষণৰ পিছত ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ৰবীন্দ্ৰ নাথ ঠাকুৰৰ অথ'ৰিটী স্বৰ্গীয় ডঃ ৰমা চৌধুৰীয়ে মঞ্চৰ ওপৰলৈ উঠি বেজবৰুৱাক সাৱটি ধৰিছিল আৰু কৈছিল - "তুমি আমাকে মুগ্ধ কৰে দিয়েছ।" তেওঁৰ তেনে মুগ্ধকাৰী ভাষণৰ প্ৰত্যক্ষ অভিজ্ঞতা এই লিখকৰো হৈছিল। উত্তৰ গুৱাহাটীত অনুষ্ঠিত

'ব্ৰহ্মপুত্ৰ স্নেহ ছাউনীত' বেজবৰুৱাই নিজৰ ভাষণেৰে ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা অহা প্ৰতিনিধিক মুগ্ধ কৰিছিল।

শেষত নাৰয়ণ বেজবৰুৱাৰ এটি কবিতাৰে লেখনিৰ মোখনি মৰা হ'ল -

**শৰশয্যা**

কলিৰ ভীষ্ম মই, শৰশয্যা কৰিছো বৰণ
শিখণ্ডী-কলিক ৰাখি সন্মুখত কৌশলেৰে
ধ্বংস কৰি জয়ী হ'লা তুমি।
কবিতাৰ শৰশয্যাত শুই শুই দি যাম
অজিৰ যুগৰ কাব্য গীতাৰ অমৰ বাণী,
তোমাৰ হিয়াৰ কৌৰৱ-পাণ্ডৱ-শ্ৰীকৃষ্ণ সকলোকে
সাধনা সিদ্ধিৰ শীৰ্ষতম শেষ কথা ৰূপে -
দিবলৈ জগতবাসীক।
ত্যাগৰ প্ৰতীক মই ;
ত্যাগেৰেই বিশ্বজিৎ সন্মান সমপি তোমাতেই
মাগিলো বিদায়।

---

## কৌতুক

শ্ৰীময়ুৰী বৰুৱা
উঃ মাঃ ১ম বৰ্ষ

১) এজন ভদ্ৰ লোকে এটা ল'ৰাক সুধিলে
ভদ্ৰ লোক ঃ ভাইটি, ৰাস্তাটো ক'লৈ গৈছে ?
ল'ৰা ঃ ক্ষমা কৰিব, মই ইয়াত থকা বহুত দিন হ'ল কিন্তু ৰাস্তাটো ইয়াতেই আছে।

২) ঃ তোমাৰ দেউতাই ভাত খোৱাৰ আগতে ভগৱানৰ নাম লয়নে?
ঃ লয়।
ঃ তুমি কেনেকৈ জানিলা ?
ঃ যোৱাকালি দেউতাই ভাতৰ পাতত বহিয়েই কৈছিল - " হে হৰি, আকৌ জাতিলাও।





# অন্তৰাগ ঃ বিষয়বস্তু আৰু অধ্যয়ণ

- শ্ৰীৰুমা গগৈ
স্নাতক ২য় বৰ্ষ (ক'লা)

অসমীয়া উপন্যাস সাহিত্যৰ এগৰাকী বাস্তৱধৰ্মী তথা সমাজ সচেতন ঔপন্যাসিক হ'ল হোমেন বৰগোহাঞি। তেওঁৰ উপন্যাসসমূহত মূলতঃ মানৱ সমাজৰ বিভিন্ন দিশ প্ৰতিফলিত হোৱা দেখা যায়। মানৱসমাজৰ পুংখানুপুংখ বিৱৰণ তেওঁৰ উপন্যাস সমূহত আমি দেখিবলৈ পাওঁ। তেওঁৰদ্বাৰা ৰচিত উপন্যাস 'অন্তৰাগ'তো মানৱ জীৱনৰ এটি চৰম বাস্তৱতাকেই উপস্থাপন কৰিছে। এই উপন্যাসখনৰ নামটোৰ অৰ্থ অতি সুন্দৰ হৈছে। বিশেষকৈ মানৱ জীৱনৰ এটি উল্লেখযোগ্য তথা চৰম যন্ত্ৰনাদায়ক বাৰ্দ্ধক্যৰ এটি তিক্ততাপূৰ্ণ কাহিনীকে তেওঁ দেখুৱাবলৈ প্ৰয়াস কৰিছে।

উপন্যাসসমূহৰ মূল চৰিত্ৰসমূহৰ ভিতৰত উল্লেখযোগ্য চৰিত্ৰ হ'ল দিলীপ। দিলীপ উপন্যাসখনৰ মূল কেন্দ্ৰীয় চৰিত্ৰ হলেও সমগ্ৰ কাহিনীটো দিলীপৰ দেউতাকৰ ঘটনাৰে সজীৱ হৈ পৰিছে। উপন্যাসখনত ঔপন্যাসিকে দুটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা আমি দেখিবলৈ পাওঁ। এটা হ'ল মানৱ জীৱনৰ শেষ অৱস্থাৰ অৰ্থাৎ বাৰ্দ্ধক্যৰ নিৰ্মম অৱস্থাৰ এটি হৃদয় বিদাৰক ঘটনা ঔপন্যাসিকে তেওঁৰ জীৱনৰ অভিজ্ঞতাৰ সমলেৰে দাঙি ধৰিবলৈ সমৰ্থ হৈছে। আনহাতে তেওঁ আমাৰ সমাজৰ এটি গুৰুত্বপূৰ্ণ কথা উপন্যাসখনত অতি সুন্দৰভাবে ফুটাই তুলিছে। সেয়া হ'ল আমাৰ সমাজৰ প্ৰত্যেকজন মানুহেই যেন এক অন্ধকাৰ ভৱিষ্যতৰফালে ধাবমান হৈছে ; যিটো ভৱিষ্যত প্ৰজন্মৰ কাৰণে অতি ভয়ানক।

উপন্যাসখনত আমি পাওঁ যে দিলীপে কলেজত অধ্যাপকৰ চাকৰি কৰে। দিলীপে কলেজত ছাত্ৰ-ছাত্ৰীসকলৰ আগত 'কষ্টাটিৰ' লেকচাৰ দিয়াৰ কথা। সেইবাবে তেওঁ দিবলগীয়া লেকচাৰটোৰ বিষয়ে কলেজত যোৱাৰ আগমুহূৰ্তত আওৰাই আছিল। হেন সময়তে এখন টেলিগ্ৰাম দিলীপৰ পত্নী সাবিত্ৰীয়ে আনি দিলীপৰ হাতত দিয়ে। চিঠিখন পাই প্ৰথম অৱস্থাত দিলীপৰ ভাল লাগিল এই কথা ভাবি যে দিলীপে এইবাৰ চাগে দেউতাকৰ মৃত্যু খবৰ পাব। কিন্তু টেলিগ্ৰামত দিলীপে ভবাৰ বিপৰীতহে হ'ল। সি দেখিলে যে দেউতাকৰ অসুখ বেছি হোৱাৰ বাবে তাক মাতি পঠিয়াইছে। দিলীপৰ মনত ভাঁহি উঠিল এবছৰ আগত দেখা দেউতাকৰ চৰম বাৰ্দ্ধক্যৰ অৱস্থাৰ কথা। আনহাতে দিলীপৰ অন্তৰঙ্গ বন্ধু কাৰ্ত্তিক বসুৰ পৰা দিলীপে কাৰ্ত্তিক বসুৰ দেউতাকৰ মৃত্যু শয্যাত শায়িত হৈ থকা অৱস্থাৰ কথা কিছুমান জানিব পাৰিছিল। ফলত দিলীপে দেউতাকৰ প্ৰতি থকা অসীম স্নেহৰ পাছতো এইটো কামনা কৰিছে যে সি গৈ পোৱাৰ আগতেই যেন দেউতাকৰ মৃত্যু হয়। দিলীপে দেউতাকৰ সেই শয্যাশায়ী অৱস্থা প্ৰত্যক্ষ কৰাৰ কথা ভাবিলে তেওঁৰ অন্তৰ কঁপি উঠে।

উপন্যাসখনৰ দ্বিতীয়খণ্ডত দিলীপৰ দেউতাকক কালিৰাম পণ্ডিতে শুশ্ৰূষা কৰি থকা দেখা পাওঁ। এইজন কালিৰাম পণ্ডিত দিলীপহঁতৰ

ঘৰৰ পৰিয়ালৰ দৰে। অকল দিলীপহঁতৰ ঘৰৰে নহয়, গাৱঁৰ মানুহৰ সকলোৰে প্ৰিয় আছিল এই কালিৰাম পণ্ডিত। গাঁৱৰ মানুহৰ যিকোনো সমস্যাৰ সময়তে উপস্থিত হৈছিল কালিৰাম পণ্ডিত। দিলীপে যেতিয়া টেলিগ্ৰাম পাই গাৱঁৰ ঘৰত দেউতাকৰ খবৰ লবলৈ গ'ল তেতিয়া তেওঁ কালিৰাম পণ্ডিতক লগ পাই চিনিব নোৱাৰিলে। ভতিজাকৰ পৰাহে তেওঁ গম পালে যে সেইজন ব্যক্তিয়েই কালিৰাম পণ্ডিত। দিলীপে দেউতাকৰ ওচৰলৈ গৈ কালিৰাম পণ্ডিতক মাত দিলে। দিলীপক দেখি পণ্ডিতৰ দুচকুৰে দুধাৰি লোতক বাগৰি আহিল। কালিৰাম পণ্ডিতে দিলীপক দেখি বৰ আনন্দ পালে।

দেউতাকৰ অৱস্থা দেখি দিলীপ শিয়ৰি উঠিল। এক অনাকাংক্ষিত গোন্ধে দিলীপৰ সৰ্বশৰীৰ স্পৰ্শ কৰি গ'ল। সি লক্ষ্য কৰিছিল দেউতাকে নিজৰ সোৱাপাটিতে শৌচ-প্ৰশ্ৰাৱ কৰিছে। দিলীপৰ লগুৱাবোৰৰ ওপৰত বৰ খং উঠিল। সিহঁতে কিজানি ভালদৰে চাফ চিকুন নকৰাৰ বাবে এইদৰে বিকট গোন্ধ ওলাইছে। সি দেউতাকৰ অৱস্থাটো দেখি খন্তেক সময় মৌন হৈ ৰ'ল। দিলীপে অনুভৱ কৰিলে যে সঁচাকৈ তাৰ মৰমৰ দেউতাক এইজনেই নে ! দিলীপে লক্ষ্য কৰিলে দেউতাকৰ মুখৰ যিখিনি ঠাইত চকু থাকে তাত দুটা ডাঙৰ গাঁত হৈছে, চকুকেইটা ইমান দলৈ গৈছে যে তাক যেন আৰু দেখা নাযায়। গালদুখনো বহি গাঁত যেন হৈছে সোলা মুখকনে এনে এটা অসহায় ৰূপ হৈছে যে সেইফালে বেছি সময় চাই থাকিলে মনটোৱে প্ৰতিবাদত গৰ্জি উঠে।

সি নিজকে নিজে ভাবে কিয় হব লাগে জীৱনৰ এনে শোচনীয় পৰিণতি !

দিলীপক বহুৱাই কালিৰাম পণ্ডিতে বুজনি দিলে। তেওঁ ক'লে যে তেওঁ আজি এই বয়সত বৰ সুখী ব্যক্তি। কাৰণ তেওঁ পো-বোৱাৰী, নাতি-নাতিনীৰ আদৰ সন্মানৰ মাজত দিন কটাইছে। এই বয়সত এনে ব্যৱহাৰ অতি আৱশ্যক। দিলীপে পণ্ডিতৰ কথাৰ সুৰ বুজি পালে। দিলীপে ঠিক কৰিলে যে দেউতাকক চহৰলৈ নি তাৰ লগতে ৰাখি চিকিৎসা কৰিব। কথাটো দিলীপে দেউতাকক জনোৱাত প্ৰথমে দেউতাক মান্তি হোৱা নাছিল যদিও কালিৰাম পণ্ডিতৰ বুজনিত তেওঁ চহৰলৈ ওলাল।

উপন্যাসখনত দিলীপৰ মুখেৰে সিহঁতৰ গাওঁখনৰ যি প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা দিছে সেয়া অতি সুন্দৰভাৱে ফুটাই তুলিবলৈ ঔপন্যাসিক সক্ষম হৈছে। দিলীপে শৈশৱত যিখন গাৱত বিচৰণ কৰিছিল সেই গাৱঁৰ অৱস্থা আৰু চল্লিছ বছৰ পিছৰ গাওঁখনৰ অৱস্থাৰ তুলনা দাঙি ধৰাত ঔপন্যাসিক সফল হৈছে। মানুহৰ মানবিক মূল্যবোধৰ অভাৱেই ইয়াৰ মূল কাৰণ।

দিলীপে দেউতাকক চহৰলৈ লৈ আহিল যদিও নিজৰ জন্ম হোৱা গাওঁখন এৰি আহিব লগা হোৱাত এক বুজাব নোৱাৰা বেদনাৰে তেওঁৰ মনটো ভৰি পৰিছিল। দিলীপে দেউতাকৰ খবৰ লবৰ বাবেই মাজে মাজে গাৱলৈ আহিছিল যদিও এইবাৰ একেবাৰে বিচ্ছেদ হব লগা হোৱাত দিলীপৰ অন্তৰে কান্দি উঠিল।

দিলীপে দেউতাকক চহৰলৈ আনি চিকিৎসা আৰম্ভ কৰি দিলে। দেউতাকে যাতে কোনোধৰণৰ কষ্ট নাপায় তাৰবাবে পত্নী সাবিত্ৰী, পুত্ৰ কুনাল আৰু কন্যা অদিতিক দেউতাকৰ লগত কথা বতৰা পাতি থাকিব ক'লে। দিন যোৱাৰ লগে লগে দিলীপৰ



উত্তৰ গুৱাহাটী মহাবিদ্যালয় আলোচনী

দেউতাকে অনুভৱ কৰিলে যে চহৰৰ এনে জীৱনতকৈ গাৱঁৰ জীৱনেই বেছি শান্তিদায়ক আৰু মধুৰ। চহৰ মানুহৰ লগত গাৱঁৰ মানুহৰ আদব কাইদাৰ মিল নাই। তেওঁৰ নাতি অদিতি আৰু কুনালে যদিও তেওঁৰ লগত কথা পাতে সিহঁতৰ কথাবোৰ তেওঁ বুজি নাপায়। দিলীপে যিখিনি সময় পায় সেইখিনি সময় দেউতাকৰ লগত কথা পাতিবলৈ যত্ন কৰে কিন্তু সেই সময়খিনিতেই যথেষ্ট নহয়। সেয়েহে তেওঁ কাৰোসতে কথা বতৰা নপতা হ'ল।

উপন্যাসখনৰ মূল বিষয়টোৰ লগত সংযোগ কৰা আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল 'জেনেৰেশ্যন গেপ'। উপন্যাসখনত এই জেনেৰেশ্যন গেপ তিনি পুৰুষৰ মাজত প্ৰচলিত হৈছে। সেয়া হৈছে দিলীপৰ দেউতাক দিলীপ আৰু দিলীপৰ সন্তান কুনাল আৰু অদিতি। সঁচাকৈ আগৰ দিন আৰু এতিয়াৰ দিনৰ মাজত আকাশ পাতাল প্ৰভেদ। আগৰ দিনত অৰ্থাৎ দিলীপৰ সৰুকালত দিলীপে মাক-দেউতাকৰ মুখৰ পৰা সাধুকথা, নীতিকথা আদি শুনিছিল। ঠিক তেনেদৰে দিলীপৰ দেউতাকেও তেওঁৰ মাক-আইতাকহঁতৰ মুখৰ পৰা ৰামায়ণ-মহাভাৰতৰ কথা শুনিছিল। কিন্তু বৰ্তমান যুগৰ ল'ৰা-ছোৱালীয়ে ৰামায়ণ-মহাভাৰতৰ প্ৰতি আস্থা হেৰুৱাই পেলাইছে। তেওঁলোকে আজৰি সময়ত টি.ভি বা ৰেডিঅ'ৰ লগতে ব্যস্ত। মাক-দেউতাকেও আজৰি সময়খিনি পুতেক জীয়েকৰ লগত কটাব নিবিচাৰে। আজিৰ ল'ৰা-ছোৱালীয়ে মহাভাৰত ৰামায়ণৰ কথা নাজানেই। আনে বুজাব বিচৰিলেও তেওঁলোকে আগ্ৰহ প্ৰকাশ নকৰে। কিন্তু চিনেমাৰ কথা তেওঁলোকৰ জিভাৰ আগত। গাৱঁৰ ছোৱালী বা ল'ৰাই হিন্দী গীত যিমান সুন্দৰকৈ গাব জানে তাৰ তুলনাত আইনাম, বিয়ানাম আদি সিমান সুন্দৰকৈ গাব নাজানেয়।

সেয়ে জানকীৰ মুখত হিন্দী গীত শুন দিলীপৰ দেউতাকে তাইক প্ৰশ্ন কৰিছে যে তাই এই বিজতৰীয়া হিন্দী গীতটো ক'ৰপৰা শিকিলে। এটা সময় আছিল যেতিয়া শৈশৱত ল'ৰা-ছোৱালীয়ে বিদ্যা শিক্ষাৰ লগতে নীতি-শিক্ষা, কৃষ্টি, সংস্কৃতি সকলোৰে খবৰ লৈছিল। কিন্তু আজিকালিৰ ল'ৰা ছোৱালীয়ে এই সকলোবোৰ পাহৰি বাহিৰা আদব-কায়দাবোৰহে গ্ৰহণ কৰিবলৈ লৈছে। আজিকালিৰ ল'ৰা-ছোৱালীয়ে ইংলেণ্ড, ৰাছিয়া আদি দেশৰ বিষয়ে যিমানখিনি কথা জানে সেইখন দেশত বাস কৰা ল'ৰা-ছোৱালীয়েও সিমানখিনি কথা নাজানে। নিজৰ দেশৰ বিষয়ে যদি তেওঁলোকক প্ৰশ্ন কৰা হয় তেন্তে তেওঁলোকে উত্তৰ দিব নোৱাৰিব। আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল আজিকালিৰ ছোৱালীয়ে শাহু শহুৰ থকা ঘৰলৈ বিয়া হব নিবিচাৰে। কাৰণ তেওঁলোকৰ আলপৈচান ধৰিব লাগে। এই কথাবোৰ ভাবি দিলীপৰ দেউতাকৰ অন্তৰখনে হাহাকাৰ কৰি উঠিল। তেওঁ ভাবিলে কি জানিবা তেওঁৰ বাবে তেওঁৰ বোৱাৰীয়েকৰ কিবা অসুবিধা হৈছে !

দিলীপৰ দেউতাকে ভাবিলে যে তেওঁ যিমান সোণকালে পাৰে সিমান সোণকালে গাৱঁৰ ঘৰলৈ উভতি যাব আৰু এই কথা তেওঁ পুতেক দিলীপক কলে। কথাটো শুনি দিলীপে দেউতাকক বুজালে যে তেওঁ এতিয়াও সুস্থ হৈ উঠা নাই। সেয়েহে আৰু কেইদিনমান নগৰতে থাকিব লাগিব। ইয়াৰ কিছুদিন পিছত দেউতাকে ভ্ৰম বকিবলৈ ধৰিলে। য'তে বহে তাতেই বহি থাকে। কাৰো লগত কথা নাপাতে। দেউতাকৰ এনে অৱস্থা দেখি দিলীপে তেওঁৰ বাল্যকালৰ বন্ধু ডাঃ শৰ্মাক এই বিষয়ে সুধিলে। তেতিয়া ডাঃ শৰ্মাই কলে যে তেওঁৰ দেউতাকৰ 'ছেনাইল ডিমেন্সিয়া' অৰ্থাৎ

বাৰ্দ্ধক্যজনিত মস্তিস্ক বিকৃতি ঘটিছে। এই কথা শুনি দিলীপৰ মূৰত সৰগ ভাঙি পৰিল। দিলীপে যিটোক ভয় কৰি আছিল সেইটোৱে হ'ল। এদিন দেউতাকৰ গা বৰ বেয়া কৰাত দিলীপে দেউতাকৰ ওচৰত বহি থাকোতে আলমাৰিৰ পৰা কিতাপ এখন উলিয়াই আনি অতুলচন্দ্ৰ হাজৰিকাদেৱে ৰচনা কৰা কবিতা এটা পঢ়িলে। কবিতাটো হ'ল -

"ভাবিছিলো ঘুৰি ঘুৰি পঞ্চতীৰ্থলৈ আহি
কৰিব পাৰিম মোৰ জীৱন সাৰ্থক ;
আজি সেই ইচ্ছা দিছো বিসৰ্জন।
য'তে দিও হাত তাতে হয় বিষ,
তথাপি নিমিলে বিভুৰ আশীষ।
নিবিচাৰো পুনু পুনৰ জনম
কণ্টক বনত মাটিৰ মৰম।"

কবিতাটো পঢ়ি দিলীপে অনুভৱ কৰিলে যিজনা কবিয়ে জীৱনটোক ইমান ভাল পাইছিল, পৃথিৱীখনক ভাল পাইছিল, সেইজন কবিয়েই বাৰ্দ্ধক্যৰ নিকৰুন যন্ত্ৰণাত পৰাজিত হব লগা হ'ল। অৱশেষত বাৰ্দ্ধক্যৰ লগত যুঁজি যুঁজি দিলীপৰ দেউতাকে শেষ নিশ্বাস ত্যাগ কৰে।

'অন্তৰাগ' উপন্যাসখনৰ কাহিনীৰ গতি দিছে দিলীপে। গতিকে দিলীপেই হ'ল উপন্যাসখনৰ মূল কেন্দ্ৰীয় চৰিত্ৰ। তথাপি ইয়াত অন্যান্য চৰিত্ৰ বিশেষকৈ দিলীপৰ দেউতাক, কালিৰাম পণ্ডিত, ডাঃ শৰ্মা, আদি চৰিত্ৰই উপন্যাসখনৰ গতি প্ৰদানত যথেষ্ট সহায় কৰিছে। দিলীপৰ দেউতাকক এই ক্ষেত্ৰত প্ৰথম বুলি কব পাৰি।

শেষত হোমেন বৰগোহাঞিয়ে অতি সুন্দৰভাবে আৰু অভিজ্ঞতাৰ জৰিয়তে জীৱনৰ শেষ অৱস্থা অৰ্থাৎ বাৰ্দ্ধক্যৰ যন্ত্ৰণাদায়ক অৱস্থা এটিৰ চিত্ৰ উপন্যাসখনত দাঙি ধৰিবলৈ সক্ষম হৈছে। বৰগোহাঞিৰ 'অন্তৰাগ' উপন্যাস অসমীয়া উপন্যাস সাহিত্যৰ এক সাৰ্থক সৃষ্টি।

: : : :

## কৌতুক

শ্ৰীমনো দেৱী
স্নাতক ২য় বৰ্ষ (কলা)

১) প্ৰথম প্ৰতিবেশী : কি হে বৰুৱা আজিকালি দেখোন আপোনাৰ ঘৰৰ পৰা পত্নীৰ চিঞৰৰ বাখ ভাহি নহা হ'ল কিবা যাদু কৰিলে নেকি ?
দ্বিতীয় প্ৰতিবেশী : নাই নাই এদিন তেওঁক মাত্ৰ কলো তুমি যেতিয়া মনে মনে থাকা তোমাক দেখিবলৈ একেবাৰে ঐশ্বৰ্য্য ৰায়ৰ দৰে লাগে।





# জীৱনৰ অৰ্থ বিচাৰি

(প্ৰবন্ধ)

শ্ৰীনিপামনি শইকীয়া
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (ক'লা)

জীৱন মানেনো কি ?
জীৱন এটি খেল ।
যি নেকি হাঁহি কান্দোনৰ মেলা। জীৱনটো সুখ-দুখেৰে ভৰা।
কবিতাৰ ভাষাত এইদৰে কব পাৰি যে

দুখ যদি নাই
জীৱন নহয়,
সুখেৰেই যদি ভৰপূৰ হৃদয়
মানৱতানো কিহৰ ?

ইংৰাজীত এটা প্ৰবাদ আছে

জীৱন,

যদিও প্ৰকৃতাৰ্থত এই জীৱন ক্ষন্তেকীয়া তথাপি এই জীৱন শব্দটো কাৰোবাৰ খুব দীঘলীয়া আৰু কাৰোবাৰ বাবে খুবেই ক্ষন্তেকীয়া। এই বাক্যটি এই ক্ষেত্ৰত প্ৰযোজ্য যে যন্ত্ৰণাক্লিষ্ট সকলৰ বাবে জীৱনটো খুব দীঘলীয়া। তেওঁলোকে ভাৱে কেতিয়াযে এই যন্ত্ৰণাদায়ক জীৱনৰ ওৰ পৰিব। কিন্তু যি সকলৰ বাবে কৰিবলগীয়া বহুত থাকে, যি সকলে হৃদয়ত যন্ত্ৰণাৰ ধ্বনি অনুভৱ নোহোৱাকৈ বা নেওচি গৈ গতানুগতিক ভাবে চলি আছে, তেওঁলোকৰ বাবে জীৱনটো খুব ক্ষন্তেকীয়া। আকৌ যি সকল বহুদিন জীয়াই থাকে সেইসকলৰ বাবে জীৱনটো দীঘলীয়া আৰু যিসকল কম দিন জীয়াই থাকে সেইসকলৰ জীৱনটো ক্ষন্তেকীয়া বুলিব পাৰি। কৰিবলগীয়া বহুত থকা সকলৰ বাবে জীৱনটো ক্ষন্তেকীয়া আৰু এই ক্ষন্তেকীয়া জীৱনটোত বহুত কৰিবলৰগীয়া হোৱা বাবে সেইসকলৰ জীৱনটো এক প্ৰতিযোগীতামূলক জীৱন হৈ পৰে। সেয়েহে বহুতে জীৱনটোক এক প্ৰতিযোগিতা বুলিও উল্লেখ কৰে। এই জীৱন শব্দটো অকল এটি বা দুটি শব্দৰেই পৰিপূৰ্ণ নহয়। ইয়াক বহুকেইটা অৰ্থৰ সতে ৰিজাব পাৰি। দ্বিতীয়তে জীৱনটোক কষ্ট আৰু আৰামৰ সতেও ৰিজাব

পাৰো। জীৱন ধাৰণৰ বাবে আমি কাম কৰিবই লাগিব আৰু কামৰ বাবে আমি কষ্ট কৰিবই লাগিব। আৰামৰ লগত ৰিজাই চোৱাৰ অৰ্থ হ'ল আগতে আমি যিবোৰ কাম পৰিশ্ৰমৰ দ্বাৰা সমাধান কৰিছিলো সেইবোৰ কাম এতিয়া মেচিনৰদ্বাৰা সমাধান কৰো। গতিকে জীৱনটো আৰামদায়ক হৈ পৰিছে। সৰ্বাধুনিক ক্ষেত্ৰত যদিও জীৱনটো আৰামদায়ক তথাপি ই সম্পূৰ্ণ শুদ্ধ নহয়। কাৰণ আৰাম পাবলৈ হলেও কষ্ট কৰিবই লাগিব। উদাহৰণ স্বৰূপে আমি ওপৰৰ কথাখিনিকে উল্লেখ কৰিব পাৰো। আগতে আমি যিবোৰ কাম পৰিশ্ৰমৰ দ্বাৰা সমাধান কৰিছিলো সেইবোৰ এতিয়া মেচিনৰদ্বাৰা সমাধান কৰো হয় কিন্তু প্ৰকৃতাৰ্থত মেচিনটো তৈয়াৰ কৰিবলৈও বহু কষ্টৰ প্ৰয়োজন হয়। সেয়েহে বিপৰীতে প্ৰকৃতাৰ্থত কষ্টকহে জীৱনৰ অৰ্থৰ সতে ৰিজাব পৰাটো বাঞ্চনীয় বুলি ধৰা হয়। জীৱনৰ অৰ্থ বিচাৰি গলে ধাৰণা হয় যে - খোৱা, শোৱা, ফুৰা, খেলা, এইবোৰৰ অৰ্থ জীৱন নে জীৱনৰ অৰ্থ এইবোৰ ? এই বাক্যটি সাম্প্ৰতিক কবি অমূল্য বৰুৱাৰ "কুকুৰ" কবিতাটোৰ এই দুটি ফাকিৰ সতে ৰিজাব পাৰি যে -"আমি কেৱল খাবৰ বাবে জীয়াই আছো নে আমি জীৱৰ বাবে খাইছোঁ ? " সাম্প্ৰতিক কবি অমূল্য বৰুৱাই ইয়াত দ্বিতীয় বিশ্বযুদ্ধৰ পিছত, মানুহৰ যি দুৰবস্থা হৈছিল সেই দুৰবস্থাক বুজাইছে। কিন্তু এই প্ৰবন্ধটিত জীৱনৰ অৰ্থক বুজাবলৈ চেষ্টা কৰা হৈছে। শেষত বৰ্তমান যি পৰ্য্যায়ত আমি জীৱন ধাৰণৰ ফালে আগবাঢ়ি আছো সেই পিনে চালে দেখা যায় যে মানুহে যেন জীৱনকো পিঠি দিছে আৰু দৌৰিছে টকাৰ পিছে পিছে আৰু ভাব হয় যে টকাৰ কাৰণেই যেন মৃত্যুকো নেওচি যাব। টকাৰ কাৰণে মানুহ বলিয়া হৈ পৰিছে। টকাই মানুহক এনেকৈ নচুৱাইচে যে ভাবিলে আচিৰিত লাগে। টকাৰ কাৰণেই পৃথিবীখন হিংসাত্মক হৈ পৰিছে।

হিন্দীত পাণ্ডেচ ৰেচন চামাজিত নামৰ লিখকজনে কেৱল "ৰুপয়া" নামদি পাঠ এটিত লিখিছে যে

"মৈ ৰুপয়া হুঁ, লোগীকী লচাতী হুঁ,
মৈ খুদ নহী নাচতী হুঁ।"

যদিও মানুহে টকা ঘটিছে আচলতে সেইবোৰ জীয়াই থকাৰ বাবেই ঘটিছে। আজিৰ যুগত যদিও মানুহে ভাবিব পাৰে যে জীৱনৰ অৰ্থ টকা নহয়, টকাৰ অৰ্থহে জীৱন। সেইটো সম্পূৰ্ণ ভুল ধাৰণা। কিন্তু এইটোও নহয় যে টকাই জীৱন, টকাৰ লগত আৰু বহুতো প্ৰতীক লগ-লাগিহে জীৱন গঢ়ি উঠে। সৰ্বশেষত আমি জীৱনৰ অৰ্থ হিচাপে প্ৰেম বা মৰমক জগৰীয়া কৰিব পাৰো। মৰমক আমি এই কাৰণে জগৰীয়া কৰিব পাৰো যে মানুহে কেৱল টকা আৰ্জি নিজৰ বাবে জীয়াই নাথাকে। মানুহ জীয়াই থাকে নিজৰ ঘৰ-সংসাৰ বা পৰিয়ালৰ মানুহ আৰু ধুনীয়া পৃথিৱীখনলৈ মৰম থকা বাবে আৰু টকাও আৰ্জে সেইসকলৰ বাবে আৰু ধুনীয়া পৃথিৱীখনত ধুনীয়াকৈ থাকিবলৈ ।





আনহাতে

প্ৰেম ।

প্ৰেমে ভৰে প্ৰেমেই সকলোতকৈ উচ্চ, জীৱনতকৈও। অৰ্থাৎ প্ৰেমে ভাবে জীৱনৰ অৰ্থ প্ৰেম নহয়, প্ৰেমৰ অৰ্থহে জীৱন। কিন্তু ই কেতিয়াও সম্ভৱ নহয়। সচা কথা প্ৰেমৰ কাৰণে এজন লোক বলিয়া হব পাৰে বা মৃত্যুক সাবটি লব পাৰে। এইটোও সচা যে প্ৰেমে নিবিচাৰে ধন-ধান, মান, গৌৰৱ, জাতিকুল। প্ৰেমে বিচাৰে মাথো এধাৰি মৰম। গতিকে এই মৰম নাপালে জীৱনটো যন্ত্ৰণাদায়ক হৈ পৰে আৰু যন্ত্ৰণাদায়ক হলেই জীৱনটো হৈ পৰে দীঘলীয়া। গতিকে এই যন্ত্ৰণাদায়ক দীঘলীয়া জীৱনটোৰ পৰা আহৰি পাবলৈ কিছুৱে মৃত্যুক সাৱটি লয়। সেইফালৰ পৰা চালে প্ৰেমৰ অৰ্থ জীৱন। কিন্তু প্ৰত্যেকেই জানো প্ৰেমত সফল নোহোৱাৰ বিনিময়ত মৃত্যুক আকোৱালি লৈছে ? নাই লোৱা। আৰু নাই লোৱা কাৰণেই জীৱনৰ অৰ্থ হিচাপে প্ৰেমক ৰিজাব পাৰি। প্ৰেমৰ অৰ্থ হিচাপে জীৱনক নহয়। হয়তো মৃত্যুৰ কথা ভাবিব পাৰে কিন্তু মৰিব নোৱাৰে মা-দেউতা পৰিয়ালৰ মুখলৈ চায়। প্ৰেম নহলেও জীৱন হব, কিন্তু নহলে প্ৰেম কেতিয়াও সম্ভৱ হব নোৱাৰে। ই কল্পনাৰ অতীত। গতিকে জীৱনৰ অৰ্থ বিচাৰি গলে আমি পাও যে দুখ-সুখ, প্ৰতিযোগিতা, কষ্ট, আৰাম, খোৱা, শোৱা, ফুৰা, খেলা, জীৱন ধাৰণৰ বাবে অৰ্জা টকা-পইচা, মৰম, প্ৰেম এইবোৰেৰে পৰিপূৰ্ণ এক শাৰীৰিক আৰু মানসিক ভাবে চলা ক্ৰিয়া কাৰ্য্যকলাপ।

---

## মহৎ লোকৰ বানী

সংগ্ৰহ - নিৰ্মালী বড়া
উচ্চতৰ মাধ্যমিক
প্ৰথম বৰ্ষ (ক'লা)

১) সকলো মানুহেই ভগৱানৰ সন্তান। গতিকে সমাজত সকলো ভাই ভাই
- গুৰু নানক

২) এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন মানুহে আন এজনক হত্যা কৰা একে কথা।
- মিল্টন

৩) যিজন মানুহে নিজকে জ্ঞানী বুলি ভাৱে তেওঁতকৈ মূৰ্খ পৃথিৱীত নাই
- ভল্টেয়াৰ

৪) বিদ্যাই মানুহৰ শ্ৰেষ্ঠ অলংকাৰ, ই মানুহৰ সুৰক্ষিত ধন, বিদ্যাই ভোগ, যশ আৰু সুখ দিয়ে।
- এৰিষ্টটল

৫) আমি যিমানেই অধ্যয়ন কৰি যাওঁ, সিমানেই আমাৰ নিজৰ অজ্ঞতাৰ আভাস পাওঁ
- শেলী

# চৰিত্ৰ

শ্ৰীমৰমী দা
স্নাতক ২য় বৰ্ষ (ক'লা
ৰাজনীতি বিজ্ঞান (অনার্

সংসাৰত চৰিত্ৰ হ'ল এটা মহৎ চালিকা শক্তিবোৰৰ অন্যতম। ইয়াৰ সৰ্বোত্তম প্ৰকাশ য'ত হয় তাত মানৱপ্ৰকৃতিৰ শ্ৰেষ্ঠ প্ৰতিফলন ঘটে; কাৰণ ব্যক্তিৰ শ্ৰেষ্ঠ প্ৰকাশ তেওঁৰ চৰিত্ৰৰ যোগেদিয়েই হয়।

প্ৰতিভাৱান লোকে সদায় সমাদৰ লাভ কৰে সঁচা, পিছে চৰিত্ৰৱান জনেহে আটাইতকৈ বেছি সমাদৰ বা শ্ৰদ্ধা লাভ কৰে। প্ৰতিভাৱান লোক অধিক পৰিমাণে মগজুৰ সৃষ্টি, চৰিত্ৰৱান লোক অধিক পৰিমাণে দিলৰ সৃষ্টি। দেখা যায় গৈ যে জীৱনত দিল বোলা বস্তুটোৰ প্ৰাধান্য বেছি। প্ৰতিভাৱান লোকৰ সমাজৰ লগত সম্পৰ্ক বুদ্ধিবৃত্তিৰ পিনৰ পৰা, চৰিত্ৰবানজনৰ সম্পৰ্ক নিজৰ বিবেকৰ পিনৰ পৰা। প্ৰতিভাৱানজনক লোকে আদৰ কৰে, চৰিত্ৰৱানজনক অনুকৰণ কৰে।

প্ৰতিজন ব্যক্তিয়েই জীৱনৰ দিনকেইটাৰ সৰ্বোত্তম সদ্ব্যৱহাৰ কৰিবলৈ যত্নপৰ হোৱা উচিত। সৰু-সুৰু কথাবোৰতো তেওঁ বিশ্বস্ত, ন্যায়নিষ্ঠ, সৎ আৰু নিষ্ঠাৱান হ'ব পাৰে। সংক্ষেপে ক'বলৈ গ'লে, দৈৱই তেওঁক জীৱনত য'তে থিতাপি দিছে ত'তে তেওঁ নিজ কৰ্ত্তব্য কৰিব লাগে। শুনাত অতি সাধাৰণ আৰু গতানুগতিক যেন লাগিলেও, এই কথা ঠিক যে নিজৰ কৰ্তব্য কৰাতেই জীৱন আৰু চৰিত্ৰৰ শ্ৰেষ্ঠ আদৰ্শ ফুটি উঠে।

চাৰিত্ৰিক উৎকৰ্ষৰ লগত ধন-দৌলত সম্পৰ্ক, বৌদ্ধিক বৃত্তিবোৰৰ লগৰ সম্পৰ্কতকৈ নগণ্য। বৰং দেখা যায় যে - ধন দৌলত প্ৰা নৈতিক স্খলন আৰু দুৰ্নীতিৰ কাৰণেহে হয়, ধ দৌলত আৰু দুৰ্নীতি, বিলাসক আৰু অনৈতিকত পৰস্পৰৰ মাজত অতি ওচৰ সম্পৰ্ক। দুৰ্বল চৰিত্ৰ বা আত্মানুশাসনহীন বা ব্যভিচাৰী লোকৰ হাত ধন-দৌলত হয় প্ৰলোভন, হয় নিজৰো আ আনৰো অশেষ অনিষ্টাৰ গুৰি।

চৰিত্ৰই সম্পদ। ইয়েই হ'ল শ্ৰেষ্ঠ সম্প জনসাধাৰণৰ শুভেচ্ছা আৰু সন্মানৰ পিনৰ পৰা এখন জমিদাৰীৰ দৰে। চৰিত্ৰ আহৰণত আত্মনিয়োগ কৰে, তেওঁ ঐহিক সম্পদৰ পিনৰ প ৰৱৈয়া নহ'ব পাৰে ; কিন্তু ইয়াৰ ফলত তেও সুখ্যাতি আৰু সন্মান লাভ হয়। সেয়ে তেও উপযুক্ত পুৰস্কাৰ জীৱনতো সজ গুণবোৰেৰে প্ৰতি হয় আৰু হ'ব লাগেও। নৈতিক উৎকৰ্ষ, অধ্যাবস আৰু সততা শ্ৰেষ্ঠ গুণ বুলি বিবেচিত হ'ব লা আৰু যথাৰ্থতে উত্তম লোকেহে সৰ্বত্ৰ আগশাৰী আসন পাবৰ যোগ্য।

উদ্দেশ্যৰ সততা মাত্ৰ থাকিলেই জীৱ এজন লোক বহুত আগবাঢ়ি যাব পাৰ, মাত্ৰ নি সম্পৰ্কে তেওঁৰ উচিত ধাৰণা থাকিব লাগে আ নিজে উচিত বুলি ভবা নীতিত বা কাৰ্য্যত দৃঢ়ভা



উত্তৰ গুৱাহাটী মহাবিদ্যালয় আলোচনী

লাগি থাকিব লাগে। ফলত তেওঁ এদিন নহয় এদিন সেই কামত কৃতকাৰ্যতা পাবই।

"উদ্দেশ্য যদি ম্লান নয়,
কৰ্তব্যে যদি শিথিলতা না আসে,
ব্যৰ্থতা কখনও আসতে পাৰে না" ।।
ৰবীন্দ্ৰ নাথ ঠাকুৰ।

প্ৰকৃততে সচ্চৰিত্ৰৰ লোকৰ যশস্যা বিয়পি পৰাও হয়তো বিলম্ব ঘটিব পাৰে ; কিন্তু কোনো লোকৰে আচল গুণবোৰ কেতিয়াও লুকাই নাথাকে। তেওঁলোকক কোনোবাই ভুল বুজিব পাৰে, তেওঁলোকৰ বিষয়ে বেয়াকৈ ক'ব পাৰে, দুখ-দুৰ্দশাই হয়তো তেওঁলোকক সাময়িকভাৱে নাজল-নাথল কৰিব পাৰে, কিন্তু ধৈৰ্য্য আৰু সহনশীলতাৰ গুণত তেওঁলোকে শেহত সকলোৰে শ্ৰদ্ধা, সমাদৰ আৰু আস্থা লাভ কৰেগৈ।

চৰিত্ৰ গঠন হয় বিভিন্ন সৰু-সুৰা কথাৰে। এই আটাইবোৰ প্ৰায় কম-বেছি পৰিমাণে ব্যক্তিৰ নিজৰ আয়ত্তৰ ভিতৰত। ভালেই হওঁক বা বেয়াই হওঁক, ইয়াৰ অনুশাসনৰ ভিতৰত বান্ধ নোখোৱাকৈ এটা দিনো পাৰ নহয়। যিমানেই সামান্য নহওঁক কিয়, প্ৰতিটো কাৰ্যৰে পৰিমাণ থাকিবই থাকিব, ঠিক যেনেকৈ চুলি এডালৰ দৰে। যিমানেই সৰু নহওঁক, তাৰো ছাঁ পৰিবই পৰিব।

চৰিত্ৰ গঠনৰ প্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ ঠাই হ'ল ঘৰখন; ইয়াতেই প্ৰত্যেকজন লোকেই, ভালেই হওঁক বা বেয়াই হওঁক, তেওঁৰ নৈতিক শিক্ষা লাভ কৰে। আদৰ্শবোৰ ইয়াতেই তেওঁ পায় আৰু সেইবোৰ তেওঁৰ মৰণকাললৈকে গোটেই জীৱন জুৰি থাকে। মাতৃস্নেহ হ'ল মানৱজাতিৰ দৃশ্যমান ভগৱানস্বৰূপ। ইয়াৰ প্ৰভাৱ স্থায়ী আৰু সৰ্বব্যাপী। জীৱনৰ আদিতেই মানৱ শিশুৰ শিক্ষাৰ লগে লগে ইয়াৰ আৰম্ভণি সূচিত হয়। প্ৰতিগৰাকী উপযুক্তা মাতৃয়েই তেওঁৰ ল'ৰা-ছোৱালীৰ ওপৰত পেলোৱা সুদীৰ্ঘ দিনৰ শক্তিশালী প্ৰভাৱৰ ৰূপত ই আত্মপ্ৰকাশ কৰে। শিক্ষাদান কৰোঁতাসকলৰ ভিতৰত আন সকলোতকৈ মাতৃ এগৰাকীয়েই আটাইতকৈ অধিক দৰদী ৰূপত শিক্ষা দিয়ে। পুৰুষ হ'ল মানৱ জাতিৰ মগজু, কিন্তু তিৰোতা হ'ল ইয়াৰ অন্তৰ । পুৰুষ হ'ল - বিচাৰ বুদ্ধি, নাৰী হ'ল অনুভূতি। পুৰুষ শক্তি, নাৰী আচৰণৰ মাধুৰ্য্য, শোভা আৰু সান্ত্বনা। শ্ৰেষ্ঠ মহিলাসকলৰ বিচাৰ বৃত্তিয়েও তেওঁৰ আবেগ অনুভূতিৰ যোগেদিহে ক্ৰিয়া কৰে। এইদৰেই পুৰুষে চিত্তবৃত্তি আৰু স্ত্ৰীয়ে হৃদবৃত্তিৰ কৰ্ষণ কৰে। ঘাইকৈ ইয়াৰ পৰাই চাৰিত্ৰিক বৈশিষ্ট্যই গঢ় লয়। পুৰুষ স্মৃতিশক্তিৰ অধিকাৰী, নাৰী অন্তৰখনৰ অধিকাৰী। পুৰুষে যিটো কথা আমাক বিশ্বাস কৰিবলৈ শিকায়, নাৰীয়ে সেইটো কথা আমাক ভাল পাবলৈ শিকায়। নাৰীৰ যোগেদিয়েই প্ৰধানকৈ নৈতিক উৎকৰ্ষ লাভ হয়। নেপোলিয়ন বোনাপাৰ্টে প্ৰায়ে কৈছিল বোলে শিশুটিৰ ভৱিষ্যতৰ চৰিত্ৰ ভাল হ'ব নে বেয়া হ'ব সেইটো সম্পূৰ্ণৰূপে মাকৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁ লগতে এই কথাও কৈ থৈ গৈছে যে বাপেক যদি অসৎ চৰিত্ৰৰ হয়, মদাহী হৈ জহান্নামে যোৱা হয়, সেই ক্ষেত্ৰটো মাকজনী যদি ঠিক থাকে, হিচাপী আৰু সৎ চৰিত্ৰৰ হয়, পৰিয়ালটো তেতিয়াও থান-বান হৈ যোৱাৰ পৰা ৰক্ষা পৰে, আৰু ল'ৰা-ছোৱালীৰ পিছৰ জীৱন সুখ-শান্তিৰ হয় আৰু আনৰ আগত স-সন্মানেৰে মূৰ দাঙি থিয় হ'ব পাৰে।

লগ-সংগয়েও চৰিত্ৰৰ ওপৰত প্ৰভাৱ পেলায়। বয়সত ডাঙৰেই হওঁক বা সৰুৱেই হওঁক, মানুহে যিবোৰৰ লগত সংগ কৰে সেইবোৰক

অনুকৰণ নকৰাকৈ থাকিব নোৱাৰে। ডাঙৰতকৈ সৰুৰ বেলিকা এই কথা বেছিকৈ খাটে। সজ বন্ধু এজনে দিয়া একোটা সৎ পৰামৰ্শই, সময় মতে দিয়া একোটা সংকটে বা সুবিবেচিত উপদেশে ডেকা মানুহ এজনৰ জীৱনত একেবাৰে নতুন দিশৰ সূচনা কৰিব পাৰে। কিন্তু ইয়াৰ বিপৰীতে অসৎ চৰিত্ৰৰ আৰু কদৰ্য অভিপ্ৰায়ৰ লোকে লগৰীয়াসকলক তেওঁলোকৰ অজ্ঞাতেই তললৈ নমায়। ৰাস্কিনে কৈছিল, অসতৰ পৰা যি উদ্ভৱ হয়, সিও অসতৰে জন্ম দিয়ে। যি ভালৰ পৰা জন্ম হয়, যাৰ উৎস সাহ আৰু সন্মান, সি সদায় সাহ আৰু সন্মান বিস্তাৰিত কৰে।

প্ৰেমৰ বেলিকা প্ৰকৃতিয়ে সমস্ত আনুষ্ঠানিক আৰু প্ৰচলিত বিধি-ব্যৱস্থা গুৰিয়াই পেলায় যদিও, ডেকা-গাভৰুৰ মনত চৰিত্ৰ সম্বন্ধে এনে কিছুমান ধাৰণা সুমুৱাই দিব পাৰি, যিবোৰে তেওঁলোকক সঁচা আৰু মিছা প্ৰেম চিনিবলৈ সহায় কৰিব। প্ৰেম হ'ল শ্ৰদ্ধা আৰু প্ৰশংসাৰ পৰিণতি আৰু ই চৰিত্ৰৰ উৎকৰ্ষ ঘটায় আৰু ইয়াক বদগুণবোৰৰ পৰা মুক্ত কৰি বিশুদ্ধ কৰে। প্ৰকৃত প্ৰেমে বহুত গুণে বুদ্ধিৰো উৎকৰ্ষ ঘটায় আৰু মানসিক শক্তিবোৰ উদ্দীপিত কৰে। নিজৰ আৱেগ-অনুভূতিৰদ্বাৰা সংসাৰৰ লগত একাত্ম অনুভৱ নকৰালৈকে কোনো নাৰী বা পুৰুষেই পূৰ্ণতাপ্ৰাপ্ত নহয় বুলি কোৱা হৈছে। প্ৰেমৰ অভিজ্ঞতাৰ অবিহনে কোনো নাৰীয়েই নাৰী বা পুৰুষকেই পুৰুষ বুলি অভিহিত কৰিব নোৱাৰি। নিজৰ পৰিপূৰ্ণতাৰ বাবে নাৰী আৰু পুৰুষ দুয়োকে দুয়োৰে প্ৰয়োজন। প্ৰকৃত সংযোগ হ'ব লাগিব মন আৰু অন্তৰৰ। ই পাৰস্পৰিক প্ৰীতি আৰু শ্ৰদ্ধাৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব।

এজন পুৰুষৰ প্ৰকৃত চৰিত্ৰ অন্য ঠাইতকৈ তেওঁ নিজৰ গৃহস্থালিখনতহে বেছিকৈ প্ৰকাশ পায়। গৃহস্থালিৰ কাম-কাজবোৰ তেওঁ কিদৰে পৰিচালনা কৰে তাতেই তেওঁৰ সাংসাৰিক জ্ঞান ফুটি উঠে। ব্যৱসায়-বৃত্তি আৰু ৰাজহুৱা কাম-কাজবোৰত এই জ্ঞান আৰু বেছিকৈ প্ৰকাশ পায়। অৱশ্যে পতিক এই কামত সহায়ৰ হাত বঢ়াবলৈ লাগে এগৰাকী সৎ চৰিত্ৰৰ পত্নী। পত্নী গৰাকী হ'ল দুঃখ-দুৰ্দশাৰ সময়ত ভৰ দি থিয় দিব পৰা এডাল লাঠিৰ দৰে। বিলাই -বিপত্তিয়ে জুমুৰি দি ধৰিলে, বা দুৰ্ভাগ্যই আগুৰি ধৰিলে, তেওঁ সহায়ৰ হাত আগবঢ়াই ওচৰ চাপি আহে। ডেকা কালত পুৰুষৰ বাবে পত্নীগৰাকী সুখ-সহচাৰী আৰু অলংকাৰৰ স্বৰূপ। পিছৰ বয়সত, যেতিয়া জীৱনত আশাৰ পৰিধি কোঁচখাই যায় আৰু কঠোৰ বাস্তৱক লৈ আমি জীয়াই থাকিব লাগে, তেতিয়া পত্নীগৰাকী বিশ্বস্ত সহায়ক হিচাপে পুৰুষৰ ওচৰত থাকে।

শেষত ক'ব লাগিব যে সৎ চৰিত্ৰৰ অবিহনে এই পৃথিৱীত একো কৰিব নোৱাৰি। কাৰণ 'চৰিত্ৰ' বোলা এই শব্দটো মানুহৰ সকলো সময়তে খোজত খোজ মিলাই গৈ থাকে। চৰিত্ৰৰ কাৰণে মানুহে সময়ত শান্তিও পাবলগীয়া হয় আৰু কেতিয়াবা পুৰস্কাৰৰো যোগ্য হয়।

ঃ ঃ ঃ ঃ

## কৌতুক

শ্ৰীমৃদুল বৈশ্য, উঃ মাঃ ১ম বৰ্ষ (কলা)

১) প্ৰথম ৰোগী ঃ তোমাৰ হাতখন বেণ্ডেজ কৰোতে কিয় ইমান চিঞৰিছিলা।
দ্বিতীয় ৰোগী ঃ বৰ দুখ পাইছিলো, কিন্তু তোমাৰ ভঙা ভৰিখন বেণ্ডেজ কৰোতে তুমি দেখোন হাঁহি আছিলা। কেনেকৈ সহ্য কৰিছিলা বাৰু।
প্ৰথম ৰোগী ঃ তোমাৰ চিঞৰ দেখি মই ভাল ভৰিখনকে বেণ্ডজ কৰিব দিছিলো।





# এক আবদ্ধ অনুভূতি

(প্ৰবন্ধ)

শ্ৰীদীপাঙ্কৰ ভট্টাচাৰ্য্য
স্নাতক চূড়ান্ত বৰ্ষ (ক'লা)

যেতিয়া এক নাৰী আৰু পুৰুষৰ মিলন হয় তেতিয়া সৃষ্টি হয় এক জীৱনৰ, যেতিয়া এক সপোন আৰু বাস্তৱৰ মিলন হয় তেতিয়া সৃষ্টি হয় এক সত্যৰ। গতিকে পৰস্পৰ দুটা বিপৰীত বস্তুৰ মিলন হয় তেতিয়া জীৱনৰ পটভূমিত সত্যৰ পৰিবেষ্টিতত সৃষ্টি হয় অনুভূতিৰ।

জীৱনক অনুভৱ কৰিব লাগে অনুভূতিৰ মাজেৰে, কিন্তু ব্যৱহাৰিক ভাৱে আমি জীৱনটোক উপভোগ কৰো। ফনী দেৱ চৌধুৰীয়ে তেওঁৰ এখন উপন্যাসত লিখিছিল "তুমি যে জীয়াই আছা তাৰ পৰিচয় হ'ল তোমাৰ শৰীৰ। 'আনন্দৰ সন্ধান কৰা' বুলি সেই শৰীৰে তোমাক অহৰহ সকিয়াই আছে. এই আহ্বান অস্বীকাৰ কৰা মানে জীয়াই থাকিবলৈ অস্বীকাৰ কৰা। পাপ উপভোগত নহয় ঃ নৈতিকতা, সংস্কাৰ আৰু কাপুৰুষতাৰ বাবে তুমি আজিলৈকে একো উপভোগ কৰিব পৰা নাই, সেইটোৱেই তোমাৰ আটাইতকৈ ডাঙৰ পাপ" কিন্তু উপভোগো পাপ হব পাৰে যদি সেই উপভোগে কাৰোবাক শাৰীৰিক বা মানসিক ভাৱে ক্ষতি সাধন কৰে। কিন্তু অনুভৱ কেতিয়াও পাপ হব নোৱাৰে, কাৰণ অনুভৱ নিজৰ মাজতে সীমাবদ্ধ আৰু ই অভিজ্ঞতাৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। মানসিক দৃষ্টিৰে চাব গলে প্ৰেম এনে এক অনুভূতি যি বন্ধুত্বৰ দৰে সবল, মৰমৰ দৰে পাতল আৰু হৃদয়ৰ দৰে কোমল অনুভৱ। প্ৰেমক যিয়ে উপভোগ কৰে তাৰ মানসিকতা বিকৃত। এই ক্ষেত্ৰত ত্যাগৰ কথাও উনুকিয়াব পাৰি। ত্যাগৰ মূল্য তেতিয়ালৈকে স্থিৰ হৈ থাকে যেতিয়ালৈকে আমি অনুভৱ নকৰো যে আমি ত্যাগ কৰিছো, অনুভৱ কৰাৰ পাছত ত্যাগৰ মূল্য হ্ৰাস পায়।

জীৱন সম্পৰ্কে তোমাৰ ধাৰণা কি বুলি কোনোবাই সুধিলে মোৰ সতকাই উত্তৰ দিবলৈ টান লাগে, যিহেতু জীৱনৰ ধাৰণা মোৰ মনত আজিও অৱৰ্ণনীয়। বহুতো জীৱনৰ সূত্ৰ বিভিন্ন ধৰণে দিয়ে যেনে জীয়াই থকাৰ নামেই জানো জীৱন ? আমি যে জীয়াই আছো সেইটো কোনে ক'ব ? সেইটো আমাৰ অনুভূতিয়ে ক'ব আৰু অনুভৱ ইয়াৰ মাজৰ চালিকা শক্তি। আজিৰ ব্যৱহাৰিক পৃথিৱীত জীৱনটোক সুচাৰুৰূপে গতিশীল কৰিবলৈ হ'লে মানসিক অস্তিত্বৰ দুইমেৰুত থকা আৱেগ আৰু বিবেক এই দুয়োৰে মাজত এক যোগসূত্ৰৰ অত্যন্তই আৱশ্যক। অনুভূতিয়েই এই যোগসূত্ৰৰ ভূমিকাটো ভালকৈ পালন কৰিব পাৰে।

মই কোন ? মোৰ নাম কি? মা দেউতাই দিয়া মোৰ নামতকৈ মোৰ নিজস্ব কৰ্মই দিয়া নামটোৰ প্ৰাসঙ্গিকতা যেনেকৈ বেছি ঠিক তেনেকৈ আৱেগ আৰু বিবেকৰ দ্বাৰা লোৱা সিদ্ধান্ততকৈ অনুভূতিৰ দ্বাৰা লোৱা সিদ্ধান্তৰ প্ৰাসঙ্গিকতা বহু বেছি!

কেতিয়াবা পূৰ্ণিমা ৰাতি জোণটোৰ ফালে

চাই বিভোৰ হৈছানে ? যদি হৈছা, তুমি প্রেমত পৰিছা। কেতিয়াবা এন্ধাৰ ৰাতি অকলে বহি নীৰৱতাৰ সৈতে কথা পাতিছানে ? যদি পাতিছা তুমি প্রেমত পৰিছা। কেতিয়াবা দুঃখীয়া নিঃসহায়ৰ দুঃখত চকুলো টুকিছানে ? পৃথিৱীৰ, প্রকৃতিৰ নে মানুহৰ ? তুমি মানুহৰ প্রেমত পৰিছা কাৰণ মানুহ অবিহনে পৃথিৱী আৰু প্রকৃতি অনুভূতিহীন।

- - - -

‘ জীৱন মানে এক অন্তহীন সন্ধান,
এক বিশৃংখল শব্দৰ অভিধানৰ পৰা
কেৱল বিচাৰি আছো নিজৰ ইপ্সিত শব্দটো
নাম তাৰ জীৱন -
এক বিমূৰ্ত্ত বাসনাৰে মই মোৰ অজ্ঞাতে
খেদি ফুৰিছো এক সত্য, বঞ্চনা নকৰা সত্য
যাক জীৱন বুলি গ্রহণ কৰিছো
এক অমৃতময় শব্দৰ সত্য - জীৱন’
- অনুৰাধা শৰ্মা পূজাৰী

ভয়ঙ্কৰ বিপদ আৰু দুৰ্ভাগ্যক ভেঙুচালি কৰি হাঁহি হাঁহি জীৱনৰ কণ্টকময় পথ অতিক্রম কৰিব পৰাকৈ আমি সকলো সাহসী হোৱা উচিত। সংঘাতময় জীৱনটোক প্রত্যাহ্বান হিচাপে লৈ জীৱনৰ দুৰ্গম পথত অগ্রসৰ হব পৰাটোৱেই আমাৰ প্রকৃত সাহসিকতাৰ উমান পাব পাৰি।

দুষ্প্রাপ্য জীৱনটোক পৰিপূৰ্ণভাৱে অনুভুতিৰ মাজেৰে উপভোগ কৰিব পৰাটোৱেই জীৱনৰ সাৰ্থকতা। “মৃত্যু সহজ, সহজ প্রেমো, সহজ কাম, মোৰ প্রিয় নহয়। মোক এটুকুৰা হৃদয় দিয়া ধাৰলৈ হলেও, কিস্তি কিস্তি কৈ পৰিশোধ কৰিম ঋণ জীৱনেৰে ; জীৱন মোৰ বাবে আটাইতকৈ কঠিন, জীয়াই থকাটো তাতকৈয়ো - ”

এইয়া যেন জীৱনে গাম গাইছে, সুৰ দিছে সময়ে আৰু গীতৰ কথা লিখিছে অভিজ্ঞতাপূৰ্ণ স্মৃতিয়ে।

জীৱনটো এবাৰেই আহে, ই সম্পূৰ্ণ নিজস্ব যদিও অধিক অৰ্থপূৰ্ণ হৈ পৰে, যেতিয়া আনৰ কাৰণে জীয়াই থকা হয়। জীৱনে নিৰ্ণয় কৰে মৃত্যুৰ তাৎপৰ্য্য ! আৰু মৃত্যুৱে নিৰ্ণয় কৰে বাস্তৱৰ তাৎপৰ্য্য। মৃত্যু অবিহনে যিদৰে জীৱন মূল্যহীন জীৱন অবিহনেও বাস্তৱৰ কোনো মূল্য নাই। সত্যৰ সংজ্ঞা দুটা বাস্তৱ আৰু স্মৃতি। বাস্তৱৰ লগে লগে সংগ্রামৰ ফলত সত্যৰ জন্ম হয়, পৰিৱৰ্তন হয় জটিলো হয়। বাস্তৱ উন্নতি হলেহে সত্যৰ উন্নতি লক্ষ্য পৰিৱৰ্তন হয়, জটিলো হয়। কেৱল বৰ্ত্তমান নহয়, ভৱিষ্যত নহয় ই যেন চিৰ প্রবাহমান সময়ৰ সোঁতত। ইয়াত সঞ্চিত হৈ আছে আশা, বেদনা আৰু স্মৃতি।

চেতনাৰ পিছতে মানুহৰ আটাইতকৈ মূল্যবান সম্পদ হ’ল স্মৃতি। স্মৃতিয়ে মানৱ সত্ত্বাক জীয়াই ৰাখে। আমি স্মৃতিৰ পাদস্পদত মৃত্যুৰ পথৰ ধাৱবান, তাৰ বাহ্যিক প্রকাশ চকুপানী আৰু তেজ চকুপানীৰ উৎস হ’ল হৃদয়, চকু পানীৰ উৎস হ’ল মানৱতা, চকুপানী নিৰ্গত হয় স্বৰ্তস্ফুতঃভাৱে, হৃদয়ৰ প্রেৰণাত। সেই কাৰণে সি পৱিত্র আৰু সত্য। কিন্তু তেজ ওলায় বাহিৰৰ আঘাতত, হিংসাৰ আঘাতত সি অশুচি আৰু অসত্য। যদি তেজে স্বইচ্ছাৰে কাৰোবাৰ স্থবিৰ জীৱন গতিশীল কৰি দিব পাৰে তেতিয়াহলে তেজ চকুপানীতকৈ বহুগুণে পৱিত্র হব।

“তোমাৰ যিমানখিনি শক্তি আছে, জীৱনে কেৱল সিমানখিনিয়েই দাবী কৰে। এটা মাত্র বীৰ তোমাৰ পক্ষে সম্ভৱ কেতিয়াও পলাই নাযাবা।”





“নিজকে সদায় উপায় বুলি গণ্য কৰিবা। সেই কাৰণে যিটো লক্ষ্য বা যিটো কাম বাছি লোৱা তাতকৈ নিজকে বেছি গুৰুত্ব নিদিবা। কোনো এজনক একান্তভাৱে ভালপোৱা, এজনৰ বাবে গভীৰ প্রেমত সকলো বিসৰ্জন যদি দিব পাৰা তেন্তে তুমি স্বৰ্গ ঢুকি পাইছা” ; ই জীৱনৰ এক মহৎ অভিজ্ঞতা। “যি আত্মোসৰ্গ কৰিব বিচাৰে তেওঁ উৎসৰ্গিত হব নিজৰ হৃদয়ৰ পৱিত্রতাৰ অনুপাতে”।

“মই আন সকলোৰে বাবে বিচাৰো সুখ আৰু নিজৰ বাবে নিসংগতা আৰু শান্তি।”

পোৱা নোপোৱাৰ সগ্রামৰ নামেই জীৱন।।

পাই হেৰুৱাৰ নাম দুখ !
নোপোৱাৰ বেদনাত সান্ত্বনা লোৱাৰ নাম সুখ,
যন্ত্রণাত ঝংকৰিত ওঁঠ যুৰিৰ কম্পনৰ নাম হাঁহি।
শৈশৱৰ পৰা বাল্য .... বাল্যকালৰ পৰা কৈশোৰ....
কৈশোৰৰ পৰা যৌবন..... যৌবনৰ পৰা বৰ্ত্তমান...
এই এনাজৰীডালৰ নামেই প্রেম, সংঘৰ্ষৰ মুখা-মুখিৰ নাম সাহস....

জাগ্রত অৱস্থাত দেখা সপোনৰ নাম লক্ষ্য আৰু জীয়াই থকা প্রকৃত সুত্রৰ নাম উদ্দেশ্য।

ঃ ঃ ঃ ঃ

☐ হোমেন বৰগোহাঞিও আৰু অনুৰাধা শৰ্মা পূজাৰীৰ লিখনিৰ পৰা সহায়লৈ

---

## কৌতুক

শ্রীদীপা হাজৰিকা
প্রথম বৰ্ষ (কলা)

১) অৰুন ঃ দেউতা মই কিন্তু তোমাক মোৰ বিয়ালৈ নামাতো ।
দেউতাক ঃ কিয় সোণটো ?
অৰুণ ঃ কিয় তুমি মোক তোমাৰ বিয়ালৈ মাতিছিলা জানো ?

২) শ্রেণীত শিক্ষকে দাৰি, কমা, চেমিকলন আদিৰ বিষয়ে বুজাবলৈ সুধিলে - ৰঘু, ক’চোন দাৰি ক’ত হয় ?
ৰঘু ঃ ছাৰ, আপোনাৰ মুখত হয় আকৌ। সেইটোও সুধিব লগা কথানে ?

৩) এদিন পিণ্টুৱে স্কুলৰপৰা আহিয়েই কিতাপ বহী থৈ ঘৰৰ বাৰাণ্ডলৈ ওলাই আহি আঠু কাঢ়ি থকিল তাকে দেখি মাকে সুধিলে - “তুমি আঠু কাঢ়ি আছা কিয়?
পিণ্টুৱে উত্তৰ দিলে, আপুনিয়ে দেখোন কৈছিল, স্কুলত কৰি অহা কাম ঘৰতো কৰিব লাগে বুলি।

# লোক বিশ্বাসত অসমীয়া সমাজ

(প্ৰবন্ধ)

শ্ৰীনীলাক্ষী কাকতি
স্নাতক ২য় বৰ্ষ (ক'লা

লোক জীৱনৰ লগত লোক বিশ্বাসবোৰ পৰম্পৰাগত ভাবে প্ৰৱাহিত হৈ আছে। লোক বিশ্বাসবোৰ লোক সংস্কৃতিৰে এটা অংগ। বিশেষকৈ কৃষিজীৱি গ্ৰাম্য সমাজত এই কথাৰ গুৰুত্ব স্পষ্ট ৰূপত ফুটি উঠে। লোক বিশ্বাসবোৰ এক এৰাব নোৱাৰা পৰম্পৰা। এই লোক বিশ্বাসবোৰৰ কোনো এক নিৰ্দিষ্ট উৎস নাই। আমি যিবোৰ দেখিছো সেই সকলো বস্তুকেই সামৰি লোৱাৰ উপৰিও ই কেতিয়াবা কল্পনাময় জগতকো অন্তভূৰ্ক্ত কৰি লয়। অসমীয়া সমাজৰ লোক বিশ্বাসবোৰ এনে কিছুমান বিশ্বাস, যিবোৰ যুগৰ পৰিবৰ্তনৰ গতিত পৰিবৰ্ত্তন হৈছে যদিও সেইবোৰৰ প্ৰভাৱ লুপ্ত হৈ যোৱা নাই। কৃষি প্ৰ ধান গাৱলীয়া সমাজত লোক-বিশ্বাসবোৰ যদিও সৰল তথাপিতো তেওঁলোকৰ আধ্যাত্মিক সমাজিক জীৱনৰ চিন্তা শক্তি, কল্পনা আদিৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে - তেওঁলোকৰ এই বিশ্বাসবোৰৰ মাজত সোমাই পৰিব লাগিব। এই লোক বিশ্বাসৰ মাজত অৰ্থ শাস্ত্ৰীয় নাইবা বৈজ্ঞানীক মূল্যৰ বৰগুনি নিৰ্ণায়ক বিশ্বাসো যে নাই তাক সহজে অস্বীকাৰ কৰাতো এক কঠিন কাম। এই লোকবিশ্বাসবোৰ আজিৰ যুগৰ অনুসন্ধিৎসু গৱেষকৰ বাবে এক গবেষণাৰ বিষয় হিচাপে ধৰা দিছে।

অসমীয়া জাতীয় জীৱন প্ৰ ধানকৈ কৃষিৰ ওপৰত প্ৰতিষ্ঠিত। সেই হেতুকে বিশেষকৈ কৃষি-যাত্ৰা ৰোপন প্ৰণালী, জাতৰ পৰিবৰ্তন প্ৰণালী প্ৰতিৰক্ষা প্ৰাণালী আদিৰ সম্বন্ধে অসমীয়া সকল মাজত অতীতৰে পৰা চলি অহা কিছুমান প্ৰবাদ এ ধৰণৰ ঃ প্ৰথমে মাটিত হাল বাওঁতে মাটি আৰ গৰুক প্ৰণাম জনাই হালত ধৰিব লাগে। হা জোৰোতে পূব মুখকৈ জুৰিব লাগে। আহুধান শ বা মঙ্গল বাৰে ছটিয়াব লাগে। আহুধান আৰ মৰাপাট একেলগে ছটিয়াব নাপায়। লক্ষ্মী নেওচ দিয়ে। ধানৰ গুছি লোৱা মানুহজন গুছি লবৰ দিন দিনত শুব নাপায়, শুলে ধানবোৰ বাগৰি পৰে। সঁচ বীধান ৰখা টোপাটো বন্ধা খেৰ পুৰিলে ধানবো পুৰি যায়। ধানৰ মাজত শৌচ কৰিলে ধানত পোৰে ধৰে। ধানৰ বাহিৰে আন কোনো বস্তু নাৰিকল তামোল, জলা, বেঙেনা আদি খায় বৈ উঠি ৰুলে বেছি ফল পায়। ৰঙালাও আদি ৰোওতে চেনি ব মিঠে খাই ৰুব লাগে। তেতিয়া লাও বোৰো মিঠ হয়। পানীলাও যদিহে গাঁঠিয়ে গাঁঠিয়ে লাগে তেন্তে গৃহস্থৰ কোনো অমংগল হয়। নীলাজী বা ধুন্দুলি বাৰীৰ সন্মুখত ৰুলে বেছি ফল দিয়ে। কোমোৰা বেছিকৈ লাগিলে সেই বছৰ গৃহস্থৰ খেতি বাতি ভাল হয়। এডাল কলগছত দুথোক কল হলে গৃহস্থৰ অমংগল হয়। কল পাৰোতে কলবোৰ ভাত খোৱাৰ আগতে পাৰিব লাগে। যিকোনো বস্তু ছিঙোতে খৰাহি বা পাচিত ছিঙিব লাগে। তেনে কৰিলে খৰাহিয়ে খৰাহিয়ে ফল পায়।





তামোল নাৰিকল ৰোপন কৰোতে ল'ৰা ছোৱালী কোলাত লৈ ৰোপন কৰিব লাগে, তেনে কৰিলে কোলা-কোলি ফল পায়। তামোল পুলি ঘুৰি ঘুৰি ৰুলে, সেই তামোল লাগিলে তাক খালে মুৰ ঘুৰায়। চুৱা মুখে পাণ চিঙিলে পাণগছ মৰে। নাৰিকল খাই উঠি তামোল ৰুলে সেই তামোল নাৰিকলৰ দৰে মিঠা হয়। ৰাতি যিকোনো বস্তু ছিঙি আনিব নাপায়। অগত্যা আনিব লাগিলেও 'গৃহস্থ গৃহস্থ' বা "ঘৰৰ মানুহ ঘৰৰ মানুহ" বুলি কব লাগে।

খেতিৰ মাজত যিকোনো মূৰ্ত্তি বা ছোঁ আঁৰি দিলে সেই খেতিত মানুহৰ মুখ লাগিব নোৱাৰে। এই প্ৰথা ভাৰতৰ আন আন ঠাইতো আছে। ইংৰাজীতে ইয়াক "Scare-crow" বোলে।

অসমীয়া সমাজ জীৱনত গৰুৰ বাহিৰেও অসমত নানাধৰণৰ পশু-পক্ষী, কীট-পতঙ্গ আছে। সেইবোৰৰ গতিবিধি মাত-বোল লক্ষ্য কৰিলে আমি দেখা পাওঁ এনেধণৰ ঃ জন্তুৰ ভিতৰত অকল গৰুক লৈয়ে অনেক লোক বিশ্বাস আছে। এইবোৰ হ'ল 'গোলক্ষ্মী মহালক্ষ্মী"। গৰুক লৈ এনেধৰণৰ বহু বিশ্বাস আছে যেনে - গৰুৰ পিঠিত উঠিব নাপায়, গৰুক পঘাৰে কোবাব নাপায়, নতুনকৈ অনা গৰুক মজিয়াৰ মাটি খুৱাব লাগে তেতিয়া হ'লে যি কোনো দিনে ঘৰ নেৰে। দীঘল নেজীয়া গৰু মৈত কুঁজা নহয়। হালোৱা গৰুৱে আগভৰি নিজৰ বুকুত মাৰিলে গৃহস্থৰ অমংগল হয়। গাখীৰ দিয়া চাহত নিমখ দি খালে দামুৰীৰ গাৰ ছাল যায়। গোহালীত গৰু থাকিলে ভিক্ষাৰীক ভিক্ষা দিব নাপায়।

পশু-পশী সম্পৰ্কীয় বিশ্বাস ঃ গড়ৰ খড়্গৰ খোচাত মানুহ মৰিলে স্বৰ্গ পায়। কুকুৰক বাঘৰ তেল খুৱাই দিলে বাঘৰ নিচিনা চোকা হয়। মেকুৰী গাত চুৱা নাই। চোতালত শিয়ালে হোৱা দিলে অমঙ্গল হয়। নেউলে সাপৰ ঔষধ চিনি পায়।

ফেঁচাই নিউ নিউ কৈ মাতিলে কাৰোবাৰ প্ৰাণ হানি হয়। আকৌ ফেঁচাই ঘৰৰ ওপৰত উৰুলি দিলে কাৰোবাৰ বিয়া হয়। এটা শালিকা দেখিলে বেদনা হয়। দুটা দেখিলে প্ৰীতি হয় তিনিটা দেখিলে চিঠি আহে চাৰিটা দেখিলে ল'ৰা দেখা পায়। ইংৰাজীত ইয়াক কয় "One for sorrow, two for joy, three for letter, four for boy." পাৰ চৰাই বেচোঁতে মূৰৰ পাখি কেইটামান উভালি বাহত ভৰাই থব লাগে। ডাকিনী চৰায়ে মাতিলে কলেৰা বেমাৰ আহে। ঘৰত শগুণ পৰা বেয়া। দাউক চৰাই খাব নাপায় ; ই হৰি ভক্ত। কুপতি চৰাই খাব নাপায় ; খালে সাত জনম মূৰ্খ হয়।

কীট পতঙ্গ ঃ "সাপে খাই লেখি ; বাখে খাই দেখি ' বুলি এটা লোক বিশ্বাস আমাৰ সমাজত আছে। মানুহৰ গাত সাপ উঠে যদি তেতিয়া সেইজন মানুহৰ উন্নতি হয়। ৰাতি সাপক 'সাপ' বুলিব নাপায় ; পোকা বুলিব লাগে। মুখত মাখি পৰিলে শীঘ্ৰে বেমাৰ হয়। পিপৰা খালে সাতুৰিব পাৰে। সন্মুখত জেঠীয়ে টিক-টিকালে 'সইত সইত' বুলিব লাগে ; কিয়নো জেঠী ত্ৰিকালজ্ঞ। ৰাতি জোনাকী পৰুৱা ঘৰত সোমালে সেই ঘৰৰ কাৰোবাৰ শৌচ কৰা লাগে। মহ বেছিকৈ পৰিলে বৰমুণ হয়।

বেমাৰ আজাৰ সম্বন্ধে সামাজিক তৎপৰতা আৰু পূৰ্ব্বভাষ ঃ জুইত থু পেলালে মুখৰ ঘাঁ হয়। ৰাতি আঙুলি মোট ভাঙিলে বেমাৰ হয়। ঘৰত উৰহ হ'লে বেমাৰ হয়। মানুহৰ গাৰ ওপৰেৰে চেৰাব নাপায়, ; খহু হয়। গোবৰত পেচাব কৰিলে জ্বৰ হয়। গৰুৰ ওপৰত বহিলে তপিনাত খৰ হয়।

মানুহৰ বিষ্ঠাৰ ওপৰত উঠা মাটি গচকিলে ভৰিত কপাহ-গুটীয়া হয়। কুকুৰে কামুৰিলে উৰহি কৰ্দৈ গছৰ তলেৰে যাব নাপায়। পকা কলৰ ভিতৰত জোনাকী পৰুৱা সুমুৱাই খুৱালে কুকুৰী কণা ৰোগ ভাল হয়। ধৰ্ম সম্বন্ধীয় লোক বিশ্বাস ঃ গোসাঁই ঘৰত ওখ আসনত বহিব নাপায়। গোসাইৰ আগত আঠু ললে গলত গামোচা লব লাগে। আইনাম ধৰিলে বসন্ত ৰোগ আৰোগ্য হয়। সৰু ল'ৰা ছোৱালীৰ গাত গোসাঁই থাকে। শ্ৰাদ্ধত বহাৰ সময়ত মুৰ ফনিয়ালে পিতৃলোকে অসন্তুষ্ট হয়। পিতৃ-মাতৃৰ কৰ্মফল সন্তানাদিয়ে ভোগ কৰে।

এনে ধৰণৰ বিভিন্ন লোক বিশ্বাস আমা[ৰ] সমাজত পৰম্পৰা মতে প্ৰবাহিত হৈ আছে। ওপৰোক্ত আলোচনা মাথো অসমীয়া সমাজত দেখা কিছুমান[ৰ] লোক বিশ্বাস খোদিত কৰাৰ প্ৰয়াস কৰা হ'ল যদি[ও] এনে বহুত লোক বিশ্বাস আজিৰ সমাজত প্ৰায় লু[প্ত] হৈ পৰিছে। কাৰণ বৈজ্ঞানীক ভিত্তিত কিছুমা[ন] বিশ্বাসক অন্ধ বিশ্বাস বুলি প্ৰমাণিত কৰিছে[।] তথাপিতো আমাৰ সমাজত এই লোকবিশ্বা[স] প্ৰবাহমান কালৰে পৰা প্ৰবাহিত ; সময় পৰিবৰ্তনশী[ল] হলেও লোকবিশ্বাসবোৰ অসমীয়া জনমানস[ত] এতিয়াও জ্ঞাত বা অজ্ঞাতে প্ৰবাহিত হৈ আছে।

ঃ ঃ ঃ ঃ

## কৌতুক

শ্ৰীনিৰ্মালী বড়[...]
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

১) ৰোগী ঃ ডাক্তৰ মোৰ চুলিবোৰ বৰকৈ সৰিবলৈ লৈছে। চুলিবোৰ ৰখাৰ কোনো ব্যৱস্থা কৰিব নোৱাৰেনে ?
ডাক্তৰ ঃ ৰোগীৰ হাতত এটা খালি কাগজৰ বাকচ তুলি ক'লে ঃ ইয়াতে ৰাখিব।

২) শিক্ষক ঃ কচোঁন ৰমেন চেনি কল ক'ত ?
ৰমেন ঃ আমাৰ বাৰীৰ পিছত ছাৰ।
শিক্ষক ঃ খালি, খালি
ৰমেন ঃ নাই খোৱা ছাৰ, পকিলেহে খাম ।





# অসীমৰ বুকুৰ পৰা মনৰ ৰাজ্যলৈ

(ড° এলবাৰ্ট আইনষ্টাইন)

(প্ৰবন্ধ)

শ্ৰীজিণ্টি শইকীয়া
উঃ মাঃ ১ম বৰ্ষ (ক'লা)

জহকালি নিতৌ পুৱা, শলাত লগোৱা আইচক্ৰিম চুপি চুপি, ন-বজাৰ আগে-আগে বতাহত টৌ খেলা চুলি লৈ বিজ্ঞানাগাৰৰ ফালে গৈ থকা মানুহজনেই হ'ল আইনষ্টাইন। সৰুতে স্কুলত অঙ্কৰ লগত যুজি অঙ্ক নোৱাৰি ভাগৰি পৰি শিক্ষকৰ নিৰাশৰ বানী শুনা ল'ৰাজনে গোটেই জীৱনটো কৃতিত্বৰে অঙ্ক কৰিলে। অঙ্ক দেখিলে বাঘ দেখা দি দেখা ল'ৰাটোৱে পৃথিৱীৰ বুকুত বিজ্ঞানৰ অমৰ ভেটিৰ বান্ধি যুগান্তৰ সৃষ্টি কৰিলে। এয়েই হ'ল বিশ্ববিখ্যাত মনীষী ড° এলবাৰ্ট আইনষ্টাইন।

আইনষ্টাইনৰ জন্ম হৈছিল ১৮৭৯ চনৰ ১৪ মাৰ্চৰ দিনা। জামনী দেশত জন্মগ্ৰহণ কৰি জামানী দেশতে বৈজ্ঞানিক জীৱনৰ পাতনি মেলিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁ সাধাৰণ ইহুদি পৰিয়ালৰ ল'ৰা আছিল বাবে জামনীত জীৱন কটাব নোৱাৰিলে। অকালতে স্কুলৰ পৰা বিদায় লৈ চুইজাৰলেণ্ডত পুনৰ ছাত্ৰ-জীৱন আৰম্ভ কৰি তাতে জুৰিচ বিশ্ববিদ্যালয়ৰ পৰা ডক্তৰেট উপাধি লাভ কৰে। চুইচ পেটেন্ট অফিচ এটাত পৰীক্ষকৰ চাকৰি এটা যোগাৰ কৰি ১৯০২ চনৰ পৰা ১৯০৫ চনলৈ কৰা গৱেষনাৰ ফলস্বৰূপে অপেক্ষবাদৰ বিশেষ তথ্য জগতবাসীৰ আগত দাঙি ধৰে। ১৯১৬ চনত অপেক্ষবাদৰ সাধাৰণ তথ্য বুলি এটি অভিনৱ বৈজ্ঞানিক সিদ্ধান্ত উলিয়াই আইষ্টাইনে নিউটনৰ পুৰণি সিদ্ধান্ত তল পেলালে। বৈজ্ঞানিক আইনষ্টাইনক বিশ্ববাসীয়ে ১৯২১ চনত সন্মান জনালে নোবেল পুৰস্কাৰেৰে সন্মানিত কৰি।

আনৱিক শক্তিৰ কথা আনৱিক বোমাৰ কথা আজি পৃথিৱীৰ প্ৰত্যেকৰে মুখে মুখে। হিৰোশ্বিমা, নাগাচাকি শেষ কৰি দিয়া আনৱিক বোমাৰ কথা আইনষ্টাইনে হয়তো ভৱা নাছিল, কিন্তু তেওঁৰ গৱেষনাৰ বস্তু আছিল আনৱিক শক্তি। আইনষ্টাইনৰ গৱেষনাৰ মূল সূত্ৰ হ'ল - $E = mc^2$। ইয়াৰ ওপৰতে ভিত্তি কৰি তেওঁ আনৱিক যুগৰ সূচনা কৰিছিল - হিৰোশ্বিমা, নাগাচাকিত মানুহৰ বুকুৰ আৰ্ত্তনাদ তুলিবলৈ নহয়, মানুহক প্ৰগতি পথৰ সন্ধান দিবলৈ, মানুহক শান্তিৰ বানী শুনাবলৈ। কিন্তু তেওঁৰ ৭৫ বছৰীয়া জীৱনত তাকে দেখি নগ'ল। এয়েই বৈজ্ঞানিক আইনষ্টাইনৰ অন্তৰৰ দুখ। সেইকাৰণেই শেষ বয়সত মানৱজাতিৰ কল্যান সাধন কৰিবলৈ আইনষ্টাইনে ভাগি যোৱা অন্তৰেৰে জগতবাসীক আহ্বান জনাইছিল।

আনৱিক শক্তিৰ যাতে ভাল ব্যৱহাৰ হয় তাৰ বাবে জগতবাসীক তেওঁ শকিয়াই গৈছে। তেওঁৰ মতে, আনৱিক শক্তিৰ জ্ঞান, গাৱে ভূঞে বিতৰন কৰি দিব লাগিব। আইনষ্টাইনৰ মতে বিজ্ঞানে আনৱিক বিপদ মাতি আনিলেও প্ৰকৃত সমস্যা মানৱ মনতে লুকাই আছে. যন্ত্ৰৰ দ্বাৰা হৃদয় পৰিৱৰ্ত্তন নহয়। নিজে নিজৰ হৃদয় পৰিৱৰ্ত্তন কৰা

সহজ। যুদ্ধ আৰু শান্তি দুয়োটাৰ বাবে একেলগে পৰিকল্পনা কৰা অতি জটিল কথা। পৃথিবীত শান্তি প্ৰতিষ্ঠাৰ কাৰণে সংগঠিত হোৱা যি কোনো কৰ্তৃত্ব সম্পন্ন শক্তিৰ ওচৰত আনুগত্য স্বীকাৰ কৰিবলৈ পৃথিৱী সাজু হ'ব লাগিব। এয়ে আছিল শান্তি সম্পৰ্কে দিয়া আইনষ্টাইনৰ দৃঢ় অভিমত।

এটম বোমাৰ জনক হলেও গান্ধীজীয়ে পৰিকল্পনা কৰা শান্তিৰ পৃথিৱীখনত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিবলৈ আইনষ্টাইনে শেষ বয়সত কম যত্ন কৰা নাছিল। আইনষ্টাইনৰ ভ্ৰমনৰ অভিজ্ঞতা বৰ বেছি আছিল। জ্ঞান আহৰণৰ কাৰণে তেওঁ পৃথিৱীৰ প্ৰায় ইমুৰৰ পৰা সিমুৰলৈকে ভ্ৰমণ কৰিলে। ব্যক্তিগত ৰাজনৈতিক ক্ষমতাৰ প্ৰতি গান্ধীজীৰ দৰে তেওঁৰো অকনো মোহ নাছিল। সেয়েহে ইজৰাইলৰ প্ৰেচিডেণ্ট পদ লবলৈ তেওঁ অস্বীকাৰ কৰিছিল। তেওঁ বহুতো কিতাপ লিখিছিল। এইবিলাকতো তেওঁ বিশ্ব শান্তি গণতন্ত্ৰ, মানৱ প্ৰেম আদি বিষয়ত যথেষ্ট গুৰুত্ব দিছিল। বিজ্ঞানৰ যুগান্তৰকাৰী আইনষ্টাইন আছিল তেনেই সহজ সৰল মানুহ। প্ৰিঞ্চটন চহৰৰ বিজ্ঞানাগাৰত সহজ-সৰল শান্তিপূৰ্ণ মন এটা লৈ বিশ্ব ব্ৰহ্মাণ্ডৰ সিপাৰে কি আছে চোৱাৰ সন্ধানত চব্বিশ পৃষ্ঠা জোৰা ইকুৱেশ্যন কৰি আইনষ্টাইন সোমাই থাকে।

আজি আইনষ্টাইন নাই। ১৯৫৫ চনৰ ১৮ এপ্ৰিলৰ দিনা আইনষ্টাইনৰ মানৱীয় দেহাৰ অৱসান ঘটিল। অসীমৰ সীমাৰেখা টানি বিজ্ঞান জগতত নতুন পোহৰৰ ৰেখাপাত পেলাই মানৱ মনত শান্তি বানী প্ৰচাৰ কৰোঁতা বিজ্ঞানৰ যুগান্তকাৰী মনীষী আইনষ্টাইনৰ নাম কিন্তু অজিও অমৰ হৈ আছে।

: : : :

## মহৎ লোকৰ বানী

সংগ্ৰহ - চিন্কা চামুৱা
উঃ মাঃ প্ৰথম বৰ্ষ

১) ভদ্ৰলোক হৈ জন্মগ্ৰহণ কৰাটো এটা আকষ্মিক ঘটনা মাত্ৰ। কিন্তু ভদ্ৰলোক হৈ মৰিব পৰা নিজ সাধনাৰ ফল।
- বব গডাৰ্ড

২) পৃথিৱীত ইমান বেছি বস্তু আছে - যিবোৰ মই সমুলি নিবিচাৰো।
- চক্ৰেটিছ





# 'সংগ্ৰাম জীৱনৰ আন এটি নাম'

(গল্প)

শ্ৰীবিৰাজ বৰা
স্নাতক ২য় বৰ্ষ (ক'লা)

ব ৰষুণ জাক ঝিম্ ঝিম্ কৈ পৰি আছিল। একেৰাহে তিনিদিন ধৰি বৰষুণ পৰিয়েই আছে। বতৰটো বৰ গোমা। ফনিধৰে আকাশৰ পিনে চাই চাই মুখেৰে ভোৰ-ভোৰাই থাকিল। তিনিদিনীয়া কিন্‌কিনিয়া বৰষুণ জাকে সকলো পামাল কৰি দিলে। বাটপথত ওলাব নোৱাৰা বোকা হ'ল। গোটেইখন পানীৰে চপচপীয়া হল। কি কৰা যায় এতিয়া। কণা গোসাইটোৰো আৰু অলপো দয়া নোহোৱা হ'ল। মৰিবহে লাগিব এতিয়া।

ফনিধৰে নাৰিকলৰ বেপাৰ কৰে। গৰমৰ দিনত মানুহৰ বাৰীৰ নাৰিকলৰ গছত উঠি ডাব পাৰি আনে। লাভো হঁয় ভালেই। আগতে ভাৰ বৈ ডাব কঢ়িয়াই নিয়ে। কান্ধেৰে কঢ়িওৱাতকৈ চাইকেলত বেছি নিব পাৰে। সেয়ে আগতকৈ লাভো হয় বেছি। কষ্টও কিছু কম হয়। কান্ধৰ বিষ কম হয় যদিও ভৰিৰ বিষ হলে বেছি হয়। যোৱাবাৰ লাভৰ টকা গোটাহি কৰি তিনিশ টকাত পুৰণা চাইকেল এখন কিনিছিল। সেইখন চাইকেলেৰে আজিও নাৰিকল কঢ়িয়াই আছে। মাজে মাজে চাইকেলখন বেয়া হলে মেকানিকৰ তাত পইচা খৰচ কৰি ভাল কৰিব লগাও হয়।

তিনিদিনৰ আগতে বহুতখিনি ডাব নাৰিকল গৃহস্থৰ বাৰীৰ পৰা পাৰি আনি জমা কৰি থৈছিল। বৰষুণৰ বতৰ বাবে টাউনলৈ বেছিবলৈ নিব পৰা নাই। সেইকেইদিন অতিপাত গৰম আছিল। সাধাৰণেতে ৰ'দ চোকা হলে ডাব নাৰিকলৰ বিক্ৰীও হয় ভাল। গ্ৰাহকে দামৰ কথা চিন্তাই নকৰে। যি দাম কোৱা হয় তাকেই দি গৰমত তৃষ্ণা দূৰ কৰে।

তাৰ কপাল বেয়া। একেৰাহে কেবা দিনা নেৰা নেপেৰা বৰষুণ হ'ল। তিনিদিন ধৰি সূৰ্য্যই নেদেখা হ'ল। অহা কালিৰে পৰা আকৌ অসম বন্ধ। একেৰাহে তিনিদিন ধৰি হেনো অসম বন্ধ হব।

কোনোবা এম এল এ এজনক হেনো উগ্ৰপন্থীয়ে গুলিয়াই হত্যা কৰিলে। আকৌ কোনোবা সাহিত্য সভাৰ সভাপতি এজনক উগ্ৰপন্থীয়ে হত্যা কৰাৰ কাৰণে হেনো পিছ দিনাখনো অসম বন্ধ দিছে। তাৰ পিছদিনাখন আকৌ কিহৰ বা বন্ধ ঘোষণা কৰিলে। নাই আমাৰ দৰে ক্ষুদ্ৰ বেপাৰী বিলাকে এনেকুৱা বন্ধ ৰাজ্যত কেনেকৈ জীয়াই থাকিম বাৰু ? ইয়াৰ পিছতো আৰু কি হয়বা আকৌ?

এবাৰ এনেকৈ নাৰিকল বেছিবলৈ যাওতে বেয়াকৈ লটি ঘটি হোৱা কথা মনত আছে। কাছাৰী ঘাটত নাৰিকল বেছি থকা সময়তে এটা গণ্ডগোল হ'ল। পুলিছে এফালৰ পৰা মানুহবোৰ খেদি আনিছে। লাঠিৰে কোবাই কিছুমানৰ হাতভৰি ভাঙি বগৰাই দিছিল। খেদি অনা মানুহ জাকৰ মাজতে সিয়ো নাৰিকল খিনি এৰি থৈ পুলিছৰ কোবৰ পৰা হাত সাৰিবৰ কাৰণে দৌৰিব ধৰিছিল। দেহাতোচোন ঘুণীয়া কৰিব নোৱাৰি। গণ্ডগোল কমাত ঘুৰি আহি

দেখিলে তাৰ বেছিবলৈ লোৱা নাৰিকল খিনিৰ এটাও নাই। যিয়ে যেনেকৈ পাৰে তেনেকৈ বুটলি লৈ গ'ল। সেইদিনাখন তাৰ বাৰুকৈয়ে লোকচান হ'ল। যি খিনি লোকচান হ'ল তাক পূৰা কৰোতে ভালেখিনি সময় ললে।

আকাশলৈ চাই চাই সি সেইবোৰকে চিন্তা কৰি আছিল। মাজতে ঘৈণীয়েক আহি গোচৰ দিলেহি আজি খোৱা বোৱাৰ একো যোগাৰ নাই। কি ব্যৱস্থা কৰে কৰক। ঘৰতে এনেকৈ জুপুকা মাৰি বহি থাকিলে চলিবনে ? ক'ৰবাৰ পৰা বাকী চাকী কৰি হলেও চাউল সাজৰ যোগাৰ কৰক, নহলে লঘোনে থাকিব লাগিব। যোৱাকালিৰ ৰাতি একোখনকৈ শুকান ৰুটি ফিকা চাহেৰে খাই আছো।

ঘৈণীয়েক অমলাৰ মাতত তাৰ সম্বিত ঘুৰি আহিল, তাইলৈ কেৰাহীকৈ চাই ৰ'ল। ৰমলাজনীকো সি আজিলৈ একো এটা দিব পৰা নাই। বেচেৰী, সঁচাকৈ আগতকৈ ক্ষীণাই গৈছে। আগৰদৰে তাৰ লগত হাঁহি স্ফুৰ্টিৰে কথা নকয়। অভাব অনাটনে তাইৰ মনটো অতি দুৰ্বল কৰি তুলিছে। ঘৰখনৰ পাঁচটিকৈ পৰিয়াল চলাটোৱেই টান হৈ পৰিছে। এনেকৈ যদি ঘনাই বন্ধবোৰ হৈ থাকে নাইবা প্ৰকৃতিয়েও বাধা দিয়ে তেনেহলে আমিবোৰ সংসাৰত টিকি থাকিম কেনেকৈ। ল'ৰা ছোৱালী হালকো সিহঁতৰ প্ৰয়োজনীয় বস্তুখিনি যোগান ধৰিব পৰা নাই। লাহে লাহে সিহঁতৰ মাজত জন্ম লাভ কৰা আইজনীও গাভৰু হৈ অহাৰ লগে লগে কোনোবা এটা সুযোগ্য ল'ৰাৰ হাতত অৰ্পন কৰিব লাগিব। আজি কালিকৈ তায়ো বিয়া দিবৰ বয়স পালেহি। ভাগ্য ভাল গুণে হে সিহঁতৰ সংসাৰখন সীমিত হ'ল। আজি কালি গাভৰু ছোৱালী বিয়া দিয়াত যিহে সমস্যা হ'ল। উপযুক্ত পাত্ৰ এজন পোৱাটোও ভাগ্যৰ কথা। হওতে তাই দেখাই শুনাই ভালেই।

পঢ়াটো বেয়া নহয়। অহা বছৰ হাইস্কুলৰ শেষ পৰীক্ষা দিব। পাছ কৰাৰ পাছত কলেজত পঢ়োৱ কথাটো ভবাই নাই। কিবা কৰি বিয়াখন দি পাৰিলেই ৰক্ষা। বিয়া বাৰু কেনেকৈ দিব ? টক পইচাও বহুত লাগিব। আজিকালি যিহে প্ৰতিযোগিতা যুগ। ছোৱালীৰ লগত যৌতুক দিব নোৱাৰিলে বিয় নিদিয়াই ভাল। পৰা সকলে দিব। দুখীয়া হলেও আৱশ্যকীয় খিনিতো দিব লাগিব। ঘৰত বিবাহযোগ গাভৰু ছোৱালী থকিলে অতি ভাল নহলেও কি উন্নত ঘৰ এটাৰ আৱশ্যক লগতে ঘৰ সজোৱা কি সামগ্ৰী। ভগা চিগা ঘৰত কোনে বিয়া কৰাবলৈ আহিব, সি ভাল এটা ঘৰৰ মনতে কল্পনা কৰে কল্পনা কৰি সি ভাল পায়।

সি দেখিছে সি বাস কৰা গাওঁখন বহুকেইজনী ছোৱালীৰ বিয়াৰ বয়স পাৰ হৈ গৈছে অঞ্জু, মঞ্জু, কমলা, নয়নমনিহঁতৰ বিয়াৰ বয়স আ নাই। বয়স কেতিয়াবাই পাৰ হৈ গৈছে। সিহঁত লগৰ একে বয়সৰ যি কেইজনী ছোৱালীৰ বিয়া হৈ গৈছে সিহঁতৰ ল'ৰা ছোৱালীৰ বিয়াৰ বয়স হৈছেহি তাৰ ঘৈণীয়েকৰ লগৰ ৰঞ্জীতাৰ বিয়া এতিয়া হোৱা নাই। দেখাই শুনাই স্বভাবে চৰিত্ৰই কা বনে সিহঁত কেইজনীনো কিহত পিছ পৰা ? ক বিধাতাই সিহঁত কেইজনীৰনো এনেকৈ জোৱা বা থোৱা নাছিলনে ? আনহাতে গাওঁখনত বিয়াৰ বয় প্ৰায় পাৰ হৈ যোৱা লৰাও কমটো নাই। মণিৰ বয় কমেও চল্লিছ বছৰৰ ওপৰত হ'ল। তাৰ লগ কনকৰ আজিও বিয়াৰ কথা আলোচনা হোৱা নাই নহয়ো। ৰন্তু, দীপ, ৰজনী ইহঁতৰোতোন বয়স ক হৈ থকা নাই। এৰা কেনেকৈনো বিয়া কৰাই লৈ বঢ়াই লয় ? বিয়া কৰাই এজনী চপাই ললে সেইখ ভাৰনো কেনেকৈ কঢ়িয়াব? ইমানখিনি লিখা প শিকি সিহঁতমখাৰ জীৱনৰ সংস্থাপন এটা নহ'ল





নহয়ো আৰু। চাকৰী বাকৰীৰ হেনো নিৰ্দিষ্ট বয়স এটা আছে। সিহঁতৰ বয়স পাৰ হৈ গৈছে। আন উপায় কৰিবলৈকো সিহঁতৰ সাহসো নাই সামৰ্থ্যও নাই। মোৰদৰেতো সিহঁতে কেচা নাৰিকলৰ ভাৰ কঢ়িয়াব নোৱাৰে। গাওঁখনৰ বহুত কেইজন ডেকা ল'ৰাৰ মনবোৰ বিদ্ৰোহী হৈ নিসিদ্ধ সংগঠনত যোগ দি আওঁ মৰণে মৰিল। যোগেন আৰু তৰুণে ডকাইটি কৰি ধন ঘটিবলৈ আগবাঢ়ি পুলিচৰ হাতত ধৰা পৰি জেলৰ ভাত খাব লগা হ'ল। জগদীশ বোলা লৰাটোক আলফা বুলি সন্দেহ কৰি মিলিটেৰীয়ে গুলিয়াই মাৰিলে। দেশখনৰ অৱস্থা কি যে হ'ল ! শান্তিৰে এটা দিনো নোযোৱা হ'ল।

এইদৰে ভাবি বহি থাকোতে তাৰ এৰি অহা জীৱনটোৰ কথা মনলৈ আহিল। ভিতৰুৱা গাওঁ এখনত তাৰ জন্ম। সৰুতেই তাৰ মাক ঢুকাল। বাপেক আনন্দই মনৰ দুখত যিখিনি মাটিবাৰী আছিল, সোপাকে বিক্ৰী কৰি পাঁচবছৰীয়া ফনিধৰক লগত লৈ গুচি আহিল। অ'ত ত'ত অনাই বনাই ঘুৰি ফুৰি এঘৰ মানুহৰ ঘৰত ফনিধৰক ভাত ঝপুৰীয়া কৰি থৈ দিলে। বাপেক আনন্দই ইঘৰত সিঘৰত হাজিৰা কাম কৰি কোনোমতে পেট প্ৰৱৰ্ত্তাই থাকিল। ফনিধৰে মহাজনৰ ঘৰত মহ চৰাব লগা হ'ল। গোটেই দিনটো মহৰ পিঠিত উঠি মহহাল চৰাই গধূলি হলে খুটিত বান্ধি থৈ ভাগৰি পৰে। পইতাই জকৰাই এগাল খাই শুই পৰে। এইদৰেই ডাঙৰ হ'ল। বছৰচেৰেক এনেকৈ থকাৰ পিচত সেই গাঁও খনত আমনি লগাত আৰু কোনো সংস্থাপনৰ জোগাৰ নোহোৱাত বাপেকে পুতেকক লৈ ওচৰৰ আন এখন গাৱলৈ আহিল। বাপেকে খেতি বাতি কামত পটু নাছিল। সেয়ে বেছিভাগ দিন বিনা কামত থাকিব লগা হৈছিল। মাজে মাজে লঘোণেই খাটিব লগা হৈছিল। পুতেক ফণিঘৰক এঘৰ মানুহৰ ঘৰত মাহে মাত্ৰ কুৰি টকাৰ বন্দবস্তত গৰুগাই চৰোৱা কামত ৰাখিলে। দুবছৰ মান থকাৰ পাচত হাতলৈ যেতিয়া সামান্য ধন আহিল সেইখিনিকে সি মূলধন হিচাবে লৈ মানুহ ঘৰৰ পৰা ওলাই আহিল। লোকৰ মাটিত নিজাকৈ এটা পঁজা সাজি বাপেক পুতেক দুয়ো থাকিবলৈ ললে। ফনিধৰে এইবাৰ আনৰ ঘৰত নাথাকি নাৰিকলৰ বেপাৰ কৰিবলৈ ললে। গছত উঠাত সি বৰ পাকৈত। সেয়ে যিমান ওখ নাৰিকল গছেই নহওক কিয় সি অনায়াসে উঠি নাৰিকল পাৰি আনে। কান্ধেৰে নাৰিকল কঢ়িয়াই উত্তৰ গুৱাহাটীৰ পৰা জাহাজেৰে পাৰ কৰি গুৱাহাটীৰ কাছাৰী ঘাট বা ফাঁচি বজাৰত বিক্ৰী কৰে। লিখা পঢ়া নাজানিলেও টকা পইচাৰ হিচাবত কোনেও তাক ভুল ধৰিব নোৱাৰে।

কেইবছৰমান এনেকৈ চলাৰ পাচত কমদামত পুৰণা চাইকেল এখনো কিনি ললে। তাৰ এতিয়া বেপাৰ কৰাত সুবিধা হ'ল। কষ্টও অলপ লাঘৱ হ'ল। তাৰ মাজতে হঠাতে বিয়াখনো হৈ গ'ল। বিধিমতেই বিয়াখন কৰালে। এইদৰে সি তাৰ সংসাৰৰ পাতনি মেলিলে।

দিন বাগৰি যায়। তাৰ সংসাৰখনলৈ দুটি সন্তান আহিল। এটি ল'ৰা আৰু আনজনী ছোৱালী। সিহঁতক লৈ সিহঁত বেছ সুখী। সিও আগতকৈ বেছি কষ্ট কৰে। কিন্তু মনত এটাই দুখ নিজাকৈ অকন মাটি লৈ এটা থকা ঘৰ এতিয়াও সাজিব পৰা নাই। আনৰ মাটিত সাজিব দিয়া বাবে এটি পজাঘৰ সাজি তাতেই তাৰ পৰিয়ালটি বাস কৰি আছে। বাপেক আনন্দও আজিকালি বেছি ফুৰাচকা কৰিব নোৱাৰে। যথেষ্ট বয়স হৈছে. বুঢ়াও কোনদিনা এই সংসাৰ ত্যাগ কৰি আতৰি যায় ঠিকনা নাই। বুঢ়া মৰাৰ পাচততো কাজ সকাম কৰিব লাগিব। এইদৰে ভাবি ভাবি সি দিশহাৰা হৈ যায়।

ঘৈণীয়েক অমলাই এনেকৈ জুপুকা মাৰি গিৰিয়েক বহিথকা দেখি পুনৰবাৰ খঙৰেই মনত পেলাই দিলে। জুপকা মাৰিয়েই থাকিব নে? নে কিবা এটা কৰিব ।

ঘৈণীয়েকৰ মাতত সি টোপনিৰ পৰা সাৰ পাই উঠা মানুহৰ দৰে চক্‌মক খাই উঠিল। বেলাও বহুত হ'ল। সি এনেকৈ বহি থকাটো ভাল হোৱা নাই। সিহঁতৰ যিয়েই নহওক ল'ৰা ছোৱালী হাল আৰু বুঢ়া বাপেকটোক এনেকৈ লঘোণে ৰাখিব নোৱাৰি।

সি হাতত বেগ এটা লৈ বৰুৱা চকৰ পিনে ওলাই গ'ল। যাওঁতে সি ভাবি গ'ল সি জগত দোকানীকে হাতে ভৰিয়ে ধৰি খোৱা বোৱাৰ সামগ্ৰীখিনি আনিব।

বৰুৱা চক পাই দেখিলে জগতৰ দোকানচোন বন্ধ ! এতিয়া সময় ভৰ দুপৰীয়া। সময় সি পাহৰিয়েই গৈছিল। জগতে দোকান বন্ধ কৰি দুপৰীয়াৰ ভাত খাবলৈ ঘৰলৈ গৈছে। সি জেপৰ পৰা বিড়ি এটা উলিয়াই জুইৰ বাঁহটো মাৰি জ্বলাই ললে।

টকাৰ চিন্তা আহিল। অজানিতে তাৰ হাতখন চোলাৰ জেপত সোমাল। সি জেপত থৈ পাহৰা কুৰি টকীয়া নোট এখন ওলাই আহিল। সি পোনে পোনেই বিনয়ৰ দোকানলৈ গ'ল। বিনয়ৰ দোকানৰ পৰা কেই পদমান বস্তু লৈ সি ঘৰমুৱা হ'ল। ঘৰ আহি পাই দেখিলে ঘৈণীয়েক ৰমলা তাৰ বাবে অপেক্ষা কৰি আছে। সি ঘৈণীয়েকৰ হাতত মোনাটো আগবঢ়াই দি তৃপ্তিৰ হাঁহি এটা মাৰিলে। অমলাই লৰালৰিকৈ বস্তুখিনি যতনাই থৈ ৰন্ধা বঢ়াত লাগিল। ফনিধৰক গা-ধুই আহিবলৈ কলে। আধাঘণ্টা মানৰ ভিতৰতে ৰন্ধা-বঢ়াৰ কাম শেষ কৰিলে। ল'ৰা-ছোৱালীহাল আৰু শহুৰেকক ভাত বাঢ়িবলৈ দিলে লগতে ফনিধৰকো। সিহঁতে কেইটাক খুৱাই উঠি নিজেও ভাত তৰকাৰী কাহী এখনত সজাই আনি খোৱাত লাগিল।

খোৱা-বোৱাৰ কাম শেষ কৰি সকলো কাম নিয়াৰি কৰি থৈ আহৰি হৈ অমলা পাকঘৰৰ পৰা ওলাই আহে মানে আবেলিৰ বেলি পশ্চিম দিগন্তৰ পিনে গতি কৰিলে। ফনিধৰৰ বৰ ভাগৰ লাগিছিল। এখন্তেক ভাগৰ মাৰো বুলি বিচনাখনতে বাগৰ দিলে। অমলাইও তামোল এখন হাততে লৈ আহি ফনিধৰৰ পিনে আগবঢ়াই দি ক'লে তামোলখন খাওঁক আজি দিনটো বাৰু এনেকৈয়ে ভগবানে চলাই দিলে ইয়াৰ পিছত বাৰু এনেকৈয়ে আমাৰ দিনবোৰ যাবনে ? এসাজৰ পিছত এসাজলৈ চিন্তা কৰি ? ভগবানেই সকলো ব্যৱস্থা কৰিব অ' অমলা। ভগবানক বিশ্বাস কৰিবি। আজিৰ কথাটোলৈকে চা বাৰু ? কেনেকৈ ভগবানে মিলালে। হওতে হয় কিন্তু ভগবানৰ ওপৰত নিৰ্ভৰ কৰিলে হ'ব জানো? ভগবানৰ ওপৰত ভৰষা কৰিয়েই যাব লগিব। নিজৰ বিবেক বুদ্ধিৰে ভবিষ্যতৰ কথা চিন্তা কৰি যাব লাগিব। নিজৰ সংসাৰখনৰ কথা ল'ৰা-ছোৱালীহালৰ ভৱিষ্যত সকলোবোৰ চিন্তা কৰিয়েই নিজৰ দায়িত্ব পালন কৰি গলেহে সিহঁতৰ ভবিষ্যত ভাল হ'ব।

ফনিধৰে ঘৈনীয়েকৰ কথাখিনি মনযোগেৰে শুনিলে। সি ভাবিলে, সংসাৰ সাগৰত সি এতিয়া সাঁতুৰি আছে। এইয়া তাৰ জীৱন সংগ্ৰাম। কেতিয়াবা সি চৌৰ কোৱত তল গৈছে কেতিয়াবা সি ওপৰলৈ উঠিছে। জীয়াই থকাৰ তাড়নাতেই সি জীয়াই আছে। সি জীয়াই থাকিব লাগিব । এয়া তাৰ জীয়াই থকাৰ সংগ্ৰাম। এই সংগ্ৰাম তাৰ দৰে মানুহৰ কেতিয়ালৈ শেষ হ'ব বাৰু ? সংগ্ৰামৰ মাজতেই সি হয়তো এদিন ধাৰাসায়ী হব কোনেও নজনাকৈ, কোনেও নুশুনাকৈ। □ □





# "জোনাকৰ পিছতেই আছে অমাৱস্যা"

## (গল্প)

শ্ৰীজোনমণি কলিতা
স্নাতক ২য় বৰ্ষ (ক'লা)

"হেপি নিউ ইয়েৰ ডাক্তৰ" চিঞৰ গৰাকীৰ মাততহে সম্বিৎ ঘুৰি আহিল। কৰ্ম ব্যস্ততাৰ মাজত কেতিয়া বাৰ বাজি গ'ল কবই নোৱাৰিলে। আজি ৩১ ডিচেম্বৰৰ নিশা ১২ বজাৰ লগে লগে এটি নতুন বছৰে আহি দুৱাৰত টুকুৰিয়ালেহি। অদূৰত হোষ্টেল কেইটাৰ পৰা ফটকা আৰু উকিৰ শব্দ আহি পৰাশৰৰ কাণত পৰিলহি।

মোৰ আজি ইমাৰ্জেঞ্চি ডিউটি। চকুত টিপ এটা মাৰিবলৈয়েই সময় পোৱা নাই। এতিয়া আকৌ লেবাৰ ৰুমত ব্যস্ত হ'বলগীয়া হ'ল । কেইবাটাও জৰুৰী কেছ আছে। এইমাত্ৰ ডেলিভাৰী কেছ এটা কৰি আহি হাত মোজাজোৰ খুলি হাতখন ধুবলৈ ওলাওতেই মোৰ লগৰে ডাঃ প্ৰভাত, ডাঃ মৃদুল, ডাঃ দিগন্ত, ডাঃ নিতালি, ডাঃ স্বপ্নাহঁত আহি ওলালহি। সিহঁতৰো আজি নাইট ডিইটি আছে। সিহঁতকেইটাই মোক নৱবৰ্ষৰ অভিবাদন জনালে। "ঐ পৰাশৰ হললে তোৰ কামবোৰ শেষ? তয়ো যে আৰু ! কিমাননো লাগি থাক অ' ? তোৰ হ'ল যদি ব'ল চব একেলগে যাওঁগে " ডাঃ মৃদুলে ক'লে।

........."ডাক্তৰ মোক বচাওক ডাক্তৰ" মানুহ গৰাকীৰ মাতত ঘুৰি চালো। বৰ আশাভৰা চাৱনিৰে মোলৈ চাই আছে। প্ৰসব বেদনাত জৰ্জৰিত মানুহ গৰাকীৰ ওচৰলৈ দৌৰি গলো। মৃদুলহঁতক বেয়া নাপাবলৈকে পঠিয়াই দিলো। ক'লো, ৰাতিপুৱা লগ পাম, তহঁত যাগৈ। মোৰ কাম আছে। হৈ হাল্লা কৰি সিহঁত ওলাই গ'ল।

সেইয়া মই ডাক্তৰী পঢ়া কালৰে কথা। এনেকুৱা প্ৰতিটো মধুৰ অকলশৰীয়া মুহূৰ্তত পাপৰিৰ মুখখনো বাৰে-বাৰে আহি মোক আমনি কৰে। অসহ্য বেদনাত বুকুখন বিষাই উঠিল। ৰুমালেৰে মুখখন মোহাৰিলো। হয়তো মোৰ হুমুনিয়াহ ওলাবলৈ লৈছিল। "ডাক্তৰ, ডাক্তৰ, উহঃ ............ ডাক্তৰ" দৌৰি গলো মই মানুহ গৰাকীৰ কাষলৈ। চিঞৰ, - ডাঃ পৰিণিতা আৰু মই লৰালৰিকৈ তেওঁক বেৰি ধৰিলোহি। ঘৰ্মাক্ত মানুহ গৰাকীৰ মুখত হাঁহি বিৰিঙিছিল। তেওঁ এটি কন্যা সন্তান প্ৰসব কৰিলে।

হাতৰ ঘড়ীটোলৈ চালো। নিশা প্ৰায় এক বাজিলেই। কামবোৰ শেষ হ'ল। মুৰতো বিষোৱা যেন লাগিল। "পৰাশৰ তুমি হোষ্টেলত গৈ শোৱাগৈ যোৱা। মই বাকীখিনি চাব পাৰিম। তোমাক বৰ ভাগৰুৱা যেন লাগিছে। দৰকাৰ পৰিলে মই তোমাক মাতি পঠাম।" কান্ধতে হাতখন থৈ ডাঃ পৰিণীতাই লাহেকৈ ক'লে, "হব বাইদেউ বুলি কৈ হোষ্টেললৈ খোজ ললো। নিৰ্জন ৰাষ্টাটোত ষ্ট্ৰীট লাইটৰ পোহৰত দেখিলো কুকুৰ কেইটামানে খাদ্যৰ সন্ধানত ইফাল-সিফাল কৰিছে। মই আহি কেতিয়ানো হোষ্টেল পালোহি কবই নোৱাৰিলো। ল'ৰাবোৰৰ উৎপাত নতুন বছৰক স্বাগতম জনোৱাৰ। মোৰ সৰু কোঠাটোৰ বিচনাখনত বাগৰি পৰিলো। চিনাকী গাৰুৰ কভাৰটোত পাপৰিয়ে কৰি দিয়া আখৰ দুটাত চকু পৰিল "গুড নাইট" ! লাইটটো নুমুৱাই দি চকু দুটা

মুদি জোৰকৈ শুবলৈ চেষ্টা কৰিলো। ওচৰৰ কোঠাৰ পৰা অহা সঙ্গীতৰ শব্দ শুনি খঙটো টিঙিচকৈ উঠিল। ডাক্তৰ হলেও আমি মানুহ ! আমাৰো দুখ-ভাগৰ আছে। "ৰালমেট, ঐ ৰালমেট ? টেপটো বন্ধ কৰিলে নহয়নে?" নাই দাদা আজি নতুন বছৰ বাবেহে বজাইছো। ইমাৰ্জেঞ্চি আছিল নেকি? অ' দাদা, আপোনালৈকেও হেপি নিউ ইয়েৰ দেই"। মুখৰ পৰা হঠাৎ এটা অশ্লীল শব্দ ওলাই আহিল, "ৰাস্কেল বোৰ কৰবাৰ"।

'তুমি ডাক্তৰ হলেও মানুহ। তোমাক মই তেজ মঙহৰ মানুহ হিচাপে পাব বিচাৰো পৰাশৰ দা"। মোৰ হাতত আঙুলি বুলাই পাপৰিয়ে, প্ৰশান্তিত চকু দুটা মুদি দিছিলো, নাই আজি কৈছিল মোৰ শোৱা নহ'ব। ল'ৰা হিচাপে আবেগিকতাক মই প্ৰশ্ৰয় দিয়া নাছিলো যদিও আজি অতীতৰ কিছু কথাই জুমুৰি দি ধৰিছেহি, যাৰ পৰা মই কোনোদিনেই মুক্ত নহম।

পাপৰি এতিয়া নাই। মেডিকেল কলেজত পঢ়াৰ পৰাই মই তাইক জানো। তাই শ্ৰেণীৰ ছাত্ৰী আছিল তেতিয়া। আমাৰ চিনাকিটোৱেই আছিল এনেধৰণৰ মই সেইবাৰ এম্ বি, বি, এচ পৰীক্ষাৰ প্ৰথম ভাগ দি উঠি গাৱৰ ঘৰলৈ গৈছিলো। পাপৰী ওৰফে পৰী বৰুৱাইঁত আমাৰ গাৱলৈ নতুনকৈ উঠি আহিছিল। বিয়া এখনত প্ৰথম লগ পায়েই তাইৰ প্ৰতি দুৰ্বল হৈ পৰিছিলো। সেইবাৰ বন্ধত মই এমাহ ঘৰত থাকিলো। সাধাৰণতে বন্ধবোৰত মই কমেইহে ঘৰলৈ গৈছিলো। কিন্তু তেতিয়াৰ পৰা নজনা আকৰ্ষণ এটাই মোক যেন ঘনাই বন্ধবোৰত ঘৰলৈ মাতি নিছিল। হোষ্টেললৈ আহি লগৰ মৃদুলহঁতক পাপৰীৰ কথা কৈছিলো। অজানিতে আমাৰ জীৱনলৈ প্ৰেম আহিল।

সময় বাগৰিল। মই তৃতীয় বাৰ্ষিক পালোহি। আমি প্ৰি ক্লিনিকেল ক্লাচ পাৰ হৈ ক্লিনিকেল পৰ্য্যায় পালোহি। পুৱা-গধুলি হস্পিতেলৰ ৰোগীৰ ওচৰলৈ যোৱা আমাৰ ৰুটিন হৈ পৰিল। ক্লাচবোৰ বেয়া লগা নাছিল। প্ৰথমেই গৈছিলো ফিমেল চাৰ্জিকেললৈ জুয়ে পোৰা আৰু বিভিন্ন অস্ত্ৰোপচাৰৰ কেচবোৰ চাইছিলো। এগৰাকীৰ চেলুলাইছিছ হৈছিল। মোৰ প্ৰতিজ্ঞা আছিল ভাল ডাক্তৰ হ'ম।

পৰীলৈ প্ৰতিদিনৰ অভিজ্ঞতাৰ কথা লিখিছিলো। তাই কৈছিল 'এইবোৰ চাই আহি কেনেকৈ ভাত খোৱা জানো পায় তোমালোকে"। মই হাঁহিছিলো। লাহে লাহে পঢ়াৰ বোজা বাঢ়িছিল ঘৰলৈ ঘনাই যাব পৰা নাছিলো। মোক চিঠিৰে মৰম পঠাইছিলে আৰু প্ৰেৰণা পঠাইছিলে সেই কণমানি ছোৱালীজনীয়ে ।

প্ৰথম বিভাগত মেট্ৰিক পাচ কৰি পৰ্ব কলেজ পালেহি। তাই বহু কথা জনা হ'ল। অভিমান কৰিব পৰা হ'ল। আৰু মই সৰুৰেপৰা কম কথা কোৱা ল'ৰাটোৱে আমাৰ হ'বলগা সংসাৰখন ঘৰটো আৰু কণমাণিটোৰ কথা কৈ তাই জোকাব পৰা হ'ল। আমি কথা বতৰাত যথেষ্ট আগবাঢ়িলো....

বন্ধত ঘৰলৈ অহা দিনবোৰত সিহঁতৰ ঘৰলৈ শোৱা মোৰ এটা অভ্যাসেই হৈ পৰিল। সিহঁতৰ ঘৰৰ মানুহে মোক কি ভাবিছিল নেজানো কিন্তু আমাৰ দুয়োখন ঘৰতেই কথাটো জানিছিল তাইক মই ডাক্তৰ হোৱাৰ তিনিবছৰৰ পাছতেই নিজৰ কৰি লোৱাৰ প্ৰতিশ্ৰুতি দিছিলো। ঘৰতো বিশেষ আপত্তি নাছিল। মোৰ বাইদেউ আৰু ভণ্টিৰ বিয়া হৈ গৈছিল। ঘৰত ভাইটিৰ সৈতে মা অকলশৰীয়া হৈছিল।

সেইদিনটো মোৰ আজিও মনত আছে। এদিন কলেজৰ পৰা মই তাইক মোৰ হোষ্টেললৈ লৈ গৈছিলো। প্ৰভাত, মৃদুল, স্বপ্নহঁতক তাইৰ লগতে চিনাকি কৰি দিয়াত তাই লাজতে ৰঙা চিঙা পৰিছিল। প্ৰথমবাৰৰ বাবে কাষত পাই তাইৰ লগত নিবিড় ভাবে বহুত কথা পতিছিলো। তাইক ঘৰত থৈ আহিবৰ সময়ত তাই কৈছিল, "চোৱা পৰাশৰ দা আজিৰ দিনটো মই পাহৰিব নোৱাৰিম। তুমি চিঠিৰে খবৰ জনাই থাকিব দেই"। তাইক কপালতে চুমা এটা আঁকি দিছিলো। বহুত কথাই কবৰ মন গৈছিল যদিও মুখেৰে একো ক'ব পৰা নাছিলো।

তেতিয়াৰ পৰাই তাইয়ো বেছি আবেগিক হৈ পৰিছিল। কিন্তু মই বৰ সাংঘাটিক ভাবে ব্যস্ত হৈ পৰিলো, কাৰণ মোৰ চুড়ান্ত পৰীক্ষা চমু চাপিছিলেহি ! পৰীজনীয়ে মোলৈ ঘনাই লিখিছিল। প্ৰেৰণা যোগাইছিল। "মই তোমাক কেতিয়াও অকলশৰীয়া অনুভৱ কৰিবলৈ নিদিওঁ। তুমিও নিদিবা মোক দেই ! ভালকৈ পঢ়িবা"। পঢ়িছিলো সচাকৈয়ে ৰাতি মাত্ৰ দুই তিনি ঘণ্টা মানহে শুইছিলো। এদিন ডাক্তৰ হ'লো। ৰিজাল্টৰ দিনা মোৰ লগতে সকলোকে লৈ পৰীহঁতৰ ঘৰলৈ গৈছিলো। সেইদিনা আনন্দতে তাই মোক একোকে ক'ব পৰা নাছিল। চাই আছিল একেথৰে, ময়ো হয়তো চাইছিলো। মৃদুলহঁতে আমাক জোকাইছিল।

ডাক্তৰী পাঁচ কৰাৰ পিছত মই কৰ্মব্যস্ত হৈ পৰিছিলো। ঘৰলৈ যাবলৈও সময় পোৱা নাছিলো। তাই সেইবাৰ হায়াৰ চেকেণ্ডাৰী পৰীক্ষা দিব। পৰীক্ষালৈ সেইবাৰ যথেষ্ট ভয় কৰিছিল তাই। বাৰে বাৰে প্ৰেৰণা দিবলৈ কৈছিল, কিন্তু লিখিবলৈ মোৰ আহৰি নাছিল। ৬ মাৰ্চ, সেইদিনা কেজুৱেলটিত এটা কেছ পাইছিলো।

এক্সিডেণ্ট হোৱাৰ বাবে ছোৱালীজনীয়ে পৰীক্ষা দিব নোৱাৰিলে। তেতিয়াহে মনত পৰিল, পৰীৰ দেখোন আজিৰ পৰা পৰীক্ষা আৰম্ভ হৈছে। কিন্তু মোৰ দেৰী হৈ গৈছিল। মোৰ শুভ-কামনা তাই পৰীক্ষাৰ পাছতহে পাইছিল। ভাগি পৰিছিল তাই। পৰীক্ষাৰ শেষত লগ পাই অভিমান কৰিছিল। মই মুক হৈ ৰৈছিলো, দোষতো মোৰেই আছিল। পৰীয়ে কৈছিল, "তুমি যে এনেদৰে সলনি হৈ যাবা মই ভবাই নাছিলো। তুমি স্বাৰ্থপৰ"।

কিন্তু সেইবাৰ পৰীক্ষাত তাই দ্বিতীয় বিভাগ পাইছিল। তাই বি, এচ, চি, পালেগৈ। তাইৰ চিঠিৰ পৰিমান কিন্তু কমা নাছিল। মোৰ নিৰবতাক ভুল বুজিছিল তাই। খঙতে তাইৰ কামৰ হেচাঁৰ কথাও পাহৰিছিল। এদিন গৈছিলো তাইৰ ওচৰলৈ তাই অভিমান কৰি মোক মতা নাছিল। মোৰ ভাব হৈছিল ডাক্তৰী পঢ়ি ভুল কৰিলো। ফুৰ্তিৰ বাবে কেতিয়াও আহৰি নাই, কিন্তু তাইৰ সেই অভিমানত প্ৰচণ্ড খং আৰু বেজাৰ জন্মিল। তাইক এটা চৰ মাৰি গুচি আহিছিলো। কান্দিছিল তাই। মোৰো পাছত ধীক্কাৰ জন্মিছিল। নিজকে বৰ অসহায় যেন লাগিছিল। আত্মভিমানৰ বাবেই একো ক'ব পৰা নাছিলো যদিও মনতে কৈছিলো, "মোক ক্ষমা কৰা পৰী"। পৰীয়ে বহুদিন চিঠি লিখা নাছিল। ভাবিছিলো, বি, এচ, চি প্ৰথম খণ্ড পৰীক্ষাৰ ববে ব্যস্ত। কিন্তু তেতিয়াৰে পৰা সলনি হৈছিল তাই। মই সেই ঘটনাৰ পাছত কেইবাবাৰো সিহঁতৰ ঘৰলৈ গৈছো। কিন্তু পৰীয়ে মোৰ ওপৰত আস্থা হেৰুৱাই পেলাইছিল। সৰুৰে পৰা মই কম কথা কোৱা ল'ৰা আছিলো। নিজৰ আবেগিকতাক বাহিৰত দেখুৱাই ভাল পোৱা স্বভাৱ নাছিল। সেয়ে মই পৰীক ক'বলৈ লৈও ৰৈ গৈছিলো। "পৰী, তুমি ভুল বুজিছা, অভিমান কৰা, কিন্তু এই ডাক্তৰ পৰাশৰৰ

কলিজাত, মনত এটাই নাম আৰু সেই নাম মাত্ৰ তোমাৰ পৰী।" কিন্তু মই এটি শব্দও ক'ব নোৱাৰিলো।

তাই মোক মেডিকেলত কাম কৰাটোৱেই বিচাৰিছিল। সেয়ে মই প্ৰসুতি বিভাগত হাউচ চাৰ্জন কৰিছিলো। লাহে লাহে মোৰ কামৰ পৰিমান বাঢ়িছিল। ইচ্ছা থাকিলেও মই বহুমাহ ঘৰলৈ যাব পৰা নাছিলো। সন্দেহ কৰিছিল পৰীয়ে মোক। খং তোলাবলৈ মিছাতে তাইক ডাঃ নিতালী, স্বপ্নাহঁতৰ কথা কোৱাত তাই সঁচা বুলি ভাবি জ্বলিছিল। অভিমান কৰিছিল আৰু তাইৰ এই অভিমানখিনিয়ে মোৰ ভাল লাগিছিল।

এবাৰ বিহুত যাওঁতে তাই মোক কৈছিল "তুমি মোক এটা বস্তু দিবা? মই তোমাক কোনো দিনাই একো খোজা নাই। আজি প্ৰথম খুজিছো তুমি না নকৰিবা দেই। ভাবিছিলো কি বাৰু ? মোক আচৰিত কৰি কৈছিল, একো ডাঙৰ বস্তু নহয়। বহুদিন তোমাৰ পৰা চিঠি পোৱা নাই। এইবাৰ গৈ সৰুকৈ চিঠি এখন দিবাচোন। খুউব ভাল লাগিব।" লিখাৰ প্ৰতিশ্ৰুতিৰে ঘুৰি আহিছিলো। সঁচাকৈ সেইবাৰ সৰুকৈ লিখিছিলো। কৈছিলো, "তোমাৰ কৰ্ত্তব্য তুমি কৰি যোৱা মোৰ শুভ কামনা সদায় তোমাৰ লগত থাকিব পৰী।" কিন্তু কৰ্মব্যস্ততাত তাইলৈ দুনাই লিখিব পৰা নাছিলো।

শেষলৈ তাই খঙাল হৈ পৰিছিল। কৈছিল "ক্ষমতাই তোমাক অন্ধ কৰি পেলাইছে। তুমি তোমাতকৈ সৰু এই ছোৱালীজনীৰ দুখ কোনোদিনেই বুজিবলৈ চেষ্টা নকৰিলা। তোমাৰ বাৰু মোলৈ মনত নপৰেনে পৰাশৰ দা।" তাইক কোনো উত্তৰ দিব পৰা নাছিলো । মাথো তাইৰ অস্তিত্ব কাষতে অনুভৱ কৰিছিলো আৰু সদায় চোলাৰ জেপত তাইৰ ফটো এখন লৈ ফুৰিছিলো। তাইৰ প্ৰতি বাহিৰত আন্তৰিকতা দেখুৱাবৰ বাবে সচাকৈয়ে মোৰ সময় নাছিল। সেইবাৰৰ পৰা মুক্ত হৈ গৈছিল তায়ো। বহুত দিন তাইৰ খবৰ পোৱা নাছিলো।

হঠাৎ সেইদিনা ভেৰোনীয়া কোঠাবোৰ সন্মুখেদি পাৰ হৈ যাওঁতে ৰৈ গ'লো পৰীক দেখি প্ৰায় দৌৰিয়েই আহিছিলো তাইৰ কাষলৈ। তাই চকুৰ পাহিবোৰ ক'লা পৰিছে। যথেষ্ঠ ক্ষীণাইছে পৰীজনী। মই কিবা সোধাৰ আগতে তাই কৈ উঠিল। "কালি ভৰ্ত্তি হ'লো, তোমাৰ আমনি হ' বুলিয়েই অসুখৰ খবৰ নিদিলো। বেছি দিন হয়তো বাছি নাথাকিম। ভালে হ'ব তুমি শান্তিত থাকিবা। সেইদিনা ৰাতি হোষ্টেলত শুব পৰা নাছিলো। বলিয়া হৈ পৰিলো। মই মোৰ কামবোৰ ডাঃ পৰিনীতাক জাপি দি প্ৰায় পৰীৰ ওচৰতে থকা হলো।

সেইদিনা তাইৰ কাঁহৰ লগত তেজ ওলাইছিল। কাঁহি কাঁহি ভাগৰি তাই মোক কৈছিল "মই মৰিব নিবিছাৰো পৰাশৰ দা। এই কেইদিন তোমাৰ সান্নিধ্যই মোক জীয়াই থাকিবলৈ আশা প্ৰেৰণা যোগাইছে। মোক বচোৱা পৰাশৰ দা। কান্দি কান্দি তাই মোৰ কোলাত মুৰ থৈ ভাগৰত টোপনি গৈছিল। তাইৰ কপালত হাত ফুৰাই কৈছিলো "মই তোমাক মৰিবলৈ নিদিও পৰী।"

পৰীৰ অন্তিম সময় চমু চাপি আহিছিল। সেইদিনা মই তাইৰ কাষত নাছিলো। তাইৰ মৃত্যু খবৰ শুনাত পাগল হৈ পৰিলো। মই কোনো দিনে কান্দোনক প্ৰশয় নিদিয়া মানুহটোৱে সেইদিনা কান্দিছিলো। ভুলৰ বাবে চেতনা তেতিয়াহে আহিছিল বহু দেৰিকৈ। মোৰ অৱস্থা দেখি মৃদুল, স্বপ্নাহঁতে মোক বেলেগ ঠাইত কাম কৰিবলৈ পৰামৰ্শ দিছিল কিন্তু কৰা নাছিলো, মই পৰীয়ে শেষ নিশ্বাস ত্যাগ কৰা এই হস্পিতালখন এৰি যাবৰ মন যোৱা নাছিল। মই প্ৰসুতি বিভাগৰে পঞ্জীয়ক হ'লো।

"টক্- টক্ টক্ ...." চক খাই উঠিলো। বাহিৰত ডাঃ দিগন্তই চিঞৰিছিল "পৰাশৰ এই উঠ্ ইমান শোৱনে ? আজি নতুন বছৰ বুলি নাজান নেকি ? ব'ল চাহ খাই আহোঁ।" কেতিয়ানো ৰাতি পুৱাল গমেই নাপালো দুৱাৰখন খুলি দিলো। দিগন্ত, পৰেশ, মৃদুলহঁতৰ মনত সিদিনা কেনেকুৱা লাগিছিল নাজানো। মই কিন্তু সেইদিনা কোনো পধ্যে নতুন দিনটোক আদৰি ল'ব পৰা নাছিলো। মনটো নীড়হাৰা চৰাইৰ দৰে হাহাকাৰ কৰি উঠিছিল। বুকুখন মোহাৰি দিলো। নিজকে বৰ অকলশৰীয়া, অসহায় যেন লাগিছিল। মোৰ অৱস্থা দিগন্ত, মৃদুল পৰেশ প্ৰভাত সকলোৱে বুজিছিল। একো নমতাকৈ সিহঁত ৰুমৰপৰা ওলাই গৈছিল মোক এৰি থৈ ..... সম্পূৰ্ণ অকলশৰীয়াকৈ....।

ঃ ঃ ঃ ঃ

---

## কৌতুক

সংগ্ৰহ - শ্ৰীলিপিকা দাস
প্ৰথম বৰ্ষ (ক'লা)

১) পৰীক্ষাহ'লত ছাত্ৰ এজনে শিক্ষকক ক'লে - " চাৰ বহুত টান প্ৰশ্ন আহিছে উত্তৰ কৰোতে বাৰ বাজি যাব।"
শিক্ষকজনে ক'লে - 'চিন্তা নকৰিবি'
বহি এক বজাতহে সংগ্ৰহ কৰা হয়।

২) এজনী পত্নীয়ে তেওঁৰ স্বামীক ক'লে, -আপুনি বাৰু মোতকৈ আমাৰ কুকুৰটোক ইমান কিয় ভাল পায় ?
স্বামীয়ে ক'লে, - কিয় জানা ?
পত্নীয়ে ক'লে, - নাজানো কাৰনেহে সুধিছো।
স্বামীয়ে ক'লে, - কাৰণ, কুকুৰটোৱে তোমাতকৈ বহুত কম ভুকে।

# ভয়ংকৰ প্ৰাণীৰ মৃত জীৱিত অৱস্থা

শ্ৰীবৰ্ণালী কলিত
উঃ মাঃ ১ম বৰ্ষ (ক'লা)

☐ টিং টিং টিং কলিংবেল বজালে মাধুৰ্য্যহত। দুৱাৰখন মেলি মিঃ গগৈ বাহিৰলৈ ওলাই আহিল। লগত তেওঁৰ একমাত্ৰ জীয়াৰী স্বপ্নাই ওলাই আহিল। স্বপ্নাই সুধিলে দেউতা এওঁলোকনো কোন বাৰু ? মিঃ গগৈয়ে ক'লে মাজনী এওঁলোক বহ্নিমান যুৱক সংঘৰ সদস্য।

☐ 'অ' মাধুৰ্য্য ভিতৰলৈ সোমাই আহা। ...... মিঃ গগৈয়ে ক'লে বাৰু কোৱাচোন তোমালোকে কি উদ্দেশ্য লৈ আহিলা। মাধুৰ্যই ক'লে,

চাৰ্ আমি এটা আচৰিত বস্তু আপোনালৈ আনিছো। বস্তুটো আপুনি পৰীক্ষাগাৰত পৰীক্ষা কৰি চালেহে গম পাব যে বস্তুটোনো-কি ?

☐ মিঃ গগৈয়ে ক'লে -

তোমালোকেনো বস্তুটো ক'ত পালা ? মোক অলপ খুলি কবানে ? তেতিয়া মাধুৰ্য্যই ক'লে,

চাৰ্ আমি এচ্‌কাৰচনলৈ যাওঁতে সুৰংগ এটাৰ মাজত এই বস্তুটো পাই আমি উদ্ধাৰ কৰিছো। চাৰ্ আপুনি বস্তুটো খুলি চাওঁকচোন তাৰ নাম, মুখ, চকু একোৱেই নাই। সি যেন এটা মৰি থকা প্ৰাণীহে।

☐ চাৰ্ আপুনি এই বস্তুটোৰ বিষয়ে পৰীক্ষাকৰি চালে সকলোবোৰ গম পাব এই বস্তুটোনো কি? তেনেহলে আমি এতিয়া উঠো চাৰ যেতিয়াই আপুনি এই বস্তুটোৰ বিষয়ে গম পাব মোলৈ খবৰ কৰিব মই ক্লাবৰ সকলোকে লৈ আহি বস্তুটোনে কি চাম।

☐ মাধুৰ্য্য তুমি এতিয়া বস্তুটো আমাৰ ড্ৰয়িংৰুমতে থোৱা। মই বাৰু পিছত পৰীক্ষা কৰি চাম। এইদৰে তেওঁ আৰু জীয়েকে নিজৰ নিজৰ ৰুমত শুই পৰিল। ঠিক ১২ মান বজাৰ লগে লগে স্বপ্নাই এটা শব্দ পালে আৰু শব্দটো পোৱাৰ লগে লগে স্বপ্নাই বিচনাৰ পৰা উঠি আহি ড্ৰয়িংৰুমটোৰ লাইটটো জ্বলালে আৰু তেতিয়াই স্বপ্নাই হঠাত এটা ভয়ানক প্ৰাণীৰ ৰূপ দেখিলে স্বপ্নাই অলপ আগবাঢ়ি বস্তুটোনো কি চাবলৈ গ'ল তেনে সুযোগতে বস্তুটোই বাকচৰ পৰা ওলাই আহি স্বপ্নাৰ গলত টিপি তাইক মাৰি পেলালে। স্বপ্না মৰাৰ লগে লগে অদ্ভুত প্ৰাণীটো আকৌ নিজৰ ঠাইত সোমাই পৰিল। স্বপ্না মৰাৰ লগে লগে তাই এটা বিকট চিঞৰ মাৰিছিল আৰু সেই চিঞৰত তাইৰ দেউতাক হঠাত বিচনাৰ পৰা উঠি আহি ড্ৰয়িংৰুমত সোমাই দেখে তেওঁৰ একমাত্ৰ জীয়েকৰ মৃতদেহ মাটিত বাগৰি পৰি আছে। সেই দৃশ্য দেখি মিঃ গগৈয়ে চক খাই উঠিল আৰু চিঞৰি ক'লে এয়া কি হ'ল। এনেকৈ কিছুদিন বাগৰি গ'ল। মিঃ গগৈৰ জীয়েকৰ মৃত্যুৰ দুখত বস্তুটো কিছুদিন পৰীক্ষা নকৰিলে। আৰু ড্ৰয়িংৰুমতে বস্তুটো পৰি থাকিল কিছুদিন। দুদিনমান যোৱাৰ পিছত মিঃ গগৈৰ মনত খেলালে যদিহে এই বাকচটো থকাৰ বাবে স্বপ্নাৰ মৃত্যু হৈছে ! এইবোৰ ভাবি ভাবি কিছুদিন পাৰ হ'ল। আৰু এদিন গগৈয়ে মাধুৰ্য্যলৈ ফোন কৰি জনালে যে মাধুৰ্য্য তুমি কেইদিনমানৰ বাবে এই বস্তুটো তোমাৰ ঘৰতে ৰাখা। মই পিছত সময় পালে পৰীক্ষা কৰি চাম। আবেলি মাধুৰ্য্যই গগৈৰ ঘৰত আহি স্বপ্নাৰ কথা পাতিলে। স্বপ্নাৰ মৃত্যু হোৱা বাবে বহুত দুখ কৰিলে। অলপ সময় বহি মাধুৰ্য্যই নিজৰ ঘৰলৈ উভতি গ'ল। মাধুৰ্য্যই নিজৰ ঘৰ সোমাই সেই বাকচটো তাৰ ভনীয়েকৰ ৰুমত থলে। তেতিয়া ৰাতি ৯ মান বাজিছে। তেতিয়া সিহঁতৰ ঘৰৰ সকলোৱে শুলেই। মাধুৰ্য্যও ভাত-পানী খাই শুই পৰিল নিজৰ ৰুমত। ঠিক ১২ মান বজাৰ লগে লগে অদ্ভূত প্ৰাণীটো আকৌ বাকচৰ পৰা ওলাই আহি মাধুৰ্য্যৰ ভনীয়েকৰ বিচনাৰ কাষত আহি তাইক গলত টিপি মাৰি পেলালে। তাই মৰাৰ লগে লগে স্বপ্নাৰ দৰে এটা বিকত চিঞৰ মাৰিলে। মাধুৰ্য তৎক্ষণাত চক খাই উঠিল আৰু ভনীয়েকৰ ৰুমত সোমাই দেখে তাই মৰি আছে।

☐ মাধুৰ্য্যই ভাবিলে তাৰ ভনীয়েকৰটো কোনো বেমাৰ নাই। কিন্তু হঠাতে মৃত্যু হ'ল কিয় ? মাধুৰ্য্যই খঙতে তাইৰ ৰুমত থাক বাকচ্‌টো বাহিৰলৈ দলিয়াই দিলে। ভাবিলে এই বাকচটো থকাৰ বাবেই চাগে তাৰ ভনীয়েকৰ মৃত্যু হৈছে। তেনেতে মাধুৰ্য্যৰ সন্মুখৰ ঘৰৰ ৰমেনে সেই বাকচটো লৈ গৈ ঘৰত থলে আৰু মাধুৰ্য্যক ক'লে যে তুমিটো এই বাকচটো প্ৰথমে সুৰংগৰ পৰা উদ্ধাৰ কৰিছিলা আৰু মিঃ গগৈৰ ঘৰত পৰীক্ষা কৰিবলৈ দিছিলা। কিন্তু এতিয়া তাক কিয় দলিয়াই দিছা। তোমাৰ ভণ্টিৰ মৃত্যুটো কিবা বেয়া বেমাৰটো হব পাৰে। যিটো তোমালোকৰ ভন্তিয়ে চাগে তোমালোকৰ পৰা আতৰাই ৰাখিছিল। মাধুৰ্য্যই কথাটো সচা বুলি ভাবিলে আৰু বাকচটোৰ পৰা অলপ সন্দেহ দুৰ হ'ল আৰু ৰাতিটোৰ বাবে বাকচটো ৰমেশ ৰ ঘৰত থাকিল। ঠিক আগৰ কেইবাৰৰ দৰে এইবাৰো বাকচটোৰ পৰা অদ্ভূত প্ৰাণীটো ওলাই ৰমেনৰ মাকক মাৰি পেলায়। ৰমেনৰ মাকেও যেতিয়া মৰাৰ লগে লগে চিঞৰিলে তেতিয়া ৰমেনে উঠি দেখে মাক মৃত অৱস্থাত পৰি আছে। তেতিয়া ৰমেনৰ সন্দেহ উপজিল যে এই বস্তুটো যতেই থাকে তাৰ ঘৰৰে এটা এটা মাইকী মানুহৰ মৃত্যু হয়। আৰু তেতিয়াই ৰমেনৰ এই বাকচৰ বিষয়ে ক্লাৱত আলোচনা কৰিলে আৰু বাকচটো ক্লাৱত থলে। তেতিয়া সিহঁতে সিধান্ত কৰিলে এই বাকচটো ভালকৈ পৰীক্ষা কৰিবলৈ ক্লাবত ল'ৰাবোৰ বাকচটো পৰীক্ষা কৰি ৰিপৰ্ট পাই যে এই বাকচৰ ভিতৰত থকা অদ্ভূত প্ৰাণীটো হেনো ৰাতি ১২ বজাৰ আগত মৃত অৱস্থাত থাকে কিন্তু তাৰ পিছত সি জীৱিত হৈ পৰে। আৰু ই এটা ভয়ংকৰ প্ৰাণী যি ১২ বজাৰ পিছত জাগি উঠে। ক্লাবৰ সকলোৱে যেতিয়া এই কথা গম পালে তেতিয়া এই বাকচটো জংঘললৈ লৈ গৈ বাকচটোৰ সৈতে পুৰি ছাই কৰি পেলালে। আৰু তেতিয়াৰ পৰাই এই প্ৰাণীৰ ধংস হৈ গ'ল।

ঃ ঃ ঃ ঃ

# অপেক্ষা

শ্ৰীসংগীতা বড়া
উঃ মাঃ ১ম বৰ্ষ (ক'লা)

এটি অতি দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰা ছোৱালী অঙ্কিতা। ঘৰখনৰ নানা অভাৱৰ মাজত তাই ডাঙৰ হ'বলৈ ধৰিলে। তাইৰ ভায়েক এজন আৰু ভনীয়েক এজনীও আছিল। দেউতাকে অভাৱৰ মাজতো সিহঁতক কোনোদিনে পঢ়াৰ ক্ষেত্ৰত বাধা দিয়া নাছিল। অঙ্কিতাইও তেনে এটা পৰিৱেশতে সৰুৰেপৰা কোনোবাৰে অনুত্তীৰ্ণ নোহোৱাকৈ প্ৰৱেশিকা পৰীক্ষা পাছ কৰিলে। তাইৰ মাক-দেউতাকে মাত্ৰ নিজৰ চহীটোহে কৰিব পৰাত পঢ়াৰ ক্ষেত্ৰত তাইৰ মাজে মাজে বৰ অসুবিধা হৈছিল। পইচাৰ অভাৱত দেউতাকে তাইক ঘৰুৱা শিক্ষকৰ ব্যৱস্থাও কৰি দিব পৰা নাছিল। সময়মতে প্ৰয়োজনীয় কিতাপ বহী নোপোৱাত তাই বৰ অসুবিধাত পৰিছিল। তথাপিও তাই প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাত ঘৰখনলৈ আনন্দৰ জোৱাৰ উঠিল।

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত অঙ্কিতাই কলা বিভাগত নামভৰ্তি কৰিলে। পঢ়াৰ লগতে তাই কেইটামান ঘৰুৱা টিউছনৰ ব্যৱস্থাও কৰি ল'লে। সেই পইচাৰে তাইৰ নিজৰ খৰচ উলিওৱাৰ লগতে ভায়েক-ভনীয়েককো কিছু ক্ষেত্ৰত সহায় কৰি আছিল। তাই ৰাতিপুৱা-গধুলি টিউছন কৰি কৰি কেতিয়াবা নিজকে বৰ ভাগৰি পৰা যেন অনুভৱ কৰিছিল। কাৰণ কিমান কষ্ট কৰিব, লগতে নিজৰ পঢ়াখিনিতো আছেই। মাজে মাজে তাইৰ ভাব হৈছিল যেন তাই আনৰ কাৰণেহে জীয়াই আছে। কাৰণ তাইৰ দুখ বুজা মানুহ হয়তো কোনো নাছিল। আনকি অঙ্কিতাৰ নিজৰ দেউতাকে তাই ইমান কষ্ট কৰা সত্বেও কোনোদিনে তাইৰ দুখ বুজ নাছিল। পঢ়ি থাকিও তাই চাকৰি বিচাৰি আছিল ক্ৰমানুযায়ী তাই অনাৰ্চসহ বি. এ. পৰীক্ষাত উত্তী হোৱাত ঘৰখনে আৰু বেছি আনন্দ পালে।

বি. এ. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছ পৰা অঙ্কিতাৰ ঘৰখনৰ অৱস্থা আগতকৈও বেয়া হৈ আহিল। তাই ঘৰখনক লৈ বৰ চিন্তিত হ'ল। চাকৰি বিচাৰি বিচাৰি তাই হাবাথুৰি খাবলৈ ধৰিলে।

অঙ্কিতাৰ দেউতাক কাম-বনৰ ক্ষেত্ৰ আগতকৈও এলেহুৱা হৈ পৰাত ঘৰখনৰ অৱস্থা বেছি বেয়াৰ ফালে ঢাল খাবলৈ ধৰিলে। সিহঁত ঘৰখনত দুবেলা দুমুঠি খোৱাটোও বৰ কষ্টকৰ হৈ পৰিল। অঙ্কিতা ঘৰখনৰ এই অৱস্থাৰ কাৰণে আ বেছি চিন্তিত হৈ পৰিল।

অঙ্কিতা নিজতকৈও তাইৰ ঘৰখন কাৰণেহে বেছি চিন্তা কৰে। যিখন ঘৰে তাই জীৱনটোক গঢ় দিলে সেই ঘৰখনৰ প্ৰতি তা চিৰকৃতজ্ঞ। পঢ়াৰ ক্ষেত্ৰত তাইক মাকে আৰ্থিকভাবে সহায় কৰিব নোৱাৰিলেও সদায়ে উৎসাহ-উদ্দীপনা দি আহিছে। তাই জনাৰপৰা মাকৰ সৰু-সুৰা অসুখ বাহিৰে আন তেনে কোনো অসুখ হোৱা নাছিল কিন্তু সময় বাগৰাৰ লগে লগে মাকৰ কিছুমান অসু হোৱাত তাই সেইফালৰপৰাও দুখত জুৰুলা হৈ পৰে। পইচাৰ অভাৱত তাই মাকক চিকিৎসকৰ ওচৰতো নিব পৰা নাই।

অঙ্কিতাৰ ঘৰখনত হঠাতে ইমান দুখৰ ছাঁ পৰিব বুলি তাই কোনোদিনে কল্পনা কৰা নাছিল। ঘৰখনৰ এই দুখবোৰ কেনেকৈ সমাধান কৰিব সেই লৈ তাই মাজে মাজে বৰ অস্থিৰ হৈ পৰে। বেছি নহ'লেও ঘৰ এখনৰ কাৰণে প্ৰয়োজনীয় বস্তুখিনি যাতে গোটাব পাৰে সেই কথাই প্ৰতি মুহূৰ্ততে তাই মনতে কল্পনা কৰিবলৈ ধৰিলে।

অঙ্কিতাই জনা হোৱাৰেপৰা জীৱনত কিবা এটা সৰু চাকৰি হ'লেও কৰি ঘৰখনত মাক-দেউতাক আৰু ভায়েক-ভনীয়েকক অলপ সুখ দিয়াতো তাইৰ প্ৰথম কৰ্তব্য হিচাপে ধৰি লৈছিল। কিন্তু বৰ্তমান সময়ত চাকৰিৰ কাৰণে পঢ়া-শুনা থাকিলেও নিজৰ হাতত চাকৰি দিব পৰা ভাল চিনাকি মানুহ আৰু টকাৰ প্ৰয়োজন। কিন্তু অঙ্কিতাৰ তেনে কোনো মানুহ আৰু দেউতাকৰ টকা দিব পৰা সামৰ্থ্য নথকাত তাই সেইফালৰপৰাও বঞ্চিত হ'ব লগাত পৰে।

অঙ্কিতাৰ নিজৰ ওপৰত বিশ্বাস আছে। সেয়ে তাইৰ ধৈৰ্য্য আৰু বিশ্বাসৰ কথা মনত ৰাখিয়েই পলমকৈ হ'লেও তাই জীৱনত হোৱা দুখৰ এদিন অন্ত হ'ব বুলি ভাবিছে। গতিকে কেইদিনমান পিছত হ'লেও তাই কিবা এটা চাকৰি নাইবা আন কিবা এটা উপায়েৰে হ'লেও ঘৰখনলৈ এটা ভাল অৱস্থা আহিব বুলি বৰ্তমান বৈ আছে। অঙ্কিতাৰ এই অপেক্ষা কেতিয়া শেষ হ'ব তাই নাজানে ! ☐ ☐





---

●

সংগ্ৰহ - চিন্কা চামুৱা
উঃ মাঃ প্ৰথম বৰ্ষ

১) বিশ্বৰ সৰ্বপ্ৰথম ৰিস্কা চলাচল কেতিয়া, ক'ত আৰম্ভ হৈছিল ?
উত্তৰ - ১৮৬৯ চনত জাপানত।

২) অসমৰ শৰাইঘাট দলংখনৰ দৈৰ্ঘ্য কিমান ?
উত্তৰ - ৭০০ মিটাৰ।

৩) যীশুৰ মাকৰ নাম কি ?
উত্তৰ - মেদোনা মেৰী

৪) ভাৰতীয় দুৰদৰ্শনত সংবাদ পঢ়োতা প্ৰথম মহিলা গৰাকী কোন ?
উত্তৰ - প্ৰতিমা পুৰী

৫) প্ৰেচাৰ কুকাৰৰ আৱিস্কাৰক কোন ?
উত্তৰ - ডেনিছ পেপিন ।

# দুধাৰী অশ্রু

শ্ৰীমৌচুমী বৰা
উঃ মাঃ ১ম বৰ্ষ

ৰাতিৰ আন্ধাৰ আতিৰি লাহে লাহে মেঘৰ ফাকেৰে সুৰুযৰ কোমল পোহৰ আহি পৃথিৱীৰ বুকুত পৰি পৃথিৱীখন অলপমান উজ্জ্বল কৰি তুলিছেহি। এনে সময়ত এফালে এখন সুন্দৰ সেউজীয়া পাহাৰ। আনফালে এটা নীলা ৰঙৰ পানীৰ নিজৰাৰ অহৰহ পানী বাগৰি আছে। এনে এটি সুন্দৰ দৃশ্যত অহৰহ মলয়া বতাহে সেই সেউজীয়া গছবোৰক নচুৱাই আছে। অসীম বৃহৎ পৃথিৱীখনৰ এটা চুকত লুকাই আছিল পৰী। তাই ৰাতিপুৱা শুই উঠিয়েই এই সুন্দৰ পৃথিৱীখনৰ মাজত সোমাই পৰিল।

পৰী প্ৰথম বৰ্ষৰ ছাত্ৰী। ৰাতিপুৱা তাই গা-পা ধুই চাহ জলপান খাই পঢ়াৰ টেবুলত বহি পঢ়া-শুনা কৰি প্ৰায় ৮-৪৫ মান বজাত কলেজৰ কাৰণে সাজু হয়। পৰীয়ে ভাত-পানী খাই এযোৰ চুইদাৰ পিন্ধি কলেজলৈ ওলাল। সমুখৰ সৰু নামঘৰটোত সেৱা এটি জনায় মাক, দেউতাক আৰু বায়েকক মাত দি লাহে লাহে কলেজলৈ বুলি আগবাঢ়িল। এই ১৬ বছৰীয়া ছোৱালীজনী ৰাস্তাৰে যায় থাকোতে বাটৰ কাষৰ বহুত ডেকা লৰাই জোকায়। কিন্তু তাই এই কথাবোৰলৈ কান মন নকৰি গতিপথ আগবঢ়াই গৈ থাকে মাথোন কলেজলৈ বুলি।

আজি কলেজৰ নবাগত সকলৰ আদৰণী সভা। পৰী আৰু তাইৰ লগৰ মমী, চুমীহত কলেজলৈ বুলি আহিল। সিহঁতৰ বৰ ভয় লাগি আছিল কিবা ৰেগিং হয় বুলি কিন্তু এই সভা সুকলমে পাৰ হৈ গ'ল।

আজি তাইৰ বান্ধৱী মমীৰ জন্ম দিন। গতিকে তাই নগলে মমীয়ে তাইক বৰ বেয়া পাব। সেয়ে আবেলি তাই এটা ফুলৰ থোপা হাতত লৈ মমীহঁতৰ ঘৰলৈ যাবলৈ ওলাল। তাই মাক আৰু বায়েকক মাত দি যাব ওলাওতে মাকে ক'লে। মাক - মাজনী, বেছি দেৰি নকৰিবা। ৰাতি হ'লে অকলে নাহিবা।

পৰী - হব মা, তুমি চিন্তা নকৰিবা।

মমীহঁতৰ ঘৰত মানুহেই মানুহ। মমীয়ে এযোৰ বৰ সুন্দৰ চুইদাৰ কামিজ পিন্ধি দুজনী ছোৱালীৰ লগত কথা পাতি আছে। মমীৰ মাক আৰু দেউতাকে আলহি সুশ্ৰূসা কৰাত ব্যস্ত। মমীয়ে পৰীক দেখি আগবাঢ়ি আহিল।

মমী - পৰী, ইমান পলমকৈ আহিছ। আহ মই ভাবিছিলো তই নাহিবি বুলি। তই অহাই কিমান ভাল পাইছো।

পৰীয়ে মমীক ফুলৰ থোপাটো দি কয়

পৰী - কিয় নাহিম। তোৰ জন্মদিনত মই নাহিমনে বাৰু ?

মমীয়ে পৰীৰ হাতত ধৰি অলপ ওচৰলৈ টানি আনি চিনাকি কৰি দিয়ে তাইৰ মামাকৰ লৰা প্ৰৱালৰ লগত।

মমী - তহঁতে কথা পাত। মই এতিয়াই আহো।

প্ৰৱাল - তোমাৰ নাম ?

পৰী - পৰী বৰুৱা।

প্ৰৱাল - কি পঢ়ি আছা ?





পৰী - H.S. 1st year.

সিহঁতৰ মাজত এনে কিবা-কিবি কথা বতৰা হৈ আছে। পৰীয়ে মাজতে লাহেকৈ কয় - গধুলিয়েই হ'লহি। মই যাও। এনেতে মমী আহি পৰীক তাইৰ ৰুমলৈ লৈ গ'ল। মমীয়ে পৰীক তাইৰ জন্মদিনত উঠা বস্তুবোৰ চাবলৈ দিলে।

লাহে লাহে পৃথিৱীৰ বুকুলৈ আন্ধাৰ নামি আহিল। পৰীয়ে মমীক ক'লে যে মই ঘৰলৈ অকলে এই আন্ধাৰ ৰাতি কেনেকৈ যাও। মমীয়ে তাইক বৰ জোৰ কৰিছে ৰাতি থাকিবলৈ কিন্তু তাই মান্তি নহল। সেইবাবে মমীয়ে প্ৰবালক কলে পৰীক ঘৰলৈ নি থৈ আহিবলৈ।

আন্ধাৰ ৰাতি পৰী প্ৰৱালৰ স্কুতাৰখনেৰে গৈ আছে পৰীহঁতৰ ঘৰলৈ। অৱশেষত পৰীয়ে তাইৰ ঘৰ পোৱাত সি তাইক থৈ গুচি আহিল।

দিনবোৰ বাগৰি গৈ আছে। কিন্তু সিহঁতৰ আৰু এদিনো লগ হোৱা নাই। পৰীয়ে মাজে সময়ে মমীক প্ৰৱালৰ কথা সুধি থাকে। তাই তাক লৈ কিমান যে কল্পনা কৰা নাই। তাইৰ মনত ভাৱ হয় যে তাই এতিয়ালৈ বহুত ডেকা ল'ৰা লগ পালে কিন্তু প্ৰৱালক এবাৰ দেখাৰ লগে লগে তাইৰ মনত যেন অনবৰতে সিয়েই সোমাই পৰিছে। তাই তাক লাহে লাহে হৃদয়ৰ মাজত ঠাই দিলে।

সিদিনা তাই মাহীয়েকৰ ঘৰলৈ যাবলৈ ওলাল। তাইৰ বায়েকৰ বিয়ালৈ মাত্ৰ এমাহ মান বাকী। গতিকে তাইৰ আনন্দ সীমা নাই। তাই মাহীয়েকৰ লগত কিৱা অলপমান বস্তু বজাৰ কৰি ঘৰলৈ আহিল। ঘৰৰ মানুহ বিয়াৰ কামত ব্যস্ত। পৰীৰ মনত অসীম আনন্দ কিন্তু প্ৰৱালক তাই বায়েকৰ বিয়াত মাতিব নাপাই বৰ দুঃখ অনুভৱ কৰিছে।

এদিন এনেকৈ বিয়া পাৰ হৈ গ'ল। বিয়াৰ কিছু দিনৰ পিছত তাইৰ পৰীক্ষা অৰ্থাৎ H.S. 2nd year ৰ পৰীক্ষা শেষ হ'ল আৰু সেয়ে তাই বায়েকৰ ঘৰলৈ গ'ল। বায়েকৰ ঘৰত তাই এইবাৰ প্ৰথম গৈছে। বায়েক, ভিনিয়েক আৰু সিহঁতৰ ভায়েক থাকে। বায়েকহঁতৰ কলিংবেলটো বাজি উঠাৰ লগে লগে দুৱাৰ বায়েকে খুলি দিলে।

বায়েক - পৰী আহিলা ! আহি থাকোতে তুমি কিবা অসুবিধা পাইছা নেকি ?

পৰী - নাই । বৰ ভাল লাগিছে দীঘলীয়া ভ্ৰমণ কৰি।

পৰীহঁতৰ ঘৰৰ পৰা বায়েকৰ ঘৰলৈ প্ৰায় ৮/৯ ঘণ্টা মানৰ বাট হ'ব। পৰীয়ে বহুদিনৰ মূৰত দীঘলীয়া ভ্ৰমণ কৰিছে।

বায়েক - পৰী, মুখ-হাত ধুই লোৱা। বাথৰুমত পানী থৈ আহিছো।

পৰী - হব দিয়া বাইদেউ। ভিনদেউ অফিচৰ পৰা কেতিয়া পাবহি।

বায়েক - পাবহি আৰু। অফিচৰ পৰা বজাৰত সোমাব। সেয়ে অলপ দেৰী হব কিজানি।

পৰী - তোমালোকৰ ভাইটি ক'ত থাকে দেখা নাই যে

বায়েক - অ প্ৰৱাল সি যোৰহাটলৈ গৈছে। আজি বা কালি পাবহি। সি তাত music ৰ কিৱা শিকি আছে।

পৰীয়ে প্ৰবাল নামটো শুনি নিমাত হৈ ৰ'ল। তাইৰ মনৰ সেই ৰাজকুমাৰজন নহয়টো। তাইৰ মুখখন তেজাল হৈ পৰিল আবেগত।

আজি দুদিনেই হ'ল - পৰী অহা। ভিনিয়েকে তাই ভালপোৱা আলোচনী, খোৱা খাদ্য আদি সকলো আনি দি থৈ অফিচলৈ ৰাতিপুৱাই ওলাই

যায়। বায়েক ঘৰৰ কামত ব্যস্ত থাকে। তাই ঘৰতে বহি বহি বৰ অকলশৰীয়া অনুভৱ কৰে কিন্তু প্ৰবালৰ কথা মনত পেলাই তাই এই অকলশৰীয়া ভাব দূৰ কৰে।

হঠাৎ সিহঁতৰ কলিংবেলটো বাজি উঠিল। পৰীয়ে বহাৰ পৰা উঠি গৈ দুৱাৰ খুলি দিলে। দুৱাৰৰ বাহিৰত এটা ডাঙৰ বেগ আৰু এটা হাতত গিটাৰ লৈ প্ৰবাল বাহিৰত থিয় দি আছে।

প্ৰবাল - এইটো।

পৰী - হয় আহক। আপোনালোকৰেই ঘৰ।

প্ৰবাল - তোমাক কৰবাত লগ পাইছো যেন লাগিছে।

এনেতে বায়েক সোমাই আহিল। প্ৰবাল আহিলা। এয়া মোৰ ভণ্টী পৰী। পৰী যোৱা প্ৰবাললৈ একাপ গৰম গৰম চাহ লৈ আহাগৈ।

পৰীয়ে সৰগখন হাতেৰে চুকি পোৱা যেন পালে। তাইৰ পেতে পেতে বৰ খং উঠিল। যাক তাই এবাৰ দেখাৰ লগে লগে হৃদয়ত স্থান দিব পাৰিছে সিয়েই আজি চিনি পোৱাত অস্বীকাৰ কৰিছে।

এনেকৈ দিনবোৰ পাৰ হৈ গৈ আছে। পৰীয়ে প্ৰবালক তাইৰ মনৰ কথা কবলৈ যদিও চেষ্টা কৰে কিন্তু তাইৰ সাহ নহ'ল। এদিন প্ৰবালে তাইক এখন নতুন চিনেমা চাবলৈ লগ ধৰিলে। ঘৰত বহি বহি থকা দেখি বায়েকে যাবলৈ দিলে। গৈ থাকোতে সিহঁতে এজনে আনজনক বহু কিবা কিবি কৈ গৈ থাকিল। সিহঁতে এজনে আনজনৰ লাহে লাহে দুখ-সুখৰ সমভাগী হবলৈ ধৰিলে। সিহঁতৰ মাজত হলি-গলি বাঢ়ি যাবলৈ ধৰিলে। পৰীয়ে তাক সঁচাকৈ হৃদয়ত স্থান দিলে।

এনেকৈ দিনবোৰ গৈ আছে। পৰী আজি ঘৰলৈ যাব ওলাইছে। ৰাতিপুৱা তাই শুই উঠি গা-পা ধুই চাহ-জলপান খাই প্ৰবালৰ কোঠালৈ আহিল। তাই আজি বুকুত বহুত সাহ লৈ আহিছে। আজি তাই তাইৰ মনৰ কথা কৈহে ঘৰলৈ যাব। সি যিয়েই নকওক বা যিয়েই নাভাবক কিয়।

হঠাৎ সিহঁতৰ কলিংবেলটো বাজি উঠিল। পৰীয়ে দুৱাৰ খুলি দিলে। এজনী সগুণ সম্পন্না, সকলো অলংকাৰেৰে বিভূষিতা শিৰত সুকুযৰ দৰে উজ্জ্বল সেন্দুৰী কিৰণৰ এজনী সুন্দৰ নাৰী আৰু লগতে প্ৰবালক বৰমালাৰ সৈতে দেখি তাই আচৰিত হৈ উঠিল।

পৰী - এয়া কি দেখিছে তাই। তাই যেন নিজৰ চকুক বিশ্বাস কৰিব পৰা নাই। তাই যেন এই পৃথিৱীৰ পৰা একেবাৰে হেৰাই গৈছে।

পৰী আৰু একপলো তাত থাকিব নোৱাৰিলে। তাই ঘৰলৈ আহিল আৰু বান্ডাত আহি থাকোতে ভাবিবলৈ ধৰিলে। তাই জীৱনত প্ৰবালকেই নিজৰ হিয়া দান কৰিব খুজিছিল। কিন্তু সিও আজি.....................।

তাইৰ দুচকুৰে পৰা দুধাৰী অশ্ৰু নিগৰি বাগৰি ওলাই আহিল।

ঃ ঃ ঃ ঃ





# অভিশপ্ত প্ৰেম

শ্ৰীবৰ্ণালী দাস
উঃ মাঃ ১ম বৰ্ষ (ক'লা)

(১)

আগফালৰ চোতালত বহি আছিল পাৰমিতা অকলে । পাৰমিতাৰ লগত বহিবলৈ আজি তাইৰ ভনীয়েক পম্পি লগত নাই আছে যদিওঁ আহি বহা নাই। মাকে এসপ্তাহ ধৰি তাইক মাতবোল কৰা নাই। ঘৰখনৰ আটাইৰে মুখৰ অভিব্যক্তিত পাৰমিতাৰ প্ৰতি মাথোঁ খং আৰু বিৰক্তি।

মাত্ৰ চাৰিমাহ আগৰ ঘটনা। পাৰমিতাই পৰাশৰ সৈতে সেইদিনা চিনাকি কৰি দিবলৈ মাকহঁতৰ ওচৰলৈ লৈ আহিছিল পৰাশ বৰুৱাক। এজন শিক্ষিত ভদ্ৰ যুৱক। চাকৰিও ভাল কৰে। মাকহঁতৰ অপছন্দ কৰিবলগীয়া কোনো কথাই নাই। বৰঞ্চ এজন ভাল ল'ৰা পচন্দ কৰা মাক দেউতাক পম্পি সকলো যেন গৌৰবান্বিত হৈ পৰিছিল কিন্তু আজি; সেই একেজন পৰাশৰক কোনেও ভাল নাপায় কোনেও নিবিচাৰে পাৰমিতাৰ ঘৰখনলৈ অহাতোঁ। পাৰমিতা পৰাশৰৰ লগত বিয়া দিয়াৰ কথা যেন কোনেওঁ এতিয়া ভাবিবই নোৱাৰে। কাৰণ মাথোঁ এটাই । দুই তিনিমাহৰ আগৰ দৰে আজি পৰাশৰে কথা কব নোৱাৰে। দুমাহ আগতে হোৱা এক পথ দুৰ্ঘটনাই নিষ্ঠুৰভাৱে কাঢ়ি লৈ গ'ল পৰাশৰৰ কথা কোৱা শক্তি বহু চিকিৎসা বিফলে গ'ল সি যে কেতিয়াওঁ কথা কব নোৱাৰিব সেয়াওঁ ডক্তৰ বৰুৱাই জনাই দিছে । পৰাশৰ এতিয়া বোবা, সম্পূৰ্ণ বোবা।

(২)

পাৰমিতাৰ এতিয়া সমুখৰ পৃথিৱীখন নৰক যেন অনুভূত হৈছে । পৰাশৰে প্ৰায়েই কয় পাৰমিতা মোক পাহৰি তুমি এজন অন্য জীৱনৰ লগৰী বিচাৰি লোঁৱা। কিন্তু পাৰমিতা ইমান নিষ্ঠুৰ প্ৰকৃতিৰ ছোৱালী নহয়। বহুত অন্তৰ্দ্বন্দ্বৰ মূৰত পাৰমিতাই আজি সিদ্ধান্ত ললে যে তাই পৰাশৰ লগতে বিয়া হব । অন্য কাৰোৰে লগত নহয়। ভাগ্যই প্ৰতাৰণা কৰা এটি নিষ্পাপ লৰাক তাই অন্তত ; প্ৰতাৰণা কৰিব নোৱাৰে। পৰাশৰে কৰ লগীয়া কথাবোৰ আজিকালি লিখিয়েই জনায়। আৰু বহু দিন সি এই একেটা কথাকেই জনাইছে যে পাৰমিতাৰ দৰে ইমান সু-শিক্ষিত ধুনীয়া সহজ সৰল ছোৱালীজনী তাৰ দৰে বোবা এজনৰ লগত বিয়া হোৱাৰ কোনো যুক্তি নাই, এজন বোবাৰ লগত সংসাৰ কৰাটো কেনেদৰে সম্ভৱ। এটা সময়ততো তাইৰ অসহ্য লাগিব ; আমনি লাগিব। তেতিয়া?

এই একেবোৰ কথাকেই মাক দেউতাক ভনীয়েক সকলোৱে কয় । কথাবোৰৰ যে যুক্তি আছে তাকো জানে। কিন্তু তাইৰ যে মনে নামানে অলপো, পাৰমিতাই ভাবি নাপায়, ঘৰখনৰ মানুহবোৰে বাৰু কিয় নুবুজে ? এই দুৰ্ঘটনাটোৰ বাবে পৰাশৰ ভিতৰি ভিতৰি কিদৰে ভাগি পৰিছে। তাতে যদি পাৰমিতাৰ মৰমৰ পৰাওঁ সি বঞ্চিত হয়, সি বাৰু কেনেদৰে জীয়াই থাকিব। জন্মৰ পৰাই যদি পৰাশৰ

বোবা হ'লহেতেন তেন্তে হয়তোঁ আজি সি ইমান আঘাত নাপালেহেঁতেন । দুমাহ আগলৈ অনর্গলি কথা কৈ থকা ল'ৰাজনে যদি হঠাতে কথা কোৱাৰ শক্তি হেৰুৱাই পেলায় সি বাৰু কিমান দুৰ্ভগীয়া হব। পৰাশৰৰ সেই সেমেকা চকুযুৰি লৈ চায়েই পাৰমিতাই বুজে তাইৰ প্ৰতি কিমান মৰম পৰাশৰৰ। অৱশেষত পাৰমিতাই ঘৰত বেছ শুষ্কভাবেই জনাই দিলে তাইৰ সিদ্ধান্ত। ধুমুহাৰ কোঁৱাল সোঁতৰ দৰেই হেঁচি ঠেলি সোমাই আহিল অশান্তিবোৰ, কাজিয়া গালি-গালাজ। সকলোঁৱে ক'লে পৰাশৰৰ সৈতে বিয়া হ'লে তাহাঁতে কেতিয়াও অহা যোৱা নকৰে পাৰমিতাৰ ঘৰলৈ ঠিক আছে, মোৰ আপত্তি নাই। পাৰমিতাৰ শেষ উত্তৰ।

(৩)

দুটা বছৰ পাৰ হ'ল। পৰাশৰ পাৰমিতাৰ এক সুখী দম্পতী বুলিয়েই পৰিচিত হ'ল সমাজত। পাৰমিতাৰ মাকহঁত কোনোদিনেই অহা নাই তাহাঁতৰ ঘৰলৈ। ইয়াৰ বাবে তাইৰ আফচোচ নাই পৰাশৰৰ লগত বিয়া হৈ তাইতো একো দুখ পাবলগীয়া হোৱা নাই, একো কষ্ট পাবলগীয়া হোৱা নাই। যদি জীয়েক সুখতেই আছে তেন্তে মাকহঁতে মিছাতেই ইমান দুখ লৈ, ইমান অভিমান লৈ থকাৰ কি প্ৰয়োজন অৱশ্যে মাকহঁতৰ ঘৰখনৰ পৰা আঁতৰি তাইৰ বেয়া লাগে যদিওঁ সিমান একো দুখো অনুভৱ কৰা নাই তাই যে পৰাশৰৰ মাক দেউতাকৰ অসীম মৰমৰ গৰাকী হব পাৰিছে। এতিয়া মাথোঁ তেওঁলোকক এটি নাতি সন্তান লাগে এই বিশাল সম্পত্তিৰ অধিকাৰী পাৰমিতা 'মা' হব লাগিব। আৰু পৰাশৰ দেউতাক।

(৪)

মেডিকেল ৰিপৰ্টটো পঢ়ি পাৰমিতা থৰ হৈ ৰ'ল বহু সময়লৈ এটা সময়ত নিজকে চম্ভালি ললে। কাৰণ তাই এনেদৰে হতাশ হৈ পৰিলে পৰাশৰে আৰু বেছি কষ্ট পাব তাই পৰাশৰে দুখ পোৱাটো সহ্য কৰিব নোৱাৰে। তাই পৰাশৰক খুব ভাল পায়। খিৰিকীৰে বাহিৰলৈ চাই ৰৈছে পৰাশৰ। সিয়ো হয়তো ভবা নাছিল এনে কিবা অঘটনৰ সন্মুখীন হব লাগিব বুলি। সি উচুপিচে, উচুপিছে এইবাবেই যে পাৰমিতাই প্ৰথমবাৰৰ বাবে কিবা এটা বিচাৰিছিল তাৰ পৰা, তাকো সি দিবলৈ অক্ষম বুলি আজি জনাই দিলে ডাক্তৰ বৰুৱাই। পৰাশৰ উচুপি, উচুপি কন্দাৰ কাৰণে পাৰমিতাই পৰাশৰক বুজালে মোক নিজৰ সন্তান নালাগে। ভগবানে সদায় তোমাৰ আৰু মোৰ প্ৰতি নিষ্ঠুৰ হৈ নাথাকে এদিন হলেওঁ আমাক দুয়োকে চকু মেলি চাব। "পৰাশৰ তুমি কান্দিছা কিয় ? মোলৈ চোৱা, মইতো কন্দা নাই। আমাৰ নিজৰ সন্তান নহলে কি হ'ল । কিমান নিঠৰুৱা সন্তান আছে। আমি এটি ল'ৰা বা ছোৱালী এজনী তুলি ল'ম - হব ? হবনে ?" পৰাশৰে মাথোঁ অসহায় দৃষ্টিৰে পাৰমিতাৰ দুচকুলৈ চাই ৰ'ল !

(৫)

পাঁচ বছৰীয়া পৰিণীতাৰ আগমনে ঘৰখনলৈ যে ইমান আনন্দ উপচাই আনিব পাৰমিতাই ভাবিবই পৰা নাছিল। কোনো বংশ পৰিচয় নথকা এটি অনাথ শিশুক পৰাশৰৰ মাক দেউতাকে ইমান হেঁপাহেৰে নাতি বুলি স্বীকাৰ কৰা বাবেই বেছি সুখী হৈছে তাই। ঘৰখনত সকলোঁ সময়তেই এতিয়া মাথোঁ উখল-মাখল পৰিবেশ। ককাক, আইতাকে, দেউতাকে বনকৰা হৰিকায়ে - চম্পা এই আটাইকেইজনেই খেলাৰ লগৰী পৰিণীতাৰ দৰ্শক মাথো পাৰমিতা। তাইৰ ভাল লাগে ঘৰখনৰ এই পৰিবেশটো। ভগবানে যেন কৰে তাইৰ ধৈৰ্য্যৰ পৰীক্ষাহে লৈছে ? তথাপি যে তাই কৃতকাৰ্য্য হ'ল। এজন বোবা নামী আৰু এটি তুলি লোৱা সন্তানক লৈওঁ তাই যে এখন সুখৰ সংসাৰ গঢ়িব পাৰিছে মুখ মেলি হাঁহিব পাৰিছে সেয়াই বহুত।

(৬)

আগফালৰ চোতালত বহি আছে পৰমিতা অকলে। তাইৰ ওচৰত আজি কোনো নাই। পৰিণীতাই চাগে ককাক আৰু আইতাকৰ লগত খেলি আছে আৰু পৰাশৰ। এই মুহূৰ্ত্তত পৰাশৰে কি কৰি আছে তাই নাজানে অৱশ্যে এয়া জানে কেইটামান মুহূৰ্তৰ আগতে সি কি কৰিছিল। পৰাশৰ বোবা হ'ল। পাৰমিতা ভাগি পৰা নাছিল নিজৰ ঘৰখনৰ লগত সম্বন্ধ শেষ হোৱাতো পাৰমিতা ভাগি পৰা নাছিল। পৰাশৰৰ অক্ষমতাৰ বাবেই সন্তান এটি জন্ম দিবলৈওঁ তাই অপাৰগ হ'ল। তথাপি ভাগি পৰা নাছিল। কিন্তু আজি ঃ আজি পাৰমিতা ভাগি পৰিছে কাৰাৰুদ্ধ হৈ পৰিছে তাই। নিজৰ চকুক বাৰু তাই কেনেদৰে অবিশ্বাস কৰে। পাৰমিতা ভাল পোৱা তাইৰ এই ধুনীয়া চকুযুৰীৰে তাই যে স্পষ্ট ভাবে দেখিবলৈ পাইছে।

তাহাঁতৰ কাম কৰা ছোৱালী চম্পাক পৰাশৰে সাৱটি ধৰি চুমা খাই থকা সেই অভাৱণীয় দৃশ্যটো দেখি।

ঃ ঃ ঃ ঃ

## মহৎ লোকৰ বানী

সংগ্ৰহ - অমৰ জ্যোতি বৈশ্য
উঃ গুঃ মহাবিদ্যালয়
স্নাতক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা।

১) আমি যি জানো অতি সামান্য, যি নাজানো তাৰ সীমা নাই। এতেকে নিজকে জ্ঞানী বুলি ভবাটো অনুচিত।

- পালেজ

২) শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা কিন্তু ইয়াৰ ফলাফল বৰ মিঠা।

- এৰিষ্টটল

৩) ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা তোমাৰ শক্তিক।

- লক্ষ্মীনাথ বেজবৰুৱা

